# বিষয় সূচী

*ইতিহাস কথন ঃ-*


| | | |
|---|---|---|
| ❑ আজাদ অঞ্চলত উচ্চ শিক্ষাৰ প্ৰসাৰণ | ✍ শ্ৰী নাৰায়ণ চন্দ্ৰ বৰগোঁহাই | ২৭ |
| ❑ ইতিহাসে ৰিঙিয়াই | ✍ ড° হামিদুৰ ৰহমান | ২৯ |
| ❑ মহাবিদ্যালয়ৰ আধাৰ শিলা স্থাপনৰ সোঁৱৰণত | ✍ শ্ৰীভোলানাথ মহন্ত | ৩২ |
| ❑ মহাবিদ্যালয় প্ৰতিষ্ঠা কাল তথা জন্মলগ্ন আৰু ৰাইজৰ ভূমিকা | ✍ শ্ৰীমদন চন্দ্ৰ চেতিয়া | ৩৩ |
| ❑ শুভ মুহূৰ্তৰ ক্ষণিক চিন্তা | ✍ শ্ৰীদেবেন্দ্ৰ নাথ ভূঞা | ৩৫ |
| ❑ মহাবিদ্যালয়ৰ প্ৰথম সমবেত সংগীত আৰু আজাদ অঞ্চলৰ সংগীত চৰ্চাৰ ঐতিহ্য | ✍ শ্ৰীমতী ক্ষীৰদা কাকতি | ৩৬ |
| ❑ ৰোমন্থন ঃ মহাবিদ্যালয়ৰ জন্ম লগ্নৰ | ✍ ড° হেমন্ত কুমাৰ বৰুৱা | ৩৮ |
| ❑ আজাদৰ ঐতিহ্যৰ আওঁ ধৰি | ✍ শ্ৰীৰমেশ চুতীয়া | ৪২ |


*মহাবিদ্যালয়ৰ মজিয়াৰপৰা ঃ*


| | | |
|---|---|---|
| ❑ স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাই চাৰৰ সোঁৱৰণত | ✍ শ্ৰীমতী অঞ্জলিকা ৰাজখোৱা | ৪২ |
| ❑ কৰ্মসাধনাৰ প্ৰতীক ঃ স্বৰ্গীয় কৰুণা শৰ্মা | ✍ শ্ৰীমতী পদ্মাৱতী গোঁহাই | ৪৩ |
| ❑ স্বৰ্গীয় কুমুদ চন্দ্ৰ শৰ্মাদেৱলৈ একাঁজলি শ্ৰদ্ধাঞ্জলী | ✍ শ্ৰীমতী চালেমা বেগম | ৪৬ |
| ❑ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ৰীড়াজগতত এভুমুকি | ✍ শ্ৰীবিদ্যুৎ চুতীয়া | ৪৭ |
| ❑ কলেজ পতাৰ কৰিতা | ✍ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ হাজৰিকা | ৫২ |


*ছাত্ৰৰ শিতান ঃ*


| | | |
|---|---|---|
| ❑ প্ৰাক্তন ছাত্ৰৰ দৃষ্টিত লঃ তেঃ কঃ মহাবিদ্যালয় | ✍ শ্ৰীপ্ৰশান্ত কুমাৰ বৰা | ৫৪ |
| ❑ একালৰ দুখৰীয়া ছবি | ✍ শ্ৰী প্ৰণৱ শইকীয়া | ৫৬ |
| ❑ সমৰ কলাৰ ঐতিহ্য আৰু প্ৰয়োজনীয়তা | ✍ শ্ৰীগণেশ গগৈ | ৫৮ |


*কথোপকথন ঃ*


| | | |
|---|---|---|
| ❑ প্ৰাক্তন সভাপতি মঃ নুৰুদ্দিন আহমদ চাৰৰ সৈতে মুখামুখি | | ৬৮ |


## English Section



| | | |
|---|---|---|
| ❑ Development and higher Education : A Real Need. | ✍ Dr. K. D. Gogoi | ৭১ |
| ❑ Grant-in-aid System | ✍ Dr. Jitram Dutta. | ৭৩ |
| ❑ Glimpses of the L.T.K. College : Past to present | ✍ Dr. L. Buragohain | ৭৬ |
| ❑ Science Stream in L. T. K. College. | ✍ Sri Narayan Ch. Gogoi. | ৭৯ |
| ❑ The Seminars Held at L. T. K. College. | ✍ Baharul Islam. | ৮১ |

# ৰূপালী অনুভৱ

(মহাবিদ্যালয়ৰ পঁচিশ বছৰ পূৰ্তি উপলক্ষ্যে উৎসৰ্গিত)

- লীলা বৰা।

শিখা হৈ জ্বলে
দুৰু দুৰুকৈ কঁপি থকা বুকুখনত
শাওনৰ সম্ভাৱনাই কঢ়িয়াই আনে
আঘোনৰ পকাধানৰ সপোন
এদিন দুদিন - এদেও দুদেওকৈ
ভৰি দিয়ে যৌৱনৰ বুকুত
উদুলি মুদুলি
আয়তী উৰুলিৰে
ভৰি পৰিছে চোতাল
আকাশে বতাহে মুখৰিত
হাঁহি আৰু হাঁহি
ৰাইজৰ চোতালত জক মক ফুল
"সুন্দৰেযে ফুলাৰ মন্ত্ৰ ....."
........................



# সম্পাদকীয়

## উচ্চ শিক্ষানুষ্ঠানৰ চিন্তাঃ

সভ্যতা আৰু প্ৰগতিৰ বিকাশৰ মূলতে হ'ল মানুহৰ শিক্ষাৰ প্ৰতি ধাউতি। এই ধাউতিয়েই কালক্ৰমত শিক্ষানুষ্ঠানবোৰৰ জন্ম দিয়ে। সভ্যতাৰ দ্ৰুত বিকাশ, বিজ্ঞান আৰু প্ৰযুক্তিৰ বিস্ময়কৰ উদ্ভাৱনৰ লগে লগে শিক্ষানুষ্ঠানবোৰো নিত্য নতুন ধ্যান-ধাৰণাৰে গঢ় লৈ উঠে। এনে প্ৰগতিৰ ফলতে পৃথিৱীৰ মানুহ বিভিন্ন ঠাইৰ মানুহৰ মাজত ভাৱৰ বিনিময় হৈছে- শিক্ষা-সংস্কৃতি তথা সকলো ধৰণৰ চিন্তা-চৰ্চাৰো পাৰস্পৰিক সম্পৰ্ক ঘটিছে। শিক্ষাৰ ক্ষেত্ৰটো একে একে কথাই খাটে। বিশ্বৰ সকলো দেশে খোজত খোজ মিলাই যোৱাৰ প্ৰয়াস কৰিছে।

বৃটিছসকলৰ আগমনৰ লগে লগে ভাৰত তথা অসমতো পুৰণি কালৰ শিক্ষাব্যৱস্থা ৰদ কৰি পশ্চিমৰ লগত বাট বুলিব পৰাকৈ পুৰণি কাঠামো ভাঙি নতুন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ বাতাবৰণ সৃষ্টি হ'ল। পৰ্য্যায় অনুসৰি প্ৰাইমাৰীৰ পৰা মহাবিদ্যালয় আদি উচ্চ অনুষ্ঠানৰ জন্ম হ'ল। অসমত উচ্চ শিক্ষাৰ বাটকটীয়া অনুষ্ঠান কটন কলেজ। ইয়াৰ পিছত ক্ৰমান্বয়ে সকলো ঠাইতে কলেজ সমূহ প্ৰতিষ্ঠা হ'বলৈ ধৰিলে।

## আমাৰ মহাবিদ্যালয়খন ঃ

১৯৭৭ চনলৈকে লক্ষীমপুৰ নগৰত তিনিখনহে মহাবিদ্যালয় আছিল। এখন কেৱল ছোৱালীৰ বাবে, এখন বাণিজ্য শাখাৰ। লক্ষীমপুৰ মহাবিদ্যালয়ে সকলোৰে চাহিদা পূৰণ কৰিবও নোৱাৰে। তাতে আকৌ বাছনিৰ কথাটো আছেই। এইবোৰ অসুবিধা পূৰাবৰ বাবে এচাম শুভবুদ্ধিসম্পন্ন লোকৰ মাজত এই অঞ্চলত এখন কলেজ খোলাৰ কথা মনত উদ্ৰেক হ'ল। জ্ঞান অভিপ্সিত লোকে এনে শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ ক্ষেত্ৰত নানা প্ৰতিকূলতাকো নেওচি আগবাঢ়ি যায়। চিন্তা চৈতন্য জাগ্ৰত ব্যক্তিসসকলে আগভাগ লয়। সকলো অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়াৰ গুৰিতো সদায় এইসকল লোকেই থাকে। আজাদ অঞ্চলত আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ মূলতে এনে মহানুভৱ লোকৰ অৱদান অনস্বীকাৰ্য্য। এই ব্যক্তিসকলৰ অসাধাৰণ কৰ্তব্যনিষ্ঠা,দায়িত্ববোধ আৰু উচ্চ শিক্ষাৰ প্ৰতি থকা আকৰ্ষণৰ ফলশ্ৰুতিতে জন্ম হ'ল লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। সেইসকলৰ বিষয়ে মই ক'বলৈ গৈ নিজকে অপৰাধী নকৰোঁ। বহুজনে এই আলোচনীৰ পাততে যথাস্থানত কোৱাৰ চেষ্টা কৰিছে। মই মাথোঁ এইটোকে বাঞ্ছা কৰোঁ আমাৰ মহাবিদ্যালয় খনিয়ে সেই মহান লোকসকলৰ আশা-আকাংক্ষা আৰু অঞ্চলটিৰ ৰাইজৰ সদিচ্চাক যথাৰ্থভাৱে মূল্যাংকণ দিবলৈ যেন যত্ন কৰে।

নানা আলৈ-আহুকাল, প্ৰতিকূল পৰিৱেশ, বিশেষকৈ আৰ্থিক সমস্যা অতিক্ৰম কৰি মহাবিদ্যালয়খনিয়ে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলেহি। এয়া আমাৰ বাবে সৌভাগ্যৰ কথা; কিন্তু গৌৰৱৰ অধিকাৰী তিনিও মৌজাৰ ৰাইজহে।

## স্মৃতিগ্ৰন্থৰ বিষয়ে ঃ

এনে গৌৰৱৰ ভাগী মহাবিদ্যালয়ৰখনৰ ৰূপালী জয়ন্তী উৎসৱটি উদ্‌যাপন কৰাৰ লগতে এখনি 'স্মৃতিগ্ৰন্থ' উলিওৱাৰ কথাও উদ্‌যাপন সমিতিয়ে বিবেচনা কৰে আৰু 'স্মৃতিগ্ৰন্থ'খন সম্পাদনাৰ দৰে গধূৰ দায়িত্বটি আমাৰ ওপৰত ন্যস্ত কৰে। পিছে কথাটো থুপৰিৰ হাতত তাঁতশাল দিয়াৰদৰে হ'ল। কাঁজী শিপিনীৰো কেতিয়াবা কেনা লাগে, আঁত

হেৰায়, সূতা ছিগে। তেনেক্ষেত্ৰত আমাৰদৰে থুপৰিৰ কিহৰ মেল? পিছে সম্পাদনা সমিতিৰ সদস্যবৃন্দৰ লগতে উপদেষ্টাদ্বয় অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই ড° হামিদুৰ ৰহমানৰ বলতহে এনে মহান কামৰ বাবে আগবাঢ়িব পাৰিছোঁ। এইক্ষেত্ৰত আমাৰ জ্ঞান ভাণ্ডাৰ তেনেই সীমিত। মহাবিদ্যালয়খনিৰ জন্মলগ্নৰ পৰা এতিয়ালৈকে বৈ থকা আঁতদাল ধৰি ৰখাৰ লগতে উচ্চ শিক্ষাৰ সামগ্ৰিক ছবি এটা দাঙি ধৰাৰ প্ৰয়াসেৰে বিশিষ্ট লেখকসকলৰ ৰচনাৱলী সজোৱাত যত্নৰ ত্ৰুটী কৰা নাই। পিছে সময়ৰ অভাৱত স্মৃতিগ্ৰন্থখনিৰ অংগসজ্জা যেনেদৰে হ'ব লাগিছিল তেনেদৰে নহ'লগৈ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আলোচনীখন সম্পাদনাৰ ক্ষেত্ৰত নামটোহে আমাৰ। সকলো কৃতিত্ব সম্পাদনা সমিতিৰ সদস্যসকলৰ লগতে মহাবিদ্যালয়ৰ সহকৰ্মীসকলৰহে। বিশেষকৈ স্মৃতিগ্ৰন্থখনি সম্পাদনাৰ সিংহভাগ দায়িত্ব ড° হামিদুৰ ৰহমানেই পালন কৰিলে। মহাবিদ্যালয়ৰ জন্মকালৰ পৰা বৰ্তমানলৈকে প্ৰশাসনিক আৰু কাৰ্যকৰী দিশসমূহৰ তথ্য-পাতি, বিভিন্ন সময়ৰ পৰিচালনা সমিতিৰ লগত জড়িত ব্যক্তিসকলৰ নাম তালিকা, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ নাম তালিকা দিয়াৰ উপৰিও এইবিলাকৰ লগত সংলগ্ন হ'ব লগা ফটো তোলাৰ পৰা বিচাৰি অনাৰ কামলৈকে তেঁৱেই কৰিছে। আনকি ছপাশালৰ সৈতে যোগাযোগ পৰ্যন্ত কামত হাত উজান দিয়া উপাধ্যক্ষ ড° ৰহমানহে সম্পাদনাৰ প্ৰধান দাবীদাৰ। অন্যহাতেদি অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাইও সমানেই অংশীদাৰ। অধ্যক্ষ মহোদয়াই বিভিন্ন জনৰ লগত যোগাযোগ কৰি প্ৰবন্ধ-পাতি বিচৰা, মহাবিদ্যালয়ৰ তথ্য-পাতিবোৰ চালি জাৰি চাই দিয়াৰ পৰা আৰম্ভ কৰি আনকি বিজ্ঞাপন বিচৰালৈকে সকলো কাম কৰি নিদিয়াহ'লে স্মৃতিগ্ৰন্থ খনিয়ে ৰাইজৰ মুখ নেদেখিলেহেঁতেন। অন্যহাতেদি সহঃ সম্পাদক অধ্যাপিকা চালেমা বেগম, অধ্যাপিকা ৰুমী দত্ত, অধ্যাপিকা মীনা বৰাইতৰ সহায়-সহযোগৰ কথা নক'লে দোষে চুব। আৰু দুজন বিশেষ ব্যক্তি- অধ্যাপক বাহৰুল ইছলাম আৰু অধ্যাপক বিদ্যুৎ চুতীয়া আৰু প্ৰাক্তন ছাত্ৰ প্ৰণৱ, ভাতৃপ্ৰতীম দেউকনে বিজ্ঞাপন বিচৰা আদি কামত সহায় কৰাৰ কথা পাহৰিব নোৱাৰি।

স্মৃতিগ্ৰন্থখনিলৈ শুভাশীষ জনাই কৃতাৰ্থ কৰাৰ বাবে অসমৰ মাননীয় ৰাজ্যপাল, এছ. কে. সিন্‌হা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য ড° কুলেন্দু পাঠক, অসম তথা ভাৰতৰ সকলোৰে শ্ৰদ্ধাৰ ড° ভূপেন হাজৰিকা, জ্ঞানপীঠ বঁটা বিজয়ী সু-লেখিকা শ্ৰদ্ধেয়া ড° মামণি ৰয়ছম গোস্বামী আৰু লক্ষীমপুৰ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰীযুত উৎপল দত্তলৈ আমাৰ তৰফৰ পৰা বিনম্ৰ কৃতজ্ঞতা যাচিলোঁ।


স্মৃতিগ্ৰন্থ এখনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি উদ্‌যাপন সমিতিৰ কৰ্মকৰ্তা সকলে যি দায়িত্ব দিছিল, সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰিলো যদিও এই গধুৰ দায়িত্ব দিয়াৰ বাবে তেখেতসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখন ততাকৈয়াকৈ ছপাই যুগুত কৰি দিয়াৰবাবে উদীয়মান ডেকা শ্ৰীমান জিতুমনি সুত আৰু শ্ৰীমান বিকাশ আইচৰ শলাগ ল'লোঁ।

**দোষ স্বীকাৰ ঃ**

ৰাইজৰ আশা-আকাংক্ষ্যাক প্ৰতিফলিত কৰিব পৰাকৈ স্মৃতিগ্ৰন্থখনি প্ৰকাশ কৰিব নোৱৰাৰ কাৰণে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। সময়ৰ নাটনি ইয়াৰ প্ৰধান অন্তৰায় যদিও এনেধৰণৰ অজুহাত গ্ৰহণযোগ্য নহয় বুলি নিজেই অনুভৱ কৰিছোঁ। লৰালৰিৰ বাবে যথেষ্ট ত্ৰুটী থাকিল। ইয়াৰ বাবে সদৌটিৰে ওচৰত ক্ষমা মাগিছোঁ।

শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। ❑❑

ইতিহাস কথন...



# 'আজাদ অঞ্চলত উচ্চশিক্ষাৰ প্ৰসাৰণ'

শ্ৰীনাৰায়ণ চন্দ্ৰ বৰগোঁহাই

জাতিৰ জনক গান্ধীজীয়ে কৈছিল-"প্ৰতিখন গাঁৱেই তেওঁলোকৰ ল'ৰাছোৱালীৰ শিক্ষাৰ ব্যৱস্থা কৰা উচিত। শিক্ষানুষ্ঠানৰ বাবে কোনো ডাঙৰ বা বহুমূলীয়া ঘৰৰ প্ৰয়োজন নাই।" বৃটিছসকলে তেওঁলোকৰ প্ৰশাসনীয় দিশত সহায়ক হ'বলৈ ভাৰতীয় সকলক পশ্চিমীয়া শিক্ষা ব্যৱস্থাৰে শিক্ষিত কৰি ল'বলৈ তেওঁলোকৰ সুবিধামতেহে শিক্ষানুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰি লৈছিল। সেয়ে নগণ্যতম তথা তজবজীয়া সামান্যতম ভাৰতীয় লোকেহে তেওঁলোকৰ শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। অধিক লোক উক্ত শিক্ষা গ্ৰহণৰপৰা বঞ্চিত বহলগীয়া হৈছিল। ভাৰতীয় চিন্তাবিদসকলে কিন্তু সকলো ভাৰতীয়কে উচ্চ শিক্ষাৰে শিক্ষিত হ'বলৈ আকুণ্ঠ আহ্বান জনাইছিল।

ঊনৈশ শতিকাৰ শেষৰফালে আৰু কুৰি শতিকাৰ আগছোৱাত আমাৰ অসমৰ ঠায়ে ঠায়েহে প্ৰাইমাৰী, মাধ্যমিক আৰু চেকেণ্ডেৰী বিদ্যালয়সমূহ স্থাপন কৰা হৈছিল। উচ্চ শিক্ষাৰবাবে কেৱল মাত্ৰ হেনৰী কটন চাহাবে গুৱাহাটীত কটন কলেজ প্ৰতিষ্ঠা কৰিছিল আৰু তেতিয়াৰ আৰু এতিয়াৰ সমগ্ৰ উত্তৰ পূৰ্ব ভাৰতৰ খুউব কম সংখ্যক যুৱক-যুৱতীয়েহে স্নাতক মহলালৈকে অধ্যনয়নৰ সুবিধা পাইছিল। স্নাতকোত্তৰ মহলাৰ বাবে বাহিৰৰ কলিকতা আদিলৈ গৈহে অধ্যয়ন কৰিব লাগিছিল।

স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত অসমত নগৰ আৰু শিল্পোদ্যোগ তথা বাণিজ্যিক কেন্দ্ৰবোৰ গঢ়ি উঠাৰ লগে লগে শিক্ষিত আৰু বুদ্ধিজীৱীসকলে তেওঁলোকৰ ল'ৰা-ছোৱালী উচ্চ-শিক্ষাৰবাবে ঠায়ে ঠায়ে মহাবিদ্যালয়বোৰ গঢ়ি ল'লে আৰু চৰকাৰৰপৰা আৰ্থিক অনুদানেৰে দিনক দিনে সেই শিক্ষানুষ্ঠানবোৰৰ কলেৱৰ বঢ়াই নিলে। কলা, বিজ্ঞান তথা বাণিজ্য শাখাৰে পৰিপুষ্ট মহাবিদ্যালয়বোৰত নগৰৰ বাহিৰেও গাঁৱলীয়া অঞ্চলৰ অৰ্থনৈতিকভাৱে সবল লোকৰ ল'ৰা-ছোৱালীয়ে ধন-খৰচ কৰি শিক্ষা গ্ৰহণৰ সু-ব্যৱস্থাৱলী কাৰণে ক্ৰমে ল'ৰাৰ বাবে ছাত্ৰাবাস আৰু ছোৱালীৰ বাবে ছাত্ৰী-নিবাস নিৰ্মাণ কৰি উচ্চ শিক্ষাৰ পোহাৰ মেলা হ'ল; কিন্তু অতি পৰিতাপৰ কথা যে অসমৰ ৮০% লোক বাস কৰা গাওঁ অঞ্চলৰ দুখীয়া হোজা কৃষকৰ ল'ৰা-ছোৱালীয়ে খেনোৱে প্ৰাইমেৰী আৰু খেনোৱে প্ৰৱেশিকালৈকে আগবাঢ়ি টকা-পইচাৰ অভাৱত হয় গৰু ম'হ ৰাখিলে, নহয় মহৰি, কেৰেণী, মণ্ডল বা প্ৰাইমাৰী বিদ্যালয়ৰ শিক্ষকতাতে ৰৈ থাকিব লগা হ'ল।

এই অঞ্চলত ১৯৪৬ চনতে আজাদ মজলীয়া বিদ্যালয় প্ৰতিষ্ঠা হ'লেও ১৯৬০ চনত গঁড়েহগা-বাঁহপাতি উচ্চ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ বেলিকা দুয়ো অঞ্চলৰ এজনো স্নাতক নোহোৱাৰ বাবেই প্ৰয়াত নৰনাথ শৰ্মা বি. এ. বি.টি. দেৱক চৰকাৰী চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছতো উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে নিয়োগ কৰিবলগীয়া হৈছিল। পিছলৈ লক্ষীমপুৰ মৌজা, তেলাহী মৌজা আৰু কমলাবৰীয়া মৌজাৰ সত্তৰ হেজাৰৰো অধিক জনসংখ্যাৰে পৰিপূৰ্ণ সু-বিস্তৃত অঞ্চলত এখনো মহাবিদ্যালয় নোহোৱাত তিনিও মৌজাৰ সংগমস্থল আজাদতে ১৯৭৭ চনত কেইজনমান শিক্ষানুৰাগীলোকে তিনিও মৌজাৰ নামেৰে এই মহাবিদ্যালয়খনি আৰম্ভ কৰোঁতেও চৰকাৰী চাকৰিত মকৰল হৈ থকা প্ৰয়াত প্ৰভাত চন্দ্ৰ বৰগোহাঁই এম. এ. দেৱকহে অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰি যেনেতেনে কলেজৰ পাঠদান আৰম্ভ কৰা হৈছিল। কলেজৰ যাৱতীয় প্ৰাৰম্ভিক কাম কাজ সমাপন কৰাৰ পিছত নকাৰী নগৰৰ প্ৰয়াত দেৱব্ৰত গগৈদেৱক খাতিৰ বাতিৰ কৰি অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিলেও কলেজ পৰিচালনা সমিতিয়ে মাহিলি ৪০০.০০ (চাৰিশ টকা) পাৰিতোষিক দিয়াৰ সিদ্ধান্ত কৰি ৩/৪ মাহ মান পোহপাল দিলেও ১৯৭৭ চনৰে নৱেম্বৰ মাহৰ পাৰিতোষিক সময়মতে দিব নোৱৰাত পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদক উভয়েই উকীল নটিছ পাবলগীয়া হৈছিল। তথাপি কলেজৰ পাঠদান কাৰ্য্য চলি থকা অৱস্থাতো আৰু পাৰিতোষিক আদায় দিয়াৰ পাছতো তেখেতে

কলেজলৈ নাহিল। একেদৰে স্থানীয় ভালেকেইন প্ৰৱক্তাইও বিনা পাৰিতোষেকেৰে পাঠদান সেৱা আগবাঢ়িবলৈ অনিচ্ছা প্ৰাকাশ কৰি অন্যান্য শিক্ষানুষ্ঠানলৈ ঢাপলি মেলিলে। এই বৃহৎ অঞ্চলৰ গাতে লাগি থকা উত্তৰ লক্ষীমপুৰ নগৰৰ ভালেকেইগৰাকী স্নাতকোত্তৰ ডিগ্ৰীধাৰী লোকে বিনা-বেতনে দহ বছৰে পাঠদান কাৰ্য্য আগ বঢ়াবলৈ আগবাঢ়ি আহিল- আৰু স্থানীয় দুই তিনিজনে খামোচ মাৰি ধৰিলে। বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ তেতিয়াৰ অধ্যক্ষ শ্ৰীযুত গুণকান্ত গগৈ এম. এ. বি. টি. দেৱে ডিব্ৰুগড়ীয়া হৈও নিজে বুৰঞ্জীৰ পাঠদান আগবঢ়াইছিল। তেতিয়াৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰৱক্তা প্ৰয়াত প্ৰভাত চন্দ্ৰ বৰগোহাঁই এম. এ. দেৱে অধ্যক্ষৰ পদৰ পৰা অব্যাহতি পালেও প্ৰৱক্তা হিচাপে সেৱা আগবঢ়াই গ'ল। গঁড়েহগা বাহঁপাতি হায়াৰ চেকেণ্ডাৰী স্কুলৰ (তেতিয়া হাইস্কুল আছিল) শিক্ষক কৰ্তব্য পালন কৰিও কলেজৰ সহকাৰী সম্পাদকৰ দায়িত্বৰ লগতে অৰ্থনীতি বিভাগৰো নিয়মীয়াকৈ বিনাবেতনে পাঠদান কাৰ্য্য আগবঢ়াইছিল।

প্ৰয়াত দেৱব্ৰত গগৈ কলেজলৈ আহিবলৈ এৰাত তেতিয়াৰ পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ শৰ্মাদেৱে প্ৰৱক্তা হিচাপে ১৯৭৭ চনৰ ২২ আগষ্টৰে পৰা সেৱা আগবঢ়াই অহা এই প্ৰবন্ধ লেখকক ১৯৭৮ চনৰ ২ জানুৱাৰী তাৰিখে অধ্যক্ষৰ চকিত বহুৱাই দি অধ্যক্ষৰ দায়িত্ব চলাই যাবলৈ মৌখিক ভাৱে ভাৰ অৰ্পণ কৰে। সেই সময়ত এই অভাজনে তেলাহী সমবায় সমিতিৰ সভাপতি, সদৌ অসম অন্যান্য পিছপৰা শ্ৰেণী যুৱ-ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদকৰ দায়িত্বৰ উপৰিও ডিব্ৰুগড় বিশ্ব বিদ্যালয়ৰ আইনৰ পৰীক্ষাৰ্থী হিচাপে আছিলো। এই বিৰাট অঞ্চলটি শিক্ষাৰ ক্ষেত্ৰত পিছপৰা হোৱাৰ উপৰিও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আইনৰ পৰীক্ষাৰ্থী হিচাপে আছিলো। এই বিৰাট অঞ্চলটি শিক্ষাৰ শেত্ৰত পিচপৰা হোৱাৰ বাবে উক্ত কলেজৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হ'ল। বৰ্তমান লখিমী বালিকা মাধ্যমিক বিদ্যালয়ৰ চৌহদৰ পৰা কলেজৰ নিজা মাটিলৈ স্থানান্তৰিত কৰাকে ধৰি বিশ্ব-বিদ্যালয়ৰ লগত যোগাযোগ, পুঁজি সংগ্ৰহ, ছাত্ৰ-ছাত্ৰী সংগ্ৰহ, ৰাইজৰ মতামত আৰু সহযোগ আদায়ৰ বাবে অতিশয় ব্যস্ত হ'বলগীয়া হোৱাত আইনৰ পৰীক্ষা দিয়া নহ'লগৈ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ গৈ স্থানীয় শ্ৰী লীলা বৰাক লগ পাই বিশ্ববিদালয়ৰ নিয়মীয়া চাকৰি এৰি আহি ঘৰৰ কলেজ প্ৰতিষ্ঠা কৰিবলৈ আহ্বান কৰাত হেলাৰঙে তাৰ পুৰা দৰমহা পোৱা চাকৰি এৰি থৈ বিনাবেতনে এই মহাবিদ্যালয়ৰ প্ৰৱক্তাৰ চাকৰিত যোগদান কৰাটো উল্লেখনীয় বিষয়। এঠাকটীয়া গ্ৰেজিঙৰ ৬০ বিঘা কলেজৰ নামেৰে সংৰক্ষিত মাটিত গড়মূৰীয়া সত্ৰাধিকাৰ স্বৰ্গীয় শ্ৰী শ্ৰী কৃষ্ণকান্ত দেৱগোস্বামীৰ দ্বাৰা আধাৰশিলা স্থাপন কৰাৰ লগে লগে কলেজ পৰিদৰ্শন, অনুমতি প্ৰাপ্তী, স্বীকৃতি প্ৰাপ্তী আৰু ১৯৮৭ চনৰে পৰা ঘাটি মঞ্জুৰী প্ৰাপ্তীয়ে কলা বিভাগত এই অঞ্চলৰ গাঁৱে গাঁৱে স্তাতক সৃষ্টি কৰিব পৰা হ'ল। বৰ্তমান বিজ্ঞানৰ যুগত এই অঞ্চলৰ ন-চামে মাক-দেউতাকৰ লগতে থাকি কৃষি উৎপাদনত সহায়-সাৰথি কৰি দিও বিজ্ঞান শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰিবলৈকে ১৯৯৪ চনৰে পৰা বিজ্ঞান বিভাগ আৰম্ভ কৰি দিয়াৰ বাবে এই অঞ্চলৰ ন-চামে কলা আৰু বিজ্ঞান উভয়তে স্নাতক হ'ব পৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বীকৃতি প্ৰাপ্তী হৈ আৰ্থিক অনুদান পোৱাৰ যোগ্যতা অৰ্জন কৰা এই মহাবিদ্যালয়ে Industrial Fish & Fishery ৰ দৰে অতি লাগতিয়াল বিষয়ো লাভ কৰি এই তিনিও মৌজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সৌভাগ্য বহন কৰি আহিছে। কলা আৰু বিজ্ঞান দুয়ো শাখাতে পৰিপূৰ্ণ সৰ্ব ভাৰতীয় পৰ্য্যায়ৰ মহাবিদ্যালয় হিচাপে খ্যাতি লাভ কৰিবলৈ লাগে মাথোঁ শিক্ষক আৰু ছাত্ৰসকলৰ ঐকান্তিক প্ৰচেষ্টা। বৰ্তমানলৈকে এই মহাবিদ্যালয়ৰ জৰীয়তে তিনিওটি মৌজাৰ চুকে কোণে শিক্ষাৰ পোহৰে আলোকিত কৰিব পৰা বাবেই পানীগাঁও ওম প্ৰকাশ দীনদিয়া কলেজ আৰু খগা তুৰাৰাম নাথ মহাবিদ্যালয় স্থাপনৰ পথ সুখম কৰি তুলিছে। কুৰি শতিকাৰ ভিতৰত স্থাপিত শিক্ষানুষ্ঠান হিচাপে একৈশ শতিকাত ন-চামৰ বাবে প্ৰভূত বৰঙণি আগবঢ়াওক-এয়ে আমাৰ কামনা। উচ্চ শিক্ষাৰে শিক্ষিত হৈ তিনিও মৌজা আলোকিত কৰি দেশৰ প্ৰগতি সাধক।

........ That children are given opportunities and facilities to develop in a healthy manner and in conditions of freedom and dignity.

( Directive Principls of State Policy.) □□

---

★★লেখক মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ★★



# ইতিহাসে ৰিঙিয়াই

ড° হামিদুৰ ৰহমান।

সময় গতিশীল। সময়ৰ লগত খোজ মিলাই যাওঁতে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনিয়ে ২০০২ চনত পঁচিশটা বছৰ পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। এই ৰূপালী জয়ন্তী বৰ্ষত মহাবিদ্যালয়খনিয়ে গঢ়ি তোলা ইতিহাসৰ এখনি প্ৰতিচ্ছবি মানস পটত ভাঁহি আহিছে। এই ইতিহাসৰ এটি চমু বিৱৰণি ইয়াত ডাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। এইক্ষেত্ৰত অজানিতে বহুতো ভুল-ত্ৰুটী ৰৈ যাব পাৰে তাৰ বাবে সকলোলৈকে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

এই লিখনিৰে আৰম্ভণিতে এই মহাবিদ্যালয়খনি গঢ় দিয়াৰ ক্ষেত্ৰত যিসকল স্বনামধন্য ব্যক্তিয়ে কায়িক, মানসিক, আৰ্থিক আদি দিশত সৰ্বতোপ্ৰকাৰ সহায়-সহযোগিতা আগবঢ়ালে তাৰে বহুকেইজন মহান ব্যক্তি আমাৰ মাজৰপৰা হেৰাই গ'ল। সেইসকলৰ আত্মাৰ সদগতিৰ বাবে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। আৰু যিসকল জীৱিত আছে সেইসকলৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰিলোঁ।

মহাবিদ্যালয়ৰ চমু ইতিহাসৰ পাতনি মেলিবলৈ লোৱাৰ আৰম্ভণিতে উচ্চ শিক্ষাত পিছপৰা আজাদ অঞ্চলত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ সপোন দেখি বাস্তৱত ৰূপদান দিয়া মহান ব্যক্তি প্ৰবীণ স্বাধীনতা সংগ্ৰামী, মুক্তিযোদ্ধা তথা অৱসৰপ্ৰাপ্ত বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ উপদেষ্টা স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মাৰ নাম প্ৰথমেই উল্লেখ কৰিব লাগিব। তেখেতৰ প্ৰচেষ্টাত লক্ষীমপুৰ তেলাহী আৰু কমলাবৰীয়া এই তিনিটা মৌজাৰ ৰাইজক একত্ৰিত কৰি আজাদ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ সমীপতে সোমদিৰী নৈৰ পাৰত মহাবিদ্যালয়ৰ স্থায়ী ভেঁটিয়ে গঢ় লৈ উঠে। এই তিনিটা মৌজাৰ ৰাইজৰ প্ৰচেষ্টাত গঢ়লৈ উঠাৰবাবে মহাবিদ্যালয়খনিৰ নামো "লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়" ৰখা হয়। সংক্ষেপতে "লঃ তেঃ কঃ মহাবিদ্যালয়" বা "এল. টি. কে. কলেজ" নামেৰে সকলোৰে পৰিচিত।

১৯৭৭ চনৰ ১৭ জুন তাৰিখে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মদেৱে তেখেতৰ বাসভৱনতে আহ্বায়ক কমিটীৰ প্ৰথম বৈঠকখনি অনুষ্ঠিত কৰে। পিছত ২৪ জুন'৭৭ তাৰিখে শ'লাল তেলাহী কমলাবৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত এখন প্ৰতিনিধিমূলক ৰাজহুৱা সভা অনুষ্ঠিত কৰি মহাবিদ্যালয় প্ৰতিষ্ঠা সম্পৰ্কে মত প্ৰদান কৰাবাবে ৩ জুলাই ৭৭ তাৰিখে প্ৰাক্তন বিধায়ক স্বৰ্গীয় গোৱিন্দ চন্দ্ৰ বৰাদেৱৰ সভাপতিত্বত আজাদ বিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত মহাবিদ্যালয় পৰিচালনাৰ বাবে স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মাক সভাপতি আৰু স্বৰ্গীয় কুমুদ চন্দ্ৰ শৰ্মাদেৱক সম্পাদক হিচাপে লৈ এখন ৩২ জনীয়া পৰিচালনা সমিতি গঠন কৰে। এই ১ম পৰিচালনা সমিতিৰপৰা আৰম্ভ কৰি ৰূপালী জয়ন্তী বৰ্ষলৈকে গঠিত সকলো পৰিচালনা সমিতিৰ সদস্যসকলৰ নাম পৃষ্ঠান্তৰত উল্লেখ কৰা হ'ল।

৪ আগষ্ট' ৭৭ তাৰিখৰ পৰা মহাবিদ্যালয়ৰ প্ৰথম নাম ভৰ্তিকৰণৰ কাম আৰম্ভ কৰা হয়। কলেজৰ প্ৰথম নামভৰ্তি কৰা ছাত্ৰজন আছিল শ্ৰী গজেন দত্ত। নাম ভৰ্তিকৰণৰ সময়ছোৱাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাইক দায়িত্ব অৰ্পণ কৰা হয়। ২২ আগষ্ট' ৭৭ তাৰিখৰপৰা গঁড়েহগা বাঁহপাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পুৱাভাগত মহাবিদ্যালয়ৰ প্ৰথম পাঠদান কাৰ্য্যৰ শুভাৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ জন্মলগ্ন শ্ৰেণীটোত পাঠদান কৰাৰ সৌভাগ্য এই অভাজনৰো ঘটাৰবাবে মই আজিও গৌৰৱ অনুভৱ কৰোঁ। প্ৰথম তিনিমাহৰ পাঠদান গঃ বাঃ উঃ মাঃ বিদ্যালয়ত কৰাৰ পাছত আজাদ ডাকঘৰৰ লগতে গাঁও পঞ্চায়তৰ এটি কোঠা কাৰ্য্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ পোৱাৰবাবে মহাবিদ্যালয়ৰ সুবিধাৰবাবে পাঠদান কাৰ্য্য লখিমী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়লৈ স্থানান্তৰিত কৰা হয়। কলেজৰ পাঠদান আৰম্ভ হোৱা তাৰিখৰপৰা স্বৰ্গীয় দেৱব্ৰত গগৈদেৱে মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে।

১৯৭৭ চনত কলেজত প্ৰথমে নিযুক্তি লাভ কৰা শিক্ষকসকল আছিল যথাক্ৰমে স্বৰ্গীয় প্ৰভাতচন্দ্ৰ বৰগোহাঁই, মঃ হামিদুৰ ৰহমান, শ্ৰীমতী বীণা শইকীয়া, শ্ৰীমতী অঞ্জলিকা ৰাজখোৱা, শ্ৰীমতী স্বপ্না চেতিয়া আৰু শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোঁহাই। ইয়াৰ উপৰিও সেইসময়ত বিনামূলীয়া সেৱা আগবঢ়োৱা শিক্ষকসকল আছিল — শ্ৰীযুত আনন্দ চন্দ্ৰ দত্ত, শ্ৰীযুত হৰেন বৰা, শ্ৰীযুত অচ্যুত মহন্ত আৰু শ্ৰীযুত গুনকান্ত গগৈ। প্ৰথম অৱস্থাত তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী হিচাপে নিযুক্তি লাভ কৰে বৰ্তমানৰ মূখ্য সহায়ক শ্ৰী মাণিক দাসে আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে নিযুক্তি লাভ কৰে শ্ৰী মিনাৰাম বৰা আৰু শ্ৰী প্ৰফুল্ল চন্দ্ৰ হাজৰিকাই। ৫ জুন' ৭৮ তাৰিখে অধ্যক্ষ স্বৰ্গীয়

দেৱব্ৰত গগৈদেৱে অসুখৰ বাবে দীঘলীয়া ছুটী লোৱাত শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোঁহাইদেৱক মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব দিয়া হয়। মহাবিদ্যালয়খনি প্ৰতিষ্ঠাৰে পৰা বৰ্তমানলৈ নিযুক্তি লাভ কৰা শিক্ষক-কৰ্মচাৰীসকলৰ এখন তালিকাও পৃথকে দিয়া হৈছে।

মহাবিদ্যালয়ৰ আৰ্থিক দিশৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ১০ ডিচেম্বৰ' ৭৭ তাৰিখে স্বৰ্গীয় খগেন হিলৈদাৰীক সভাপতি, শ্ৰীযুত বিপিন চন্দ্ৰ দত্তক সাংগঠনিক সম্পাদক আৰু স্বৰ্গীয় কুমুদ শৰ্মাক সম্পাদক হিচাপে লৈ এখন ৮ জনীয়া পুঁজি কমিটী গঠন কৰে। পুঁজি কমিটী পৰিচালনা সমিতি আদিৰ উপৰিও স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোহাঁই, শ্ৰীযুত খগেন গগৈ আৰু শ্ৰীযুত ঘন মহন্ত আদি লোকসকলৰ আপ্ৰাণ চেষ্টাৰ ফলত ১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহত এখনি ভাগ্য পৰীক্ষা অনুষ্ঠিত কৰি মুঠ ৩০১৫.০০ টকা সংগ্ৰহ কৰিবলৈ সক্ষম হয়।

প্ৰথম পৰিচালনা সমিতিৰ কাৰ্য্যকাল শেষ হোৱাত ৮ মে' ৭৮ তাৰিখে পুনৰ ৪৭ জনীয়া এখন পৰিচালনা সমিতি গঠন কৰা হয়। এই সভাতেই ঁ খগেন হিলৈদাৰীক সভাপতি, শ্ৰীযুত বিপিন চন্দ্ৰ দত্তক সম্পাদক, শ্ৰীযুত গোলাপ বৰুৱা আৰু শ্ৰীযুত পূৰ্ণ বৰাক সহকাৰী সম্পাদক হিচাপে লৈ এখন ১১ জনীয়া পুঁজি কমিটি আৰু ঁ ইন্দ্ৰেশ্বৰ দত্তক সভাপতি, শ্ৰীযুত ভৱ হাজৰিকাক উপ-সভাপতি, শ্ৰীযুত হেমচন্দ্ৰ মহন্তক সম্পাদক আৰু শ্ৰীযুত ভদ্ৰেশ্বৰ দাসক যুটীয়া সম্পাদক হিচাপে লৈ এখনি ১৭ জনীয়া গৃহ নিৰ্মাণ কমিটী গঠন কৰে।

১৯৭৮ চনৰ আগষ্ট মাহত মহাবিদ্যালয়খনিয়ে এঠাকটীয়া গ্ৰেজিঙৰ ৬০ বিঘা মাটি বিভাগীয় কৰ্তৃপক্ষৰ পৰা সীমা চমজি পোৱাৰ পিছত গৃহ নিৰ্মাণৰ কথা চিন্তা কৰে যদিও মহাবিদ্যালয়ৰ নিজা মাটিলৈ যোৱাৰ কোনো পথ নথকাৰবাবে কৰ্তৃপক্ষ অসুবিধাত পৰে। এই অসুবিধাৰ পৰা মহাবিদ্যালয়খনিক উদ্ধাৰ কৰাৰ বাবে গড়েহগা গাঁৱৰ নিবাসী স্বৰ্গীয় ভাবীৰাম দত্তদেৱে তেখেতে বহুবছৰৰ পূৰ্বে মুঠ ৬০০.০০ টকাত কিনি থোৱা মাটিখিনি কিনা দামতে দিবলৈ আগবাঢ়ি আহে; কিন্তু তেখেতৰ মাটিখিনি মহাবিদ্যালয়ৰ মাটিৰ লগত সংলগ্ন নোহোৱাৰ বাবে কৰ্তৃপক্ষ পুনৰ অসুবিধাৰ সন্মুখীন হয়। এই অসুবিধাৰ স্থায়ী সমাধানৰ বাবে তিনিকুৰীয়া গাঁৱৰ নিবাসী শ্ৰীযুত লেখন ফুকনদেৱে তেখেতৰ নিজা মাটিৰ পৰা ১৮ ফুট বহলকৈ এটি ৰাস্তা দান দিয়ে মহাবিদ্যালয়ে এই পথটি তেখেতৰ বৰপুতেক ঁ মিণ্টু ফুকনৰ নামত নামকৰণ কৰে। তেখেতৰ এই মহান দানৰ বাবে মহাবিদ্যালয়খনি তেখেতৰ ওচৰত সদায়েই কৃতজ্ঞ হৈ ৰ'ব। পথটি পোৱাৰ পিছত ২৭ জুন' ৭৯ তাৰিখে মাননীয় গড়মূৰীয়া সত্ৰাধিকাৰ ঁ কৃষ্ণকান্ত দেৱগোস্বামীৰ দ্বাৰা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। উক্ত দিনাই সত্ৰাধিকাৰদেৱৰ সভাপতিত্বত বহা ৰাজহুৱা সভাত মঃ নুৰুদ্দিন আহমদক সভাপতি আৰু শ্ৰীযুত ভোলা মহন্তদেৱক সম্পাদক হিচাপে লৈ এখন ৪৪ জনীয়া পৰিচালনা সমিতি গঠন কৰা হয়। লগতে ঁ ইন্দ্ৰেশ্বৰ দত্তক সভাপতি, শ্ৰীযুত মদন চেতিয়াক উপ সভাপতি, শ্ৰীযুত হেমচন্দ্ৰ মহন্তক সম্পাদক আৰু শ্ৰীযুত যজ্ঞোনাৰায়ণ সন্দিকৈক সহকাৰী সম্পাদক হিচাপে লৈ এখন গৃহ নিৰ্মাণ কমিটী, শ্ৰীযুত থানেশ্বৰ বৰুৱাক সভাপতি, শ্ৰীযুত ধৰণী দাস আৰু শ্ৰীযুত মাণিক চুতীয়াক উপ-সভাপতি, শ্ৰীযুত পূৰ্ণ বৰাক সম্পাদক, শ্ৰীযুত ঘন মহন্তক যুটীয়া সম্পাদক হিচাপে লৈ এখন পুঁজি কমিটী আৰু শ্ৰীযুত চৰীন ৰাজখোৱাক সম্পাদক আৰু শ্ৰীমতী ক্ষীৰদা কাকতিক সভানেত্ৰী হিচাপে লৈ এখনি কৃষ্টি কমিটী গঠন কৰা হয়। মহাবিদ্যালয়ৰ মিণ্টু ফুকন পথটি ১৯৮৬ চনত গড়কাপ্তানি বিভাগৰ অধীনলৈ যোৱাৰ আগতে এই পথটি নিৰ্মাণৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ উপৰিও ঁ কেৰামত আলিৰ নেতৃত্বত ত্ৰলেংমৰা গাঁৱৰ ৰাইজ আৰু সদৌ অসম ছাত্ৰ সংস্থাই আগবঢ়োৱা বিনামূলীয়া শ্ৰমদানৰ কথা স্মৰণীয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে মহাবিদ্যালয়খনিয়ে মাটি চমজি লোৱাৰ পিছত কলেজৰ পশ্চিম দিশৰ ৩০ বিঘা মাটিত সামাজিক বননিকৰণৰ অধীনত বৃক্ষৰোপন কৰা হয়।

৫ ডিছেম্বৰ'৭৯ তাৰিখে মহাবিদ্যালয়ৰ প্ৰথম স্থায়ীঘৰৰ কামৰ শুভাৰম্ভ কৰা হয়। প্ৰথমে (২৫/ x ১০০/) ফুট দীঘল এটি পকীঘৰৰ কাম হাতত লয়। এই স্থায়ীঘৰ নিৰ্মাণৰবাবে ৭ টা খুটাৰ লোহাৰ জঁকা, ৩ বেগ চিমেণ্ট, আধা ট্ৰাক সৰু শিল আৰু এক ট্ৰাক বালি শ্ৰীযুত দেৱেন্দ্ৰ নাথ ভূঞাদেৱে দান দিয়ে। লগতে শ্ৰীমতী ক্ষীৰদা কাকতি, শ্ৰীযুত বিপিন চন্দ্ৰ দত্ত, শ্ৰীযুত ভোলা মহন্ত আৰু স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাইদেৱেও একোটাকৈ লোহাৰ জঁকা খুটাৰ বাবে আগবঢ়ায়। স্থায়ী ঘৰৰ কাম ১৯৭৯ চনতেই আৰম্ভ কৰা হয় যদিও ১৯৮৩ চনতহে এই ঘৰৰ দ্বাৰ উন্মোচন কৰা হয়। ইয়াৰ আগতেই মহাবিদ্যালয়ৰ বাবে মদাৰগুৰি গাঁৱৰ ৰাইজে ১৫ হাত দীঘল এটি খেৰীঘৰ বিনামূলীয়াকৈ সাজি দিয়ে। ১৯৮০ চনৰ শিক্ষাবৰ্ষৰ পৰা পাঠদান কৰিব পৰাকৈ আজাদ, ত্ৰঠাকটীয়া, জৰীটুপ, কৰ্চন, সোণাৰীগাওঁ আৰু তেলীয়াগাঁৱৰ ৰাইজৰপৰা বাঁহ-বেত, খেৰ আদি সংগ্ৰহ কৰি স্থানীয় ৰাইজ, আজাদ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থীসকলৰ সহযোগত (২৫/ x ৭৫/) ফুট দীঘল এটি খেৰী ঘৰ নিৰ্মাণ কৰি ১৯৮০ চনৰ ১৩ মে'ত দ্বাৰ উন্মোচন কৰা হয়। ১৯৮০ চনৰ শিক্ষাবৰ্ষৰপৰা মহাবিদ্যালয়ৰ নিজা ঘৰত পুৱা শাখাৰ পৰিবৰ্তে দিবা শাখাত পাঠদান কৰা হয়।

১৯৭৯-৮০ চনত মহাবিদ্যালয়খনিয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা প্ৰাক-স্নাতক শ্ৰেণী খোলাৰ অনুমতি, ১৯৮১-৮২ চনত প্ৰাক-স্নাতক শ্ৰেণীৰ স্বীকৃতি, ১৯৮২-৮৩ চনত স্নাতক শ্ৰেণী খোলাৰ অনুমতি আৰু ১৯৮৩-৮৪ স্নাতক শ্ৰেণীৰ স্বীকৃতি লাভ কৰে। ১৯৮৭ চনৰ১জানুৱাৰীৰ পৰা মহাবিদ্যালয়খনিয়ে ঘাটি মঞ্জুৰী লাভ কৰে। উল্লেখযোগ্য যে ১৯৮৫ চনত জুলাই মাহৰ ১৬ তাৰিখৰ পৰা ১৯ তাৰিখলৈকে এই অভাজনৰ নেতৃত্বত

চাৰিজনীয়া ছাত্ৰৰ দল এটাৰ লগত মাধৱদেৱ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় সামাজিক বননিকৰণ শিবিৰত যোগদান কৰি শ্ৰেষ্ঠদলৰ সন্মান লাভ কৰাৰ বাবে বন বিভাগে (সামাজিক বননিকৰণ) সন্তুষ্ট হৈ কলেজৰ সন্মুখভাগত বৃক্ষৰোপন কৰি দিয়াৰ ব্যৱস্থা কৰে যিটোৱে বৰ্তমান মহাবিদ্যালয়ৰ শোভাবৰ্ধন আৰু পৰিৱেশ সংৰক্ষণত সহায় কৰিছে।

মহাবিদ্যালয়খনিয়ে চৰকাৰৰপৰা তদৰ্থ মঞ্জুৰী লাভ কৰাৰ লগে লগে অৰ্থাৎ ১৯৮১ চনৰপৰা ৰাজহুৱা পৰিচালনা সমিতিৰ পৰিৱৰ্তে চৰকাৰী নীতিমতে পৰিচালনা সমিতি গঠন কৰে। এই চৰকাৰী পৰিচালনা সমিতি গঠন কৰি দিয়াৰ পিছত ৰাইজৰ দায়িত্ব বহুপৰিমাণে কমি আহিল। এই সময়লৈকে লক্ষীমপুৰ তেলাহী আৰু কমলাবৰীয়া এই তিনিওটা মৌজাৰ ৰাইজে আৰ্থিক, কায়িক, মানসিক আদি দিশত আগবঢ়োৱা অৱদানৰ কথা মহাবিদ্যালয়খনিয়ে পাহৰিব নোৱাৰিব। মহাবিদ্যালয়খনিৰ উন্নতিৰ দিশত বিভিন্ন সময়ত সক্ৰিয় অংশগ্ৰহণ কৰা স্মৰণযোগ্য ব্যক্তিসকল হ'ল ক্ৰমে- প্ৰয়াত ইন্দ্ৰেশ্বৰ শৰ্মা, কুমুদ শৰ্মা, প্ৰভাত চন্দ্ৰ বৰগোহাঁই, খগেন হিলৈদাৰী, খগেশ্বৰ বৰুৱা, কেৰামত আলি, পুনাৰাম পুখুৰীপৰীয়া, ইন্দ্ৰেশ্বৰ দত্ত, সৰুকণ বৰা, ব্ৰজেন গগৈ, ফইজনুৰ আলি গাওবুঢ়া, শৰৎ গগৈ, জীৱন চন্দ্ৰ দত্ত। জীৱিত ব্যক্তিসকল হ'ল সৰ্বশ্ৰী তীৰ্থনাথ দত্ত, কালিৰাম দত্ত, নুৰুদ্দিন আহমদ, ভোলা মহন্ত, লিকেশ্বৰ হাজৰিকা, মাণিক চুতীয়া, দেৱেন্দ্ৰ নাথ ভূঞা, বিপিন দত্ত, লক্ষীৰাম দাস, টংক দত্ত, ভোগেশ্বৰ দত্ত, ঘন মহন্ত, হেম মহন্ত, ভৱ হাজৰিকা, পূৰ্ণ বৰা, সোণাৰাম দত্ত, আনন্দ চন্দ্ৰ দত্ত, নবীন চন্দ্ৰ নাথ, যজ্ঞোনাৰায়ণ সন্দিকৈ, যোগেন গগৈ, ক্ষীৰদা কাকতি কুশপ্ৰভা ৰাজখোৱা, নিৰ্মল বৰা, ভদ্ৰেশ্বৰ দাস, শৰৎ গগৈ, আনন্দ চন্দ্ৰ দত্ত, মদন চেতিয়, বাপাৰাম দাস, নবীন চন্দ্ৰ দত্ত, ইন্দ্ৰ বৰা, তিলেশ্বৰ বৰা, সুশীল দত্ত, ড° হেমন্ত কুমাৰ বৰুৱা, গুণকান্ত গগৈ, কিনাৰাম গগৈ আৰু বহুকেইজন ব্যক্তি — যিসকলৰ নাম মনলৈ নহাত দিব পৰা নগ'ল সেইসকলক কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। লগতে আৰম্ভণিৰে পৰা কলেজ গঢ় দিয়াৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা কৰ্মচাৰী কেইজন হ'ল মুখ্যসহায়ক শ্ৰীমাণিক দাস, শ্ৰীমিনাৰাম বৰা আৰু শ্ৰী প্ৰফুল্ল চন্দ্ৰ হাজৰিকাৰ নাম উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। মহাবিদ্যালয়ৰ অগ্ৰগতিৰ ক্ষেত্ৰত গঁড়েহগা-বাঁহপাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, লখিমী বালিকা বিদ্যালয়, আজাদ গাঁও পঞ্চায়ত আদি অনুষ্ঠানে যি অৰিহণা আগবঢ়ালে তাৰ বাবে আমি এই অনুষ্ঠানসমূহৰ ওচৰত চিৰঋণী। এই লিখনিৰ ভিতৰত অজানিতে হয়তো বহু ব্যক্তি বা অনুষ্ঠানৰ নাম বাদ পৰিব পাৰে তাৰ বাবেও ক্ষমা বিচাৰিছোঁ।

১৯৮০ চনত মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষ স্বৰ্গীয় দেৱব্ৰত গগৈৰ মৃত্যু হোৱাৰ পাছত স্থায়ী অধ্যক্ষ হিচাপে ১৩ জুলাই ১৯৮২ চনত প্ৰয়াত কৰুণা শৰ্মাদেৱে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল যদিও ১৯৮৭ চনৰ আগষ্ট মাহত তেখেত পৰলোকগামী হয়।

কৰুণা শৰ্মাদেৱে মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বত থকাৰ সময়তেই মহাবিদ্যালয়খনিয়ে প্ৰাক্ স্নাতক শ্ৰেণীৰ স্বীকৃতি, স্নাতক শ্ৰেণীৰ অনুমতি আৰু স্বীকৃতি, পোন প্ৰথমবাৰৰ বাবে প্ৰাক্ স্নাতক আৰু স্নাতক শ্ৰেণীৰ পৰীক্ষা কেন্দ্ৰ লাভ কৰে। ইয়াৰ আগলৈকে পৰীক্ষাৰ্থীসকলে উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ত পৰীক্ষা দিব লাগিছিল। তেখেতৰ দিনতেই মহাবিদ্যালয়খনিয়ে ঘাটি মঞ্জুৰী লাভ কৰে।

১৯৮৬ চনত স্বৰ্গীয় কৰুণ শৰ্মাদেৱে অসুখৰ চিকিৎসাৰবাবে দীঘলীয়া 'চিকিৎসা ছুটী' লোৱাত শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোঁহাই ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰিব লগা হয়। স্বৰ্গীয় কৰুণা শৰ্মাদেৱৰ মৃত্যুৰ পিছত ১৯৮৮ চনত ড° জিৎৰাম দত্তদেৱে মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে; কিন্তু ১৯৮৯ চনৰ অক্টোবৰ মাহত তেখেতে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ উপ সচিব পদত যোগদান কৰাত পুনৰ এই অভাজনে কিছুদিন ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰিব লগা হয়। কিন্তু ১৯৯২ চনৰ ডিছেম্বৰ মাহত এই অভাজনৰ পৰিৱৰ্তে শ্ৰীযুত নাৰায়ণ বৰগোঁহাইদেৱে পুনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ পদ বহন কৰে। তেখেতৰ দিনত ১৯৯৪ চনত মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলা হয়। ইতিমধ্যে বিজ্ঞান শাখাই স্নাতক শ্ৰেণীৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃত লাভ কৰিছে; কিন্তু বৰ্তমানলৈকে ঘাটি মঞ্জুৰী লাভ কৰা নাই। শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁইদেৱে ২০০১ চনৰ জানুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰাৰ লগে লগে ড° লাৱণ্য বুঢ়াগোঁহাইয়ে অধ্যক্ষৰ দায়িত্ব বহন কৰিব লগা হয়। এখেতে দায়িত্ব গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়খনিয়ে উন্নয়নৰ ক্ষেত্ৰত এক নতুন দিশত গতি কৰাটো পৰিলক্ষিত হৈছে। এনেদৰে সকলো শিক্ষক-কৰ্মচাৰীৰ সহযোগিতা অব্যাহত থাকিলে মহাবিদ্যালয়ৰখনিয়ে বিশেষ প্ৰগতি লাভ কৰিবলৈ সক্ষম হ'ব।

মহাবিদ্যালয়ৰখনিৰ এই চমু ইতিহাসত সকলো দিশ বিতংভাৱে প্ৰকাশ কৰিব নোৱাৰি নিজকে অপৰাধী অনুভৱ কৰিছোঁ। বিভিন্ন সময়ত মহাবিদ্যালয়খনিলৈ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰাক্তন বিধায়ক শ্ৰীযুত শূল বৰা, প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক শ্ৰীযুত উৎপল দত্ত, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, শিক্ষাধিকৰ্তাৰ কাৰ্য্যালয়, অসম চৰকাৰকে আদি কৰি বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানৰ নাম উল্লেখ নকৰাকৈ থাকিব নোৱাৰি। সেয়েহে সমূহ শুভাকাঙ্খীলৈকে মহাবিদ্যালয়ৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। ভৱিষ্যতেও সকলোৰে পৰা সহায়-সহযোগিতা কামনা কৰিলো। ❑❑

"জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।"

☆☆ *লেখক মহাবিদ্যালয়ৰ উপাধ্যক্ষ* ☆☆

# লঃ তেঃ কঃ মহাবিদ্যালয়ৰ আধাৰ শিলা স্থাপনৰ ত্ৰুটি স্মৃতি



শ্ৰী ভোলানাথ মহন্ত

লক্ষীমপুৰ, তেলাহী, কমলাবৰীয়া এই তিনিটি মৌজাৰ সন্মিলিত জনসাধাৰণৰ মত সাপেক্ষে আজাদত এই মহাবিদ্যালয় খনি স্থাপন কৰা হয়।

পূৰ্বৰ সময়ছোৱাত দেখা যায় যে শিক্ষাৰ ক্ষেত্ৰত আজাদ অঞ্চল একেবাৰে পিছ পৰা আছিল। উত্তৰে গড়েহঁগা প্ৰাথমিক বিদ্যালয়, দাক্ষিণে ন পমুৱা প্ৰাথমিক বিদ্যালয়, পশ্চিমে তেলাহী প্ৰাথমিক বিদ্যালয়ে একমাত্ৰ শিক্ষাৰ স্থান আছিল।

সোমদিৰী নদীৰ দুয়োপাৰৰ ৰাইজৰ সহায়-সহযোগত আজাদ মজলীয়া বিদ্যালয় আৰু গঁড়েহগা-বাঁহপাতি নামেৰে উচ্চ মাধ্যমিক বিদ্যালয়খনি স্থাপন কৰা হয়। ইয়াৰ পাছতে ৰাইজৰ মাজত উচ্চ শিক্ষাৰ প্ৰতি এটি ভাবধাৰা জাগ্ৰত হয়। এই প্ৰাক্ মুহূৰ্তটিত আজাদ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰতে জনদিয়েক লোক আলোচনাত বহোঁ। আৰু তিনিওটি মৌজাৰ শিক্ষাপ্ৰেমী ৰাইজক লৈ এখনি ৰাজহুৱা সভা পতাৰ দিহা কৰি আমন্ত্ৰণ জনোৱা হয়। এই সভাই সৰ্বসন্মত ভাবে কলেজ খনিৰ আৱশ্যকতা দৃঢ়তাৰে গ্ৰহণ কৰি প্ৰাক্-প্ৰস্তুতিৰ বাবে এখনি পৰিচালনা সভা গঠন কৰি দিয়ে। এই সভাৰ সভাপতি স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা আৰু সম্পাদক হিচাপে স্বৰ্গীয় কুমুদচন্দ্ৰ শৰ্মাদেৱক নিৰ্বাচন কৰি দিয়ে। আৰু কাৰ্য্যালয় হিচাপে লখিমী হাইস্কুলৰ বৰ্তমান কাৰ্য্যালয়টিয়েই পতা হয়।

কলেজৰ মাটি বন্দোৱস্তীত এঠাকতীয়া প্ৰেজিঙৰ ৩০ বিঘা মাটি অধিগ্ৰহণৰ ব্যৱস্থাৰে কৰ্তৃপক্ষৰ লগত আদান-প্ৰদান কৰি চৰকাৰী ভাৱে অনুমতি পোৱা হয়। লগে লগে মদাৰগুৰি ৰাইজৰ যত্নত বৰ্তমান অফিছৰ কাষতে ৩৫ ×১২ ফুটৰ এটি নবাৰ ঘৰ সাজি তাতে প্ৰথম স্থিতি লোৱা হয়।

১৯৭৯ চনৰ ২৭ জুন তাৰিখে। শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুৰদ্বাৰা মহাপ্ৰয়োভৰে 'আধাৰ শিলা' স্থাপন কৰা হয়। অমৰাগুৰি নামঘৰৰ পৰা সত্ৰাধিকাৰ জনাক হাতীত তুলি তিনিওটা মৌজাৰ পুৰুষ-মহিলা গোট খাই গায়ন-বায়ন, উৰুলি ধ্বনিৰে বৰ্তমান মহাবিদ্যালয় স্থানলৈ অনাৰ মুহূৰ্তটো মনত পৰিলে এতিয়াও শৰীৰ ৰোমাঞ্চিত হয়। সেই শুভ আলোক ভৱিষ্যতলৈকো চিৰস্থায়ী হ'লে ৰাইজৰ শ্ৰম সাৰ্থক হ'ব। সেইদিনাই তিনিওটি মৌজাৰ ৰাইজৰ উপস্থিতিত গঁড়েহগা-বাঁহপাতি উচ্চ ইংৰাজী বিদ্যালয়ৰত ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাই এখনি পৰিচালনা সভা নতুনকৈ গঠন কৰে। সভাত এই অভাজনকে সম্পাদকৰ গুৰুভাব অৰ্পণ কৰে।

সেইদিন ধৰিবৰ পৰা ছাত্ৰ সংগ্ৰহ, অধ্যাপক অনা, গৃহ-নিৰ্মাণ, আচবাব গোটোৱা, বিশ্ববিদ্যালয়ৰ স্বীকৃতি বিচৰা, চৰকাৰৰ অনুদান বিচৰা, গুৱাহাটী, ডিব্ৰুগড়লৈ অহা-যোৱা কৰা, ৰাইজৰ ওচৰত অৰ্থ সংগ্ৰহ, বস্তু সংগ্ৰহ আদি বিভিন্ন সমস্যা আহি পৰে।

প্ৰিন্সিপাল বিচাৰি যোৰহাটৰপৰা স্বৰ্গীয় কৰুণা শৰ্মাৰদেৱে লোকক আনি বহুওৱা হয়।

এই কৰ্তব্যখিনি ৰাতি-দিন খাটি অহৰহ প্ৰচেষ্টাৰ ফলশ্ৰুতি হিচাপে গৃহ, আচবাব, শিক্ষক, ছাত্ৰ, পা-পইচাৰে মহাবিদ্যালয়খনিয়ে প্ৰায় পূৰ্ণতা লাভ কৰে।

মহাবিদ্যালয়ৰ স্থানলৈ সোমোৱা বাটটি তিনিকুৰীয়া গাঁৱৰ শ্ৰীলেখন ফুকনৰ পৰা দানসূত্ৰে গ্ৰহণ কৰা হয়। কলেজৰ চৌহদত বন বিভাগৰ লগত যোগাযোগ কৰি বেৰাসহ বননিকৰণ কৰা হয়। এনেদৰে আপ্ৰাণ চেষ্টাৰ ফলশ্ৰুতি হিচাপে প্ৰায় কলেজৰ পূৰ্ণতা লাভ হয়। পিঃ ইউ, পৰীক্ষাকেন্দ্ৰ মহাবিদ্যালয়তে পতাৰ নিৰ্দেশ কৰ্তৃপক্ষৰ পৰা পোৱা হয়।

এই খিনিতে আমি সম্পাদকীয় দায়িত্বভাৰ খনি উত্তৰ লক্ষীমপুৰৰ স্কুল সমূহৰ সহ-পৰিদৰ্শক চহৰীয়া ডাঙৰীয়াক হস্তান্তৰ কৰি আজৰি হওঁ।

অনুষ্ঠান এটা প্ৰতিষ্ঠা কৰোঁতে আলৈ-আহুকাল নোহোৱাকৈ নাথাকে। মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেনে বেমেজালী নঘটাকৈ থকা নাছিল। ৰাইজৰ শক্তিৰ কাষত এইবোৰ তেনেই নিশকটীয়া হৈ পৰিছিল। এই সময়খিনিত যিসকল লোকে বিভিন্ন দিশত আগভাগ লৈ মহাবিদ্যালয়খনি পূৰ্ণ-পৰ্য্যায় পোৱাইছিল, সেই সকল লোকৰ নাম উল্লেখ কৰিব লাগিছিল; কিন্তু কিবা ব্যতিক্ৰম হোৱাৰ ভয়ত নাম উল্লেখ কৰা নহ'ল।

সহযোগী প্ৰতিজন লোকলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাসহ কৃতজ্ঞতা জনালোঁ। বিভাগীয় কৰ্তৃপক্ষলৈ কৃতজ্ঞতা জনালো। যি সকল ছাত্ৰ-ছাত্ৰীক আমি আমন্ত্ৰণ কৰি অনা হৈছিল, যিসকল অধ্যাপকক অনা হৈছিল, সেই সকলে বহু ত্যাগ কৰি আহিছিল। সকলোলৈকে কৃতজ্ঞতা জনাইছোঁ। দান-বৰঙনিয়ে যি সকলে সহায় কৰিছিল, তেখেতসকলও আমাৰ অকৃত্ৰিম শ্ৰদ্ধা আগবঢ়োৱা হৈছে। আমি সম্পাদক হিচাপে কাম চলাই থাকোঁতে দোষ-ত্ৰুটী যদি হৈছিল এই সুযোগতে ক্ষমা বিচাৰিছোঁ।

শেষত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীত দুটি কথা স্মৃতি গ্ৰন্থলৈ বিচৰাত বৰ সুখী হৈছোঁ। লগতে উদ্‌যাপন সমিতিলৈ শ্ৰদ্ধা ভৰা কৃতজ্ঞতা জনাই চমু টোকাটি সামৰিছোঁ। লগতে মহাবিদ্যালয় সৰ্বতো ভাৱে উন্নতিৰ কামনাৰে পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। ❑❑

*জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।*

*** লেখক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত প্ৰাক্তন প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক আৰু মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক। ***



# “মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কাল তথা জন্মলগ্ন আৰু ৰাইজৰ ভূমিকা”

শ্ৰীমদন চন্দ্ৰ চেতিয়া

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে প্ৰতিষ্ঠা কালৰ পৰা বছৰৰ পাছত বছৰ গৰকি আজি এই ক্ষণত ৰূপালী জয়ন্তী বৰ্ষত উপনীত হৈছেহি। এই ৰূপালী জয়ন্তী বৰ্ষত এই অভাজনৰ পৰা “লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কাল তথা জন্মলগ্ন আৰু ৰাইজৰ ভুমিকা” শীৰ্ষক এটি কলম লিখিবলৈ দায়িত্ব অৰ্পণ কৰাত লিখিবলৈ হাতত কলম তুলি লৈছোঁ। এই ক্ষণত বাৰ্ধক্যৰ হেঁচাত অতীতৰ বহু কথাই স্মৃতিৰ কুঁকিৰপৰা বিলুপ্তিৰ পথত হেৰাই গৈছে; তথাপিতো নতুন প্ৰজন্মই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালছোৱাৰ বিষয়ে জানিবৰ বাবে পাহৰি যাব খোজা স্মৃতিৰেই পাতনি মেলিলোঁ। মোৰ এই পাতনিত সেই সময়ৰ গঁড়েহগা, বাঁহপাতি দুয়োটা অঞ্চল সামৰি আজাদত গঢ়ি উঠা অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ আলোক পাত কৰাৰ লোভ সামৰিব নোৱাৰি মহাবিদ্যালয়খনৰ লগতে অঞ্চলটিত গঢ়ি উঠা অনুষ্ঠান সমূহৰ বিষয়েও অৱগত কৰিলো। মোৰ এই লিখনিত বহুতো কথাই থাকি যাব পাৰে তাৰ বাবে ক্ৰুটী মাৰ্জনীয়।

বৰ্তমান সময়ৰ বিচাৰত আৰু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হোৱা কালছোৱাত অৰ্থাৎ আজিৰ পৰা ২৪/২৫ বছৰৰ আগৰ কালছোৱাত ৰাইজৰ সাম্য-মৈত্ৰীৰ ভাব গতিৰে যি কোনো সৰু-বৰ কাম কৰিবলৈও যথেষ্ট সহজ সাধ্য আছিল। সেই সময়ৰ ৰাইজৰ দুই-চাৰিজনে মত আদৰ্শৰ বৰ্ক্তব্য ৰাখিলেই সকলোৱে মানি লৈছিল। সেই অনুক্ৰমেই আঁচনি প্ৰস্তুত কৰি কামত অগ্ৰসৰ হৈছিল। ‘ট্ৰেডিং ছোচাইটি’, (বেচা কিনা সমবায় সমিতি), কাঁহৰ বাচন-বৰ্তন তৈয়াৰ কৰা ব্যৱস্থা, কৃষি বিভাগৰ কাৰ্য্যলয়, মুগা-ৰেচম কটা-মেলা, বোৱা-কটা, বিভাগ, পশু চিকিৎসা বিভাগ , আৰু কৃষি বিভাগ আৰু গাঁও পঞ্চায়তৰ কাৰ্য্যালয়, তেল পেৰা ঘানি আৰু সূতা-নেতা, কাপোৰত ৰং কৰা ব্যৱস্থা আদি অনেক প্ৰকাৰে অনুষ্ঠান সমূহ গঢ়ি উঠি ঠাই ডোখৰ চকুত লগা হৈ পৰিছিল। ইয়াৰ মূলতেই আছিল ৰাইজৰ অক্লান্ত পৰিশ্ৰম, ঐকান্তিকতা আৰু সাংগাঠনিক দিশত ঐক্যমতত উপনীত হৈ কাম কৰাৰ অদম্য স্পৃহা। তাৰেই কিছু অংশ বিশেষ আছে যদিও কালৰ কুটিল গতিত মাটিৰ অভাৱতেই হওক বা অন্য কোনো কাৰণতেই হওক, সেইবোৰৰ বহুতো বৰ্তমান আজাদত নাই। কিছু আঁতৰি গৈছে আজাদৰ পৰা। ১৯৪৬ চনতে এম ই, এম ডি আৰু প্ৰইমাৰী স্কুল গঁড়েহগা বাঁহপাতি দুয়োটা অঞ্চলতে প্ৰতিষ্ঠিত হৈছিল যদিও উচ্চ শিক্ষাৰ বাবে শ’লাল তেলাহী কমলাবৰীয়া বিদ্যালয়ত পঢ়া কেইজনমান ছাত্ৰহে আছিল। শ’লাল তেলাহী কমলাবৰীয়া বিদ্যালয়ত পঢ়া ছাত্ৰী এগৰাকীহে আছিল।

এনে অৱস্থাতে গঁড়েহগা-বাঁহপতি দুয়োটা অঞ্চলৰ উচ্চকাংক্ষী, শিক্ষানুৰাগী, দুৰদৰ্শী কেইজনমান বিশিষ্ট লোকে এখন উচ্চ ইংৰাজী বিদ্যালয় খোলাৰ পোষকতা কৰে। লগে লগেই এখনি সাধাৰণ সভা আহ্বান কৰি সেই সভাতেই ৰাইজৰ সিদ্ধান্ত মৰ্মে এখনি কাৰ্য্যকাৰী সমিতি গঠন কৰি কামত অগ্ৰসৰ হয়। সেই সময়ৰ ৰাইজেও কামত অগ্ৰসৰ হৈ উদ্যোক্তা সকলৰ প্ৰতি সঁহাৰি জনাই সকলো প্ৰকাৰৰ আৰ্থিক, কায়িক সহায় সহানুভুতি আগবঢ়াই বিদ্যালয় এখন প্ৰতিষ্ঠা কৰিবলৈ যত্নপৰ হয়। বৰ্তমান সেইখনেই ‘গঁড়েহগা-বাঁহপাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়’।

সেইদৰেই কিছু কিছু দূৰত কেইবাখনো উচ্চ ইংৰাজী বিদ্যালয় গঢ়ি উঠাত এখনি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব পৰা সম্ভৱপৰ আশাৰ সপোন এটি দেখি উত্তৰ লক্ষীমপুৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ শিক্ষক জিৰণি কোঠাত কেন্দ্ৰৰে উপদেষ্টা ˚ইন্দ্ৰেশ্বৰ শৰ্মাদেৱৰ মানস পটত উদয় হৈছিল আৰু তেখেতেই আমাৰ আগত এই কথা ব্যক্ত কৰিছিল। আমিও তেখেতৰ সতীৰ্থ হিচাপে কথাষাৰৰ গুৰুত্ব আৰোপ কৰি সেই দিনাই আমাৰ সকলোৱে মাজত আলোচনামৰ্মে প্ৰশিক্ষন কেন্দ্ৰৰ কাৰ্য্যালয় সহায়ক ˚প্ৰভাত চন্দ্ৰ বৰগোহাঁই দেৱক লক্ষীমপুৰ, তেলাহী, কমলাবৰীয়া তিনিওটা মৌজাক সামৰি এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। প্ৰয়াত বৰগোহাঁই দেৱেও নিৰ্দিষ্ট তাৰিখত এখনি সাধাৰণ সভা আহ্বান কৰিলে আৰু সেই সভাতেই ˚ইন্দ্ৰেশ্বৰ শৰ্ম্মাদেৱক সভাপতি আৰু প্ৰয়াত কুমুদ চন্দ্ৰ শৰ্ম্মদেৱক সম্পাদক হিচাপে লৈ এখনি পৰিচালনা সমিতি গঠন কৰা হৈছিল। এই সভাতেই মহাবিদ্যালয়খনে যেতিয়া গোটেই কেইটা অঞ্চল সামৰি ল’ব, সেই কাৰণে মহাবিদ্যালয়খনৰ নাম লঃ তেঃ কঃ মহাবিদ্যালয় হ’ব লাগে বুলি সিদ্ধান্ত গ্ৰহন কৰা হয় আৰু ৰাইজৰ মতামত তথা সহযোগিতা আৰু সিদ্ধান্ত মৰ্মেই এই মহাবিদ্যালয় খনে সোমদিৰী নদীৰ কাষত গৰীয়া চাপৰিত লঃ তেঃ কঃ মহাবিদ্যালয় নামেৰে জন্ম গ্ৰহন কৰে।

আমি যদি এই দুয়োটা অঞ্চলৰ ৮০ দশকৰ আগৰ কালছোৱাৰ পাত লুটিয়াই চাওঁ, তেতিয়া আমাৰ দৃশ্য পটত ভাঁহি উঠে গঁড়েহগা বাহঁপাতি এই অঞ্চল দুটাৰ জনগণৰ মাজত থকা সোহাৰ্দ্য আৰু ঐক্যৱদ্ধতা। ইয়াৰ উপৰিও সমাজ উন্নয়নমুখী সকলো কামৰ প্ৰতি দুয়োটা অঞ্চলৰ জনসাধাৰণ আছিল অতি আশাবাদী আৰু কৰ্মপটু।

যিকোনো এটা অনুষ্ঠান গঢ়ি উঠাৰ মূলতেই হ'ল অৰ্থ। মহাবিদ্যালয়খনৰ এক পুৰ্ণাংগ ৰূপ দিবৰ কাৰণে সেই সময়ৰ এই তিনিওটা মৌজাৰ ৰাইজে বিভিন্ন উপায়েৰে অৰ্থ সংগ্ৰহ কৰিছিল। অৰ্থ সংগ্ৰহ কৰিবৰ বাবে তিনিটা মৌজাত তিনিটা দল গঠন কৰি দিছিল আৰু এই দলকেইটাই ৰাইজৰ দুৱাৰে দুৱাৰে গৈ ধন-ধান, বাঁহ-বেত, খেৰ-কাঠ আদি সংগ্ৰহ কৰিছিল। সকলো ৰাইজে মহাবিদ্যালয়খনৰ নামত অকুণ্ঠ চিত্তেৰে দান আগবঢ়াইছিল। কথিত আছিল যে কোনো গাঁৱৰ কোনো গৰাকী বাঁৰী-দুখুনীও বাদ নপৰাকৈ ২/৫ টকা হ'লেও আগবঢ়াইছিল। এইদৰে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি মহাবিদ্যালয় খনৰ নামত অৰ্থ সংগ্ৰহ কৰা হৈছিল। এই মহাবিদ্যালয় খন গঢ়ি উঠাৰ মূলতেই ৰাইজৰ পূৰ্ণ সহযোগিতাক চিৰদিন সুঁৱৰিবই লাগিব।

ইয়াৰ উপৰিও বাঁহ-খেৰ সংগ্ৰহ কৰিবলৈ যাওঁতে গৃহস্থই এটা বাঁহ নিয়ক বুলিকৈ বাঁহনীখন দেখুৱাই দিছিল। সেইদৰেই মহাবিদ্যালয়ৰ নামত এটাৰ ঠাইত দুটাকৈ বাঁহ সংগ্ৰহ কৰা হৈছিল। ইয়াত গৃহস্থই অন্তৰত অকনো দুখ পোৱা নাছিল। অতি উৎসাহেৰে সেইদৰে টকা-পইচা দিব নোৱৰা গৃহস্থই ঘৰত মাৰি হোৱা ধানৰ পৰা এটিং ধান আগবঢ়াই দিছিল মহাবিদ্যালয় খনৰ পুঁজিৰ নামত। সেই সময়ৰ বিভিন্ন সম্প্ৰদায়ৰ বিভিন্ন ধৰ্মাৱলম্বী লোক সকলেও অন্তৰত কোনো ভেদ-ভাব নাৰাখি মহাবিদ্যালয় খনৰ কাৰণে সকলো ক্ষেত্ৰতে দান-দক্ষিণা আগবঢ়াইছিল। তিনিওটা মৌজাৰ ৰাইজৰ পুৰ্ণ-সহযোগিতা আৰু জনগনৰ প্ৰৱল ইচ্ছা দেখি আমি গৌৰাৱান্বিত হৈছিলো। তদনুৰূপ শাৰীৰিক, মানসিক, আৰ্থিক সকলো দিশতে সহজ-সৰল শান্তিকামী ৰাইজৰ অনুগ্ৰহ আদিত আমি অভিভূত হৈ পৰিছিলো। আমাৰ অনুভৱ হৈছিল, সকলোৱেই অন্তৰত যেন বহুযুগৰ পৰাই এখনি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ়াৰ ভাবে ভুমুকি মাৰি আছিল; সেই হেতু এই অনুষ্ঠানটো গঢ়ি তুলিবৰ বাবে সকলো ৰাইজে পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। মহাবিদ্যালয়খনৰ পুঁজি সংগ্ৰহৰ কাৰণে সাধাৰণ সভা আৰু কাৰ্য্যকাৰী সভাত ৰাইজৰ সহমত গঠন কৰি আঁচনি তৈয়াৰ কৰা হৈছিল। সকলোৱেই অন্তঃকৰণেৰে বুজি উঠিব লাগিছিল যে এইখন আমাৰ মহাবিদ্যালয়। এই বিদ্যালয়খনত আমাৰেই পো-হিচাপে গঢ় দি দিব লাগিব। এনে ধৰনৰ অন্তস্পৰ্শী আন্তৰিকতাৰে নাতি সকলক উচ্চশিক্ষাৰে শিক্ষিত কৰি দেশৰ ভৱিষ্যত নাগৰিক কামত আগবাঢ়ি সকলোকে প্ৰেৰণা যোগাই কৰ্তব্য পথত আগবঢ়া হৈছিল। এইদৰেই কঠোৰ শ্ৰম আৰু অধ্যৱসায়ৰ জৰিয়তে তিনিওটা মৌজাৰ বিপুল জনগণৰ সঁহাৰিৰ যোগেদি আজাদৰ গৰীয়া চাপৰিত সোমদিৰী নদীৰ পাৰত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হয়।


এই মহাবিদ্যালয় খনে ইতিমধ্যে ২৪ টা বছৰ গৰকি এই ২৫ বছৰৰ জয়ন্তী বৰ্ষত উপনীত হ'লহি। আমি যদি এই ক্ষণত মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱা কালছোৱাৰ লগত বৰ্তমান সময়ৰ পৰিৱেশ পৰিস্থিতিৰ লগত তুলনা কৰি চাওঁ, তেতিয়া আমাৰ দৃশ্যপটত দুখন ভিন্ন ছবি দেখিবলৈ পাম। আজিৰ তুলনাত ২৩/২৪ বছৰৰ আগৰ সময় বা কালছোৱাত সাম্য-মৈত্ৰী ভাবেৰে যি কোনো কৰ্ম কৰিবলৈ সহজসাধ্য আছিল বুলি ক'ব পাৰি। তাৰেই স্বাক্ষৰ বহন কৰে এই দুয়োটা অঞ্চলত গঢ়ি উঠা সামাজিক অনুষ্ঠান তথা শিক্ষামুলক প্ৰতিষ্ঠান সমূহে। কিন্তু বৰ্তমান যুগৰ পৰিবৰ্তনে সমাজত সাম্য-মৈত্ৰী ভাৱৰ বিলুপ্ত ঘটাইছে। মানুহৰ সৃষ্টিশীল প্ৰতিভাৰ অভাৱ ঘটিছে। মানুহৰ অন্তৰত নৈতিকতাৰ পতন ঘটি কলুষ কালিমাই ঠাই লৈছে। যি কোনো অনুষ্ঠান গঢ়ি উঠাৰ পৰিৱৰ্তে নিজ স্বাৰ্থ পূৰণৰ অৰ্থে অনুষ্ঠানসমুহক ধ্বংসৰ মুখলৈ ঠেলি দিয়া পৰিলক্ষিত হৈছে। কোনো সৎ ব্যক্তিয়ে যদি সমাজৰ কল্যাণাৰ্থে কোনো সৃষ্টিশীল কাৰ্য্য কৰিবলৈ আগবাঢ়িছে, তেওঁ স্বাৰ্থান্বেষী লোকৰ সমালোচনাৰ সন্মুখীন হৈ নিজেই আৱেগৰ বশৱৰ্তী হৈ আত্মশ্লাঘা কৰি প্ৰকৃত পথৰ পৰা বিচলিত হৈ পৰিব লগা হৈছে। তেনেধৰণে সাক্ষ্য দিয়াৰ বৰ্তমান নিষ্প্ৰয়োজন।

ৰাইজৰ সহাযোগিতা আৰু নেতৃত্ব লোৱা ব্যক্তি সকলৰ অক্লান্ত শ্ৰম আৰু সহনশীলতাৰ কাৰণে এই উচ্চ শিক্ষাৰ অক্লান্ত শ্ৰম আৰু সহনশীলতাৰ কাৰণে এই উচ্চ শিক্ষাৰ জ্ঞান মন্দিৰটোৱে আজি ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলেহি। এই মহাবিদ্যালয়খনে যি উদ্দেশ্য সৰোগত কৰি ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবলৈ আগবাঢ়িছে এই ক্ষণত সেইসকল কৰ্মকৰ্তালৈ শুভেচ্ছা যাচিছোঁ। এই মহাবিদ্যালয়খনৰ জন্ম লগ্নৰে পৰা মহাবিদ্যালয়খনৰ কল্যাণাৰ্থে বিভিন্ন দিশত অগ্ৰণী ভুমিকা লোৱা বহুজন শুভাকাংক্ষী আমাৰ মাজৰ পৰা চিৰ বিদায় লৈ পৰলোকলৈ গতি কৰিছে ; আজি এই ক্ষণত তেখেত সকলেও সৰগৰ পৰা যেন এই মহাবিদ্যালয়খনৰ সৰ্বতোমুখী বিকাশৰ বাবে আশীষ নিৰ্মালী প্ৰদান কৰে, তাৰেই কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। সেই সময়ৰ উৎসাহী, কৰ্ম তৎপৰ, কষ্টসহিষ্ণু অধ্যব্যসায়ী আৰু দুৰদৰ্শী সম্পন্ন, ধৈৰ্যশীল লোকসকলৰ বাবেই আজি মহাবিদ্যালয় খনিয়ে এই অৱস্থাত পদাৰ্পণ কৰিলে। □□

*জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।*

---

*☆☆ লেখক - আজাদ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত উপদেষ্টা আৰু মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক কালৰ পৰিচালনা সমিতিৰ সদস্য।☆☆*



# মহাবিদ্যালয়ৰ শুভ মুহূৰ্তৰ প্ৰতি এটি শ্ৰদ্ধা

শ্ৰীদেৱেন্দ্ৰনাথ ভূঞা

এল. টি. কে. কলেজৰ ৰূপালী জয়ন্তী স্মৃতি-গ্ৰন্থলৈ কিবা এটা শুভ কথা লিখাৰ পৰত মনত পৰিছ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক প্ৰয়াত ইন্দ্ৰেশ্বৰ শৰ্মা আৰু কুমুদ শৰ্মা দেৱলৈ আৰু সুঁৱৰিছো প্ৰতিষ্ঠাপক অধ্যক্ষত্ৰয় প্ৰয়াত প্ৰভাত বৰগোঁহাই, দেৱব্ৰত গগৈ আৰু কৰুণা শৰ্মাক। লগতে প্ৰতিষ্ঠা কালৰে পৰা যিসকল শিক্ষক আৰু কৰ্মচাৰীয়ে বিনা বেতনে বা তেনেই সামান্য বেতনতে সেৱা আগবঢ়াই কলেজখন বৰ্তমানৰ অৱস্থালৈ অনাত সহায় কৰিলে, সেই সকলৰ প্ৰতিও কৃতজ্ঞতা জনালো। স্থানীয় যিসকল ৰাইজে শ্ৰম, অৰ্থ আৰু সামগ্ৰীৰে গৃহ নিৰ্মাণ কাৰ্য্যত অৰিহণা যোগালে, সেইসকলৰ প্ৰতিও শ্ৰদ্ধা জনাইছোঁ।

প্ৰকাশ হ'ব লগা স্মৃতি গ্ৰন্থ খনিত তিনিওটা মৌজাৰ ঐতিহ্য আৰু বৈশিষ্টই ঠাই পাব বুলি আশা কৰিছোঁ। লগতে কলেজৰ ইতিহাস, প্ৰগতি আৰু অঞ্চলটোৰ শিক্ষা-সংস্কৃতিৰ বৰ্ণনাৰে লিখা উচ্চ মানৰ প্ৰবন্ধ সন্নিৱেশ হোৱাটো কামনা কৰিলো। নবীন-প্ৰবীন লিখকৰ ৰচনাৰে এখন সৰ্ব্বাঙ্গ সুন্দৰ স্মৃতি গ্ৰন্থ প্ৰকাশ হৈ ওলাওক। ইয়াকে কামানা কৰিলো। ❑❑

লেখক পৰিচালনা সমিতিৰ সদস্য

# "মহাবিদ্যালয়ৰ প্ৰথম সমবেত সংগীত : আজাদ অঞ্চলৰ সংগীত চৰ্চাৰ ঐতিহ্য"

শ্ৰীমতী ক্ষীৰদা কাকতি

১৯৭৭ চনত আজাদ মজলীয়া বিদ্যালয়ত তেতিয়াৰ স্থানীয় এম. এল. এ স্বৰ্গীয় গোবিন্দ চন্দ্ৰ বৰাদেৱৰ পৌৰোহিত্যত হোৱা এখন সভাত অক্লান্ত সমাজকৰ্মী স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা দেৱে এই অঞ্চলত উচ্চ শিক্ষা গ্ৰহণৰ সুবিধাৰ্থে এখনি মহাবিদ্যালয় খোলাৰ আশা কৰি তেখেতৰ মহান চিন্তাক ৰাইজৰ আগত দাঙি ধৰে। ৰাইজৰো সৰ্বসন্মতি আৰু বহুজনৰ বহুত্যাগৰ অন্তত লঃ তেঃ কঃ মহাবিদ্যালয়খনি গা কৰি উঠি শিক্ষাৰ ক্ষেত্ৰত বহু পিছপৰি থকা এই বৃহৎ অঞ্চললৈ পোহৰ কঢ়িয়াই আনে।

সেই প্ৰথমৰ পৰাই মহাবিদ্যালয়খনি চৰকাৰীকৰণ হোৱাৰ প্ৰথম এবছৰলৈকে আমি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যা হিচাপে আছিলো। এই আপাহতে আমি মহাবিদ্যালয়ৰ বাবে লগা স্থায়ী গীত এটি লিখি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিছিলো, কিন্তু যিকোনো কাৰণতে সময়ৰ তাগিদাত বৰ্তমান গীতটো হেৰাই গ'ল।

বৰ্তমান ৰূপালী জয়ন্তীৰ শুভমুহূৰ্তত অতীত সুঁৱৰি সেই অযোগ্য গীতটি আৰু তাৰ পটভূমি আমাৰ মনলৈ আহিছে। গছৰ অলাগতীয়াল পকাপাত সৰাদি সি হেৰাই গ'ল পুনৰ বিচৰাত পঢ়ুৱৈ সমাজখনলৈ সেয়ে আগবঢ়ালো-

**গীতৰ কথা :**

হাবি কাটি উলিয়ালো ন মাটি দৰা
মাটি ভাঙি উলিয়ালো চহ পথাৰ দৰা
ৰুবলৈ নানা ৰঙী ফুল
প্ৰভাতি আভআতে আভা মিলি উজ্বলাব
সুবাসেৰে আমোল মোল হ'ব না না ৰঙী ফুল
সেউতী, মালতী, তগৰ, কেতেকী
শেৱালী ৰজনী গন্ধা
মালী মালিনীৰ যতন পৰশে
চাৰিঢাপৰ নাহৰেৰে বন্ধা
কত আতুৰৰ শান্তিৰ আশ্ৰয়
জাতিষ্কাৰ ফুলনি দৰা
অমৃত স্বৰূপ মৌৰ ভাণ্ডাৰ
জগতকে সৰস কৰা।

**লগতে নৱাগত সকলৰ বাবে :**

আহাঁ হেৰা নতুন পুৰুষ
তোমাক জনাওঁ স্বাগতম
এই ফুলনিৰ সুবাসী ফুলহে
সৌৰভ বিলোৱা গোটেই জনম।

গীতৰ পটভূমি -

অজ্ঞান আন্ধাৰৰ হাবিদৰা ভাঙি জ্ঞানৰ পোহৰ পেলাবলৈ সঁচাকৈয়ে হাবি কাটি এই মাটি দৰা চহ কৰা হ'ল। নানা ৰঙৰ এই ফুলবোৰেই হ'ব মহাবিদ্যালয়ৰূপী ফুলনিখনৰ ছাত্ৰৰূপী ফুল। সেইতী, মালতী, তগৰ, কেতেকী ৰূপেৰে বিভিন্ন বিষয়ৰ শিক্ষাত কৃতিত্ব অৰ্জন কৰি তেওঁলোকৰ জ্ঞানৰ জ্যোতিৰে সুবাস বিলাব। মালী-মালিনী ৰূপী জ্ঞানী-গুণী অধ্যাপক-অধ্যাপিকাসকলে দিশ সামৰি দিয়া জ্ঞানেই হ'ব চাৰিদিশৰ বেৰা। জ্ঞান-বিজ্ঞানৰ শিক্ষা গ্ৰহণৰ লগতে নৈতিক-চৰিত্ৰৰে ছাত্ৰসকলে যেতিয়া চৰিত্ৰবান হৈ উঠে, সেই তেতিয়াই উঁই বা ঘূণে খাব নোৱৰা নাহৰ কাঠৰ বেৰাৰ মাজত অৰ্থাৎ সৎ চৰিত্ৰৰে তেওঁলোক আবৃত হৈ দেশ বা জাতিয়ে বিচৰা এজন সু-নাগৰিক হৈ পৰে। এই বৃহৎ আঞ্চলত সুবিধাৰ পৰা বঞ্চিত হৈ কিমান জনে উচ্চ শিক্ষাৰ মুখ নেদেখিলে। কিমান কল্পনা আৰু উজ্জ্বল ভৱিষ্যৎ হেৰাই গ'ল। সেয়ে এই মহাবিদ্যালয়ৰ জাতিষ্কাৰ ফুলনিৰূপেৰে শান্তিৰ আশ্ৰয় বোলা হৈছে। আন্ধাৰ অঞ্চললৈ যি পোহৰৰ ঢল বোৱাই দিব পাৰে, মেৰুদণ্ড পোনাই বহিব পাৰে, উচিত কথাত মাত-মতাৰ সাহস যোগাব পাৰে— সেয়ে এই জ্ঞান ভাণ্ডাৰক অমৃত স্বৰূপ মৌ ৰূপে সজোৱা হৈছে। এই পুৰণি ফুলনিদৰাৰ মাজলৈ নতুন নতুন ফুল ৰূপে নতুন ছাত্ৰ সকলক (নৱাগত) আমন্ত্ৰণ জনাই স্বাগতম জনোৱা হৈছে।

এই গীতটি লিখাৰ আমাৰ তৰফৰ পৰা এই কাৰণেই প্ৰয়াস কৰিব পৰা হ'লো যে— এই বৃহৎ অঞ্চলৰ কৃষ্টি-সংস্কৃতিৰ লগত আমি ওতঃপ্ৰোত ভাৱে জড়িত। যিকোনো পৰিস্থিতিত গীতৰ প্ৰয়োজন হ'লেই গীতৰ কথা আমি লিখোঁ আৰু বৰ্তমান শ্ৰীভৱানন্দ বৰুৱাই সুৰ দি সেই সভাবোৰত গীত পৰিৱেশন কৰি ৰাইজৰ প্ৰশংসা লাভ কৰে।

১৯৬০ চন পৰা দেখি অহা এই বৃহৎ অঞ্চল কৃষ্টিৰ

ক্ষেত্ৰত বিশেষকৈ গীত-নাচৰ ক্ষেত্ৰত বহু পিছ পৰা। আজাদ হাইস্কুলত(সেই সময়ৰ) স্কুল সপ্তাহ আদিত ১৯৬০ - ৬১ ৰপৰা তেতিয়াৰ ছাত্ৰী শ্ৰীঅম্বিকা হাজৰিকা, শ্ৰীবেদৱতী শৰ্মা আদিয়ে আমাৰ ওচৰতে গীত-মাত শিকি প্ৰতিযোগিতা সভাত প্ৰথম, দ্বিতীয় স্থান ৰাখিছিল।

২০০১ চনতহে আজাদৰ মহিলাৰদ্বাৰা এখনি সঙ্গীতালেখ্য ৰাইজে প্ৰথম দেখা পাইছে। এই অঞ্চলত ভাওনা ও গীত-মাত, খোল-তাল আৰু বিহুৰ গীত মাতৰ বাহিৰে কলা-কৃষ্টিত বিশেষ আগবঢ়া নাছিল; কিন্তু বৰ্তমান প্ৰতিজন অভিভাৱকেই সচেতন হোৱা দেখা গৈছে। বাঁহপাতি অঞ্চলত শ্ৰীউপেন শইকীয়া দেৱে সত্ৰৰ শিক্ষাৰে পূৰ্ঠ হৈ বহুজনক বৰ্তমান বৰগীত প্ৰেমী কৰি তুলিছে। বাঁহপাতি অঞ্চলত সঙ্গীত বিদ্যালয়ৰ এখনো খুলিছে। কিন্তু গঁড়েহগা অঞ্চলত সেইটোও হৈ উঠা নাই। আজিৰপৰা কিছু বছৰৰ আগতে কেইজনমান চিন্তাশীল ব্যক্তিয়ে সত্ৰীয়া কলা-কৃষ্টিৰ বাবে এখন বিদ্যালয় আৰম্ভ কৰিছিল। শেষত ৰাইজৰ সঁহাৰি নাপাই সিও নাইকিয়া হ'ল। বৰ্তমান বহুজনে ব্যক্তিগতভাৱে সজাগ হৈ ঘৰুৱা শিক্ষক ধৰি হাৰমনিয়াম তবলাৰ শিক্ষা গ্ৰহণ কৰি বিভাগীয় পৰীক্ষাত উত্তীৰ্ণ হৈছে। পাছ কৰি চাকৰি নোহোৱা ল'ৰা-ছোৱালীৰ দৰে তেওঁলোকেও এই ক্ষেত্ৰত আগবঢ়া বা আনক আগবঢ়োৱাৰ চিন্তা কৰা দেখা নাই। মাইবলীয়া গাঁৱত শ্ৰী অনুজ ভূঞাই নিজ গাঁৱৰ ল'ৰা-ছোৱালীসকলৰ বাবে সাধ্যানুসাৰে একক প্ৰচেষ্টা হাতত লৈছে। গঁড়েহগা অঞ্চলত বুঢ়াসকলৰ পৰা চেমনীয়া ল'ৰা কিছুৱে গায়ন-বায়নৰ প্ৰশিক্ষণ লোৱা দেখা গৈছে; কিন্তু এখন ভাওনা বা আঞ্চলিক ভিত্তিত ৰাস এখন পাতিবলৈ যাওঁতে কিছু দিশ চালি জাৰি, কিছুদিন হাতত লৈ দৰ্শকক সন্তোষ দিব পৰাকৈ পৰিপুষ্ট হোৱা নাই। হুৰমুৰ আৰু ব্যক্তিগত ভূমিকাক বাদ দি ঐকান্তিক প্ৰচেষ্টাৰে আগবাঢ়িলে সমূচিত ফল আশা কৰিব পাৰি।

এঠাকটীয়া (কৈৱৰ্ত) গাঁৱৰ যুৱক চামে আজি কিছু বছৰৰপৰা 'যাত্ৰা পাল্লা' পাতি সঙ্গীতালেখ্যৰদৰেই ৰাইজক আনন্দ দিছে। এই খন গাঁৱৰ এদল উদীয়মান যুৱকে এই বছৰত গধূলি পৱিত্ৰ নামঘৰত নেগেৰা লৈ স্বয়ংকীৰ্তন কৰি নিজৰ গাঁৱৰ উপৰিও ওচৰ চুবুৰীয়াকো মুখৰিত কৰি মানুহৰ মন শান্তি আৰু পৱিত্ৰতাত ডুবাই ৰখা দেখা গৈছে। এনেদৰে দিনৰ ভাগত আজৰি থকা ল'ৰাহঁতে কেৰমখেলি সময় পাৰ কৰাতকৈ দলীয়ভাৱে বাঁহ-বেতৰ কাম কৰিলে অন্যান্য লাভৰ লগতে আৰ্থিক ভাৱেই লাভৱান নহ'বনে?

যি কি নহওক, সোণাৰী, নাওশলীয়া, আদি গাঁওসমূহত কেইজনমান উদীয়মান যুৱকৰদ্বাৰা বৰ্তমান সময়ত মইনা মেলকে ধৰি শিশু আৰু যুৱক-যুৱতীৰ দ্বাৰা কলা-সাধানাৰ চেষ্টা কৰা দেখা গৈছে। বিশেষকৈ বিয়ানাম, দিহানাম আদিত মহিলা সকলৰ বৰ্তমান বিশেষ আগ্ৰহ দেখা গৈছে। সোণাৰী গাঁৱৰ যুৱক চামৰদ্বাৰা দুই-তিনি বছৰৰ আগতে 'জয়মতী' নাটকখনৰ দ্বাৰা দৰ্শক ৰাইজৰ যথেষ্ট প্ৰশংসা বুটলিছিল। যথেষ্ট দিন বিৰতি নিদি লাগি থাকিব পৰাহ'লে বহু অগ্ৰগতি লাভ কৰিব পাৰিলহেতেঁন বুলি আশাৰ থল আছিল।

নাট্যভিনয়ৰ পুৰণি ধাৰা সলনি কৰি, নতুন যুগৰ নাটক নিৰ্বাচন কৰি 'জনকম' নামৰ সমাজ সচেতক সংগঠনটোৰ আধাৰত আজাদৰ শ্ৰীবিদ্যা বৰাৰ লগতে কেইজনমান যুৱকে সমূহীয়া প্ৰচেষ্টাৰে সময়ে সময়ে ৰাইজৰ আগলৈ দুই এখন নাটক অভিনয়ৰ দ্বাৰা মঞ্চত ভূমুকি মৰাইছে।

বাঁহপাতি অঞ্চলত কেইজনমান উদীয়মান যুৱকৰ সহযোগত শ্ৰীত্ৰৈলোক্য সোণোৱালে চাৰি পাঁচটামান ৰসভৰা কেছেট উলিয়াই কলা কৃষ্টিৰ প্ৰতি থকা হেঁপাহৰ প্ৰমাণ দাঙি ধৰাৰ লগতে অৰ্থনৈতিক দিশলৈ চাই সাহসীকতাৰ পৰিচয়ো দিছে। তদুপৰি জিলা-ভিত্তিক নৃত্য-গীতেৰে পাৰ্গত ল'ৰা-ছোৱালীক 'গ্লেমাৰ ওৱৰ্ল্ড', নামৰ গুৱাহাটীৰ দুৰদৰ্শনৰ জৰিয়তে প্ৰদৰ্শন কৰাই ৰাইজক চমক খুউৱাই নহয়, অভিভাৱক তথা ল'ৰা-ছোৱালীক নতুনৰ সোৱাদ দিয়াত গীত-নৃত্যৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছে।

আজি দুই-তিনি বছৰৰ পৰা এঠাকটীয়াৰ শ্ৰীসংগীতা কাকতিয়ে ল'ৰা-ছোৱালীক গীত-নৃত্য শিকোৱাত বিশেষ মনোযোগ দিয়া দেখা গৈছে। তেওঁ শিকোৱা গীত-নৃত্যৰ বহুজন প্ৰশংসিত আৰু পুৰস্কৃত হোৱাৰ উপৰিও 'গ্লেমাৰ ওৱৰ্ল্ড'তো ঠাই পাইছেগৈ। নাওশলীয়া আৰু জৰিটুপ গাঁৱত যুৱকসকলৰ নেগেৰা নাম সাৰ পাই উঠছে। এইটো এটা শুভ লক্ষণ।

বিভিন্ন কাৰণবশতঃ মানুহখিনি কলা-কৃষ্টি, সংগীত আদিৰ প্ৰতি আগ্ৰহী দেখা গৈছে। তাৰবাবেই বিভিন্ন ৰূপত সমাজখনৰ প্ৰতিফলন ঘটিছে।

আমি আশা ৰাখিছোঁ, লক্ষীমপুৰ তেলাহী কমলা বৰীয়া মহাবিদ্যালয়ে সংগীত চৰ্চা আদিত নতুন উদ্যম লৈ আগবাঢ়ি আহিলে মহাবিদ্যালয়ৰ লগতে অঞ্চলটিত নাট্য চৰ্চাৰ এক নৱ জাগৰণৰ সৃষ্টি হ'ব।

প্ৰৱন্ধটোত ৰৈ যোৱা অনেক আসোঁৱাহৰ বাবে আমি সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। ❑❑

**জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।**

*লেখিকা অৱসৰ প্ৰাপ্ত ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত শিক্ষয়িত্ৰী। মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক সময়ৰ পৰিচালনা সমিতিৰ সদস্যা।*

# ৰোমন্থন ঃ মহাবিদ্যালয়ৰ জন্ম লগ্নৰ

ড° হেমন্তকুমাৰ বৰুৱা

১৯৭৭ চন। তাৰিখ মনত নাই। লক্ষীমপুৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ উপদেষ্টা, মুক্তি যুঁজাৰু স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা ছাৰে মোক নগৰৰপৰা ঘূৰি যাওঁতে বাটৰপৰা ঘৰলৈ মাতিলে। বৰুৱা! আহাঁচোন তোমাৰ লগত বিশেষ কথা এটা পাতোঁ। ময়ো সোমাই গ'লো। চাহ-তামোলৰ পৰ্ব শেষ হোৱাৰ পিছতে তেখেতে বহুদিনৰ পৰা মনতে পুহি ৰখা ভাবটো প্ৰকাশ কৰিলে। তেখেতে মোক ক'লে- 'বৰুৱা তুমি ডাঙৰ কাম কৰিলা। লক্ষীমপুৰত এখন বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলা। এতিয়া আৰু এটা ডাঙৰ কাম কৰিব লাগে। তাৰ বাবে তোমাৰ সহায় বিশেষভাৱে প্ৰয়োজন। মই তেখেতৰ মনৰ ভাব থাওকতে বুজি পোৱা নাছিলো। মই অলপ ইতঃস্তত হোৱা দেখি ক'লে— "কি ভাবিছা? মোৰ মনৰ ভাবটো তুমি বুজিবলৈ টান পাইছা? শুনা, আজাদত এখন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কৰিব লাগিব। ইয়াৰবাবে যাৱতীয় কাৰিকৰী পৰামৰ্শ দিবলৈ তুমিয়েই যোগ্য ব্যক্তি।" স্বৰ্গীয় শৰ্মা ছাৰে লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰথম প্ৰৰ্য্যায়ৰ পৰা সকলো কথাকে জানি আছিল। কিয়নো আমাৰ মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক কাম-কাজ (চিঠি পত্ৰ টাইপ কৰা, লিথু মেচিনত গোছাৰী প্ৰস্তুত কৰা আদি কামবোৰ স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাইৰ দ্বাৰা কৰিদিলো) বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰতে চলিছিল। স্বৰ্গীয় শৰ্মা ছাৰৰ মনৰ যি প্ৰৱল ধাউতী তাৰ সহাৰি জনাই এখন ৰাজহুৱা সভা পতাত বাবে আলোচনা কৰিলো। কথা মতেই কাম। বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰতে এদিন ৰাজহুৱা সভা অনুষ্ঠিত হ'ল। সভালৈ তিনিওটা মৌজাৰ যথেষ্ট সংখ্যক ৰাইজ আহিছিল। আজাদৰ বাবে সেই দিনটো ঐতিহাসিক দিন।

সভাত আমি বিশেষ ভূমিকা লৈছিলো। কাৰণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যিখন সংবিধান (Statute) মোৰ কাষলটিত লৈ ফুৰা বেগটোত সদায়ে আছিল। তন্ন তন্ন কৈ সকলো ব্যাখ্যা কৰাৰ পিছত ৰাইজে এখনি তদৰ্থ কমিটি গঠন কৰি বিশ্ববিদ্যালয়লৈ আবেদন প্ৰস্তুত কৰিবৰ বাবে সিদ্ধান্ত কৰে। এই ক্ষেত্ৰত স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাইৰ ভূমিকা অগ্ৰগণ্য।

সেইযে অসীমৰ যাত্ৰা আৰম্ভ হ'ল, আজি লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে ৰূপালী জয়ন্তী পালন কৰাৰ মূহূৰ্তত মনত বিমল আনন্দই উত্তাৰল কৰিছে। ব্যক্তিগতভাৱে কায়িক পৰিশ্ৰম নকৰিলেও নিজৰ ঠাইখনত বিশেষকৈ আজাদৰ দৰে এখনি অনুন্নত ঠাইত এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে যোগোৱা অৰিহণাই কেৰ্কেটুৱাৰ বাঁহপাতেই ভেঁটি স্বৰূপ হৈছিল বুলি অনুভৱ কৰোঁ।

আজাদ নগৰ নহয়; নগৰৰ কাষৰীয়া এডোখৰ ঐতিহাসিক শান্তিপূৰ্ণ অঞ্চল। এই আজাদ নামৰ ঠাইখনৰ ইতিহাস ইয়াত অপ্ৰাসংগ্ৰিক। হ'লেও গাঁড়েহগা আৰু বাঁহপাতি দুটা অঞ্চলক সোমদিৰী নদীয়েহে ভাগ কৰিছে, কিন্তু দুয়োটা অঞ্চলৰ মুখিয়াল লোকসকলৰ ঐকান্তিক প্ৰচেষ্টাত গঢ়ি উঠিছে এই আজাদ। আপাত দৃষ্টিত এখন শৈক্ষিক বাতাবৰণৰ অঞ্চল। ইয়াত আছে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়, গঁড়েহগা বাঁহপাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, জিলা শিক্ষণ আৰু প্ৰশিক্ষণ কেন্দ্ৰ, গাতেলগা লক্ষীমপুৰ জিলাৰ বুনিয়াদী প্ৰশিক্ষন কেন্দ্ৰ, লক্ষীমপুৰ পশুচিকিৎসা মহাবিদ্যালয়, আজাদ এম. ই. স্কুল, এখনি প্ৰাথমিক চিকিৎসালয় আৰু নিচেই ওচৰতে দক্ষিণত বাঁহপাতিত আছে এটি সামূহিক শ্ৰীমন্ত শঙ্কৰদেৱ বৰ নামঘৰ, এটি ৰংগমঞ্চ উত্তৰলৈ আছে ভোগমন পথাৰত আৰু এটি শ্ৰীমন্ত বৰ নামঘৰ। মুঠতে দুই কিলোমিটাৰ এলেকা জুৰি শান্তিপূৰ্ণ বাতাবৰণ নৈমিষাৰণ্য স্বৰূপ অঞ্চল। গতিকে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ যি শৈক্ষিক পৰিৱেশ সেইটো অসমৰ অন্য ঠাইৰ তুলনাত বিৰল। মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো। ❑❑

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।

*☆ লেখক লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ, পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য। ☆*

# আজাদৰ ঐতিহ্যৰ আঁত ধৰি

শ্ৰীৰমেশ চন্দ্ৰ চুতীয়া

লক্ষীমপুৰ জিলাখনৰ ভিতৰতে 'আজাদ' এখন শিক্ষা-সংস্কৃতিৰ দিশত অগ্ৰণী ঠাই। ল'ৰালিত যেতিয়া প্ৰাথমিক বিদ্যালয়ত ভূগোল আৰু সাধাৰণ জ্ঞানৰ কিতাপ পঢ়া হয়; তেতিয়াই কোমলমতীয়া শিশুৰ মনত আজাদ কি , ক'ত কিয় বিখ্যাত, সেই সম্পৰ্কে স্পষ্ট ধাৰণা ঘনীভূত হয়।

উত্তৰ লক্ষীমপুৰ নগৰৰ সমীপৱৰ্তী, প্ৰাক স্বাধীনতাৰ যুগত শৈক্ষিক কেন্দ্ৰ ৰূপে বিখ্যাত হৈ পৰা আজাদ দুই বৃহৎ মৌজা লক্ষীমপুৰ আৰু তেলাহীৰ এক সংগমস্থল। বৰ্তমানৰ আজাদৰ যি ঠাইত শিক্ষানুষ্ঠানসমূহ কেন্দ্ৰীভূত হৈ আছে, সেই ঠাইটুকুৰা আগতে নৈৰ গুৰি বুলি জনাজাত হৈছিল। উত্তৰ লক্ষীমপুৰ নগৰৰ পশ্চিম অংশইদি বৈ যোৱা সোমদিৰী নদীখনে আজাদ অঞ্চলৰ মাজেদি বৈ গৈ সোৱণশিৰীৰ উপনদী ঘাগৰত পৰিছেগৈ। বৰ্তমানৰ সোমদিৰী নদীৰ পকীদলঙৰ পূৰফালে এজোপা বৰ ডাঙৰ শুৱালু গছ আছিল, সেই গছৰ তলত তাহানি কালতে এটা ডাঙৰ নাৱৰ ঘাট আছিল। সেই ঘাটেদি মানুহে ইপাৰ-সিপাৰ হৈ বেপাৰ-বাণিজ্য কৰিছিল। কাজেই ঠাই ডোখৰ শুৱালুগুৰি নামেৰে জনা যায়। ১৯৫০ চনৰ ভূমিকম্পৰ সময়লৈকে "শুৱালগুৰি ঘাট" ৰ গুৰুত্ব আছিল অধিক।

এই 'নৈৰ গুৰি" ঠাইটুকুৰা অনেক সন্ত-মহন্ত, গুণী-জ্ঞানীৰ পদধূলাৰে পৱিত্ৰ হৈ আছে। ১৯৩৬-৩৮ চনত গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীদেৱে এই ঠাইত বাহৰ পাতি লক্ষীমপুৰ আৰু তেলাহী অঞ্চলৰ ধৰ্মপ্ৰাণ ৰাইজৰ মন-প্ৰান ধৰ্মীয়ভাৱে জাগ্ৰত কৰাইছিল। স্বাধীনোত্তৰ কালত তদানীন্তন গড়কাপ্তানী মন্ত্ৰী সিদ্ধিনাথ শৰ্মা, ৰাজহ মন্ত্ৰী মতিৰাম বৰা, উপমন্ত্ৰী সুৰেণ বুঢ়াগোঁহাই আদিৰ নিচিনা বিশিষ্ট ৰাজনৈতিক নেতায়ো এই অঞ্চলত ভ্ৰমণ কৰি গৈছিলহি। এই "নৈৰ গুৰি" বা শুৱালুগুৰি" ঠাইখনক বহুতে মতিচুক বুলিও কৈছিল। মতিৰাম চুতীয়া নামৰ নৈৰগুৰিৰ এজন প্ৰভাৱশালী লোকৰ নামেৰে মতিচুক জনাজাত হৈছিল।

বিদ্যানুৰাগী হ'লেও নৈৰ গুৰিৰ লোকৰ শিক্ষা দীক্ষাৰ বাবে সেইসময়ত ওচৰত কোনো শিক্ষানুষ্ঠান নাছিল। গঁড়েহগাত ১৮৮০ চনত স্থাপিত হোৱা প্ৰাথমিক বিদ্যালয়লৈ অহা-যোৱা কৰাটো আছিল অতি কষ্টসাধ্য। বাটপথ নাছিল। ইকৰা, খাগৰি, নল তৰানী আদিৰে গোটেই অঞ্চল ভৰা আছিল। বাঘ, ভালুক আদি হিংস্ৰ জন্তুৰ উপদ্ৰৱো কম নাছিল। তথাপি পৰৱৰ্তী কালত নপমুৱা প্ৰাথমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিছিল। উচ্চশিক্ষাৰ কোনো সুবিধা নাছিল। সেয়েহে সোণাৰী গাঁৱৰ জীৱন দত্ত, গোঁহাই টেকেলা গাঁৱৰ দুৰ্গেশ্বৰ বুঢ়াগোঁহাই, ৰাজখোৱাৰ কটিয়া মেধি, বৰচৰীয়াৰ বগাৰাম বৰগোঁহাই, যোৰহটীয়াৰ ৰূপন শইকীয়া, জৰিটুপৰ লিকেশ্বৰ হাজৰিকা নৈৰ গুৰিৰ গণেশ চুতীয়া মানিক চুতীয়া, গঁড়েহগাৰ ৰত্ন ভূঞা, যোগেন ভূঞা আদিকে ধৰি ভালেমান শিক্ষানুৰাগী লোকৰ অশেষ ত্যাগ, কষ্ট আৰু অহোপুৰুষাৰ্থৰ ফলশ্ৰুতিত ১৯৪৬ চনত এই ঠাইত এখন মজলীয়া বিদ্যালয় স্থাপিত হয়। সেই সময়ৰ জিলাখনৰ স্বনামধন্য ব্যক্তি সৰ্বেশ্বৰ বৰুৱা, শিক্ষাবিদ তোলন ফুকনৰ এইক্ষেত্ৰত বৰঙণি আছিল অপৰিসীম। সোণাৰী গাঁৱৰ স্থিতপ্ৰজ্ঞ, প্ৰচুৰ মেধা শক্তিসম্পন্ন ব্যক্তি তীৰ্থ নাথ দত্ত আছিল বিদ্যালয়খনৰ আৰম্ভণিকালৰ প্ৰধান শিক্ষক। উল্লেখযোগ্য যে তেলাহী আৰু লক্ষীমপুৰ মৌজাৰ ৰাইজৰ সেইসময়ত বিদ্যালয়খনৰ নামকৰণলৈ এক বিতৰ্ক হৈছিল। অৱশ্যে সৰ্বেশ্বৰ বৰুৱা মধ্যস্থতাত তদানীন্তন ভাৰতৰ শিক্ষা মন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ নামেৰে অৱশেষত বিদ্যালয়খনৰ নাম "আজাদ মজলীয়া বিদ্যালয়" ৰখা হয়। এইখিনিতে উনুকিয়াব পাৰি যে সেই সময়ত এই ঠাইডোখৰ 'নৈৰ গুৰি" বুলিহে পৰিচিত হৈছিল আৰু বিদ্যালয় খনৰ নামৰপৰাই পৰৱৰ্তীকালত ঠাইডোখৰ "আজাদ" নামেৰে জনাজাত হয়। 'আজাদ' নামটোৰে

ইছলামধৰ্মী প্ৰসঙ্গৰ ইংগিত দিলেও কিন্তু সেইসময়ত ঠাইডোখৰত মুছলমান মানুহৰ বসতি নাছিল। অৱশ্যে বৰ্তমানৰ এল. টি.কে কলেজৰ নিকটৱৰ্তী চাপৰিত একালত মুছলমান মানুহ বাস কৰিছিল বুলি বহুতে ক'ব বিচাৰে; সেয়েহে এইঠাইডোখৰ এটা সময়ত 'গৰীয়াবাৰী' বুলিও জনা গৈছিল। অৱশ্যে এক সূত্ৰমতে, আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ ভাগিনীয়েক জেংপৰা বৰগোঁহায়ে ল'ৰা ৰজা চুলিক্‌ফাৰ উৎপীড়নৰ পৰা হাত সাৰিবৰ বাবে সোণাৰী গাঁৱত আত্মগোপন কৰি আছিলহি আৰু তেওঁৰ বংশধৰ বুলি উত্তৰ লক্ষীমপুৰ নগৰৰ মুছলমান পৰিয়াল কেইটালৈ আঙুলিয়াই দিয়া তথ্যৰ সূত্ৰ ধৰি এই কথা কোৱাৰ স্থল থাকে যে সোণাৰী গাঁৱৰ সমীপৱৰ্তী এই ঠাইত বহু বছৰৰ আগতে মুছলমান লোকৰ বসতি আছিল।

যি কি নহওক; বৰ্তমান 'আজাদ' পূৰ্বৰ নৈৰ গুৰি বা শুৱালুগুৰি হৈ থকা নাই। আজাদ এতিয়া সু-বৃহৎ অঞ্চল, যাৰ সীমা দিনক দিনে বাঢ়ি গৈ আছে। যি ঠাইত আজাদৰ স্থিতি হৈছিল, সেই ঠাইৰ তেনেই নিকটৱৰ্তী জৰিটুপ, মদাৰগুৰি গাঁৱৰ বাসিন্দাসকল যোৰহাট, বাঁহপাতি, ঢকুৱাখনীয়া গাঁৱৰ পৰা অহা। শুৱালগুৰি গাঁৱৰ পূৰ্বৰ বাসিন্দাসকল তেনেই নিগাজী।

আজাদ মজলীয়া বিদ্যালয়ৰ স্থাপিত হোৱাৰ সমসাময়িক কালত আজাদ বাণিজ্য সমবায় সমিতি গঠিত হৈছিল আৰু মুক্তি যুঁজাৰু জীৱন দত্ত আছিল এই সমিতিৰ প্ৰথম সম্পাদক। জিলাখনৰ ঢলপুৰত প্ৰথম পৰ্য্যায়ত গ্ৰাম্য পঞ্চালত ১৯৪৮ চনতেই হৈছিল যদিও ১৯৫১চনতহে আজাদত গ্ৰাম্য পঞ্চায়ত (Azad Rural Panchyat) গঠন হয়। লক্ষীমপুৰ মৌজাৰ দক্ষিণ অংশ, তেলাহী মৌজাৰ উত্তৰ-পূব অংশ আৰু কমলাবৰীয়া মৌজাৰ পূব অংশ এই পঞ্চায়তৰ অন্তৰ্ভুক্ত আছিল। এই পঞ্চায়তৰ সভাপতি আছিল বৰ্তমান পানীগাঁও নিবাসী মুক্তিযোদ্ধা বংশীধৰ ভূঞা আজাদ অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে এই পঞ্চায়তে অহোপুৰুষাৰ্থ কৰিছিল। ১৯৫২ চনত বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ , ১৯৫৩ চনত ডাকঘৰ, ১৯৫৪ চনত ৰাজ্যিক চিকিৎসালয় কেন্দ্ৰ, ১৯৬১ চনত গঁড়েহগা-বাঁহপতি হাইস্কুল, ১৯৭৭চনত লখিমী ছোৱালী হাইস্কুল, ১৯৭৮ চনত গো হেন্দোলনি ৰোগ নিৰ্মূল আঁচনিৰ কাৰ্য্যালয়, ১৯৮৭ চনত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, ১৯৯৪ চনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান আদি অনুষ্ঠান আজাদত স্থাপিত হয়, যাৰ ফলস্বৰূপে এই ঠাই শিক্ষা, সংস্কৃতি, আদিৰ এক প্ৰধান কেন্দ্ৰত পৰিণত হৈছে।

আজাদত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱা অনুষ্ঠানটি হৈছে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া (এল. টি.কে.) মহাবিদ্যালয়, যিটো উচ্চ শিক্ষাৰ অনুষ্ঠান অনেক শিক্ষানুৰাগী লোকৰ অক্লান্ত পৰিশ্ৰমৰ ফলত ১৯৭৭স্থাপিত হয়। লক্ষীমপুৰ, তেলাহী, কমলাবৰীয়া এই তিনি মৌজাৰ ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ সুবিধা দিয়া এই মহাবিদ্যালয়ে একুৰি পাঁচটা বছৰ অতিক্ৰমে এতিয়া ৰূপালী জয়ন্তী বৰ্ষত উপনীত হৈছেহি। এই মহাবিদ্যালয়খন স্থাপনৰ গুৰিত থকা বিশিষ্ট শিক্ষাবিদ স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা, স্বৰ্গীয় কুমুদ শৰ্মা, শ্ৰী ভোলা মহন্ত, স্বৰ্গীয় প্ৰভাত বৰগোঁহাই, শ্ৰীনাৰায়ণ বৰগোঁহাই, শ্ৰীমানিক চুতীয়া, শ্ৰীলিকেশ্বৰ হাজৰিকা আদিকে ধৰি ভালেমান বিদ্যানুৰাগীলোকৰ বৰঙণি অশেষ। গড়মূড়ীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰী কৃষ্ণকান্ত দেৱগোস্বামীয়ে ১৯৭৯ চনত বৰ্তমানৰ ঠাইত মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণৰ আধাৰ শিলা স্থাপনৰ মূহূৰ্ত সঁচাই প্ৰতিজন আজাদবাসীৰ চিৰস্মৰণীয়।

ৰূপালী জয়ন্তী বৰ্ষৰ এই মূহূৰ্তত প্ৰতিজন বৌদ্ধিক সাধনতে ব্ৰতী লোকৰ এনে অনুভৱ হ'ব পাৰে যে, মহাবিদ্যালয়খনে আজাদৰ ঐতিহ্যৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ সক্ষম হৈছে। এক সুস্থ শৈক্ষিক পৰম্পৰাৰ সৃষ্টিৰ বাবে বৰ্তমানৰ মহাবিদ্যালয় খনৰ উচ্চাকাংখী শিক্ষাব্ৰতী লোকসকলে ইতিবাচক ধ্যান-ধাৰণাৰে আগবঢ়া অনুভুত হয়। কলা , সংস্কৃতি সাধনাৰ ক্ষেত্ৰ ৰূপে গঢ় দিয়াৰ এক ঐকান্তিক প্ৰচেষ্টাৰ লগতে গৱেষণাৰ এক পৰম্পৰা মহাবিদ্যালয়খনে গঢ় দিবলৈ যত্ন কৰিছে।

ৰূপালী জয়ন্তী বৰ্ষৰ শুভক্ষণত মহাবিদ্যালয়খনৰ এনে অগ্ৰগতি নিশ্চয় প্ৰতিজন বিদ্যানুৰাগীলোকৰ একান্ত কাম্য। ◻◻

---

*☆☆লেখক লক্ষীমপুৰ জিলা শিক্ষা সংমণ্ডলৰ সহকাৰী স্কুল পৰিদৰ্শক আৰু এই অঞ্চলৰ বিশিষ্ট ব্যক্তি ☆☆*

*আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ( Ph. D. আৰু M.Phil. পোৱা শিক্ষক-শিক্ষয়িত্ৰীসকল )*




ড° লাৱণ্য বুঢ়াগোঁহাই



ড° এলিচ বেগ



ড° হামিদুৰ ৰহমান




ড° বিজু বৰকটকী



শ্ৰীমতী অঞ্জলিকা ৰাজখোৱা
এম. ফিল.



শ্ৰীমতী বীণা শইকীয়া
এম.ফিল.



লীলা বৰা, এম. ফিল.



শ্ৰী নাৰায়ণ গগৈ
এম. ফিল.



শ্ৰী পদ্মাৱতী গোঁহাই
এম. ফিল.

মহাবিদ্যালয়ৰ মজিয়াৰ পৰা...



# স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোহাঁই ছাৰৰ সোঁৱৰণত

শ্ৰীমতী অঞ্জলিকা ৰাজখোৱা

বহুকেইজন ব্যক্তিৰ অশেষ কষ্ট আৰু চেষ্টাৰ ফলত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে আজি সুদীৰ্ঘ পঁচিশটা বছৰ অতিক্ৰম কৰিলেহি। সেই মহান ব্যক্তিসকলৰ ভিতৰৰে এজন হৈছে প্ৰভাত চন্দ্ৰ বৰগোঁহাই ছাৰ। এই মহাবিদ্যালয়ৰ প্ৰথম প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰা ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তাজনেই আছিল সকলোৰে পৰিচিত 'গোঁহাই ছাৰ'।

১৯৭৭ চনৰ ২২ আগষ্টত প্ৰথম গঁড়েহগা-বাঁহপাতি উচ্চ ইংৰাজী বিদ্যালয়ত কলেজৰ শ্ৰেণী আৰম্ভ কৰাৰ সেই দিনটোৰ স্মৃতি আজিও মোৰ মানস পটত জিলিকি আছে। গোঁহাই ছাৰেই আমাক সকলোকে প্ৰথম চিনাকি কৰি দিছিল ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত গণ্য-মান্য ব্যক্তিসকলৰ লগত। প্ৰথম চিনাকিৰে পৰা মানুহজনৰ প্ৰতি এটা বেলেগ ধাৰণাই গঢ় লৈছিল। কাৰণ তেখেত যেন আন বাকী সকলৰ পৰা অলপ পৃথক। তেখেতৰ ৰসাল কথনভঙ্গী আৰু ব্যৱহাৰে মোক প্ৰথম কলেজলৈ অহাৰ যি সঙ্কোচ ভাৱ সি সমূলি নাইকিয়া কৰি পেলাইছিল। গোঁহাই ছাৰে প্ৰত্যেক দিনাই আমি দূৰৰপৰা অহা কেইজনৰ বা-বাতৰি ল'বলৈ নাপাহৰে কিজানি কিবা অসুবিধাই পাইছোঁ। কাৰণ সেই সময়ত নগৰৰ পৰা আজাদলৈ যাতায়াতৰ তেনে একো ভাল সুবিধা নাছিল। প্ৰথম চিনাকিতে ভাল লগা সেই গোঁহাই ছাৰক মই বিবাহ সূত্ৰে এই অঞ্চললৈ আহি প্ৰতিবেশী হিচাপে পাইছিলো, কাৰণ তেখেত তেতিয়া আজাদ বুনিয়াদী প্ৰশিক্ষন কেন্দ্ৰৰ চৌহদৰ বাসিন্দা। সেই সময়ত গোঁহাই ছাৰে এজন প্ৰকৃত অভিভাৱকৰ দায়িত্বৰে আমাক সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শৰে যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল।

গোঁহাই ছাৰ এই অঞ্চলৰ এজন ব্যক্তি নহয়, এটি জীৱন্ত অনুষ্ঠান। কাৰণ তেখেত অঞ্চলটোৰ প্ৰতিটো সামাজিক অনুষ্ঠান, শিক্ষানুষ্ঠানৰ লগত এনেদৰে জড়িত আছিল যে তেখেতৰ অবিহনে সেই অনুষ্ঠানটোৰ কথা ভাবিবই নোৱাৰি।

যি সময়ত লক্ষীমপুৰৰ বাঁহপাতিৰ দৰে এটি অঞ্চলত গোঁহাই ছাৰৰ জন্ম হৈছিল, সেই সময়ত এই অঞ্চল শিক্ষাৰ ক্ষেত্ৰত একেবাৰে পিছপৰা আছিল। এই পিছপৰা অঞ্চলৰ পৰা তেখেতে দুৰ্গম ১২ কিঃ মিঃ পথ খোজ কাঢ়ি গৈ স্কুল আৰু কলেজত শিক্ষা গ্ৰহণ কৰিছিল। ইয়েই তেখেতৰ শিক্ষাৰ প্ৰতি থকা অপৰিসীম ধাউতিকে সূচায়। শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত নিজে ভোগ কৰা অশেষ কষ্টৰ কাৰণেই বোধকৰোঁ এই পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি গোঁহাই ছাৰে "গঁড়েহগা বাঁহপাতি উচ্চ ইংৰাজী বিদ্যালয়", "লখিমী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়" আৰু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ নিচিনা শিক্ষানুষ্ঠান সমূহ গঢ়াত অগ্ৰণী ভূমিকা লৈ অশেষ অৰিহণা যোগাইছিল। ছাৰে জীৱিত কালত মহা বিদ্যালয়ৰ এই পূৰ্ণ পৰ্য্যায় ৰূপ দেখা নাপালেও তেখেতৰ কায়িক, মানসিক, আৰ্থিক অৰিহণাৰে পুষ্ট লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে তেখেতক সদায়ে সকলো ক্ষেত্ৰতে স্মৰণ কৰিব।

সমাজ সেৱক, অক্লান্ত পৰিশ্ৰমী, সংস্কৃতি প্ৰেমী আদি বিৰল বহু প্ৰতিভাৰ চিৰ নমস্য ব্যক্তি প্ৰয়াত প্ৰভাত চন্দ্ৰ বৰগোঁহাই ছাৰক আজি এই শুভক্ষণত স্মৰণ কৰাৰ লগতে তেখেতলৈ যাচিছোঁ মোৰ অশেষ শ্ৰদ্ধাঞ্জলি। তেখেতৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক এই কামনাৰে। ❑❑

☆☆ লেখিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী প্ৰবক্তা। ☆☆



# ঁকৰুণা শৰ্মা ঃ কৰ্ম-সাধনাৰ প্ৰতীক

শ্ৰীমতী পদ্মাৱতী গোঁহাই

চন ১৯৮২। আগষ্ট মাহৰ এটা ৰাতিপুৱা। মই তেতিয়া বৰমূৰীয়া গাওঁ নিবাসী ট্ৰেজাৰী একাউন্টেন্ট শ্ৰীযুত উপেন চেতীয়া দেৱৰ ভাড়াতীয়া। নামতহে ভাড়াতীয়া। আমি দুয়োটা পৰিয়াল একোটা পৰিয়ালৰ দৰে আছিলো। সদা প্ৰফুল্লিত, তজবজীয়া আৰু কথাত ৰসেৰে পূৰ্ণ ভিনদেউৰ (চেতিয়াদেৱক মই ভিনদেউ বুলিছিলো) কাহিলী পুৱাতে ভ্ৰমন কৰাৰ অভ্যাস আছিল।

সিদিনা আছিল আগষ্ট মাহৰ দুই তাৰিখ। পুৱাৰ চাহৰ টেবুলত বহিছোঁহে। তেনেতে দেখোঁ ভিনদেউ জপনাখন খুলি বৰ খৰখেদাকৈ ভিতৰলৈ সোমাই আহিছে। মুখত এটা আত্মসন্তুষ্টিৰ হাঁহি। আমি বৰ আগ্ৰহেৰে তেখেতৰ মুখলৈ চালো। চকীখন টান মাৰি বহি লৈ আৰম্ভ কৰিলে "মই তোমালোকৰ নতুন প্ৰিন্সিপালৰ লগত চিনাকি হৈ আহিলো। তিনিআলিতে আমাৰ কলেজৰ প্ৰতিষ্ঠাপক সদস্য শ্ৰীযুত দেৱেন ভূঞা, গৱনিং বডীৰ আন এজন সদস্য শ্ৰীযুত চিদা দত্ত আৰু কেইজন ব্যক্তিৰ লগত কথা বৰ্তা পাতি থাকোঁতে তেখেতেও গৈ চিনাকি হৈ আহিল।" দিনটোৰ আৰম্ভনিতে এটা সুখবৰ পাই মনটো বেছ ভাল লাগিছিল।

পুৱাৰ কামখিনি যিমান পাৰোঁ খৰখেদাকৈ শেষ কৰি কলেজলৈ বুলি ওলালো। মই থকা ঠাইৰ পৰা কলেজলৈ প্ৰায় চাৰিকিলোমিটাৰ মান হ'ব। সেই সময়ত ৰিক্সাৰ বাহিৰে বেলেগ যান বাহনৰো সুবিধা নাছিল। আমাৰ কলেজখন তেতিয়া ভেন্সাৰ পৰ্য্যায়ত আছিল। মেজৰ খোলা নাছিল বাবে ক্লাছবিলাক চাৰে ন মান বজাৰ পৰা আৰম্ভ হৈছিল। গতিকে ন মান বজাত ওলালে যথাসময়ত কলেজ পাইছিলোগৈ।

ৰিক্সাৰ পৰা নামিয়েই, ৰিক্সা ভাড়াখিনি দিয়াৰ আগতে কলেজখনলৈ চকু ফুৰালো। দেখিলো অধ্যক্ষৰ ৰুমৰ আগত এখন চিকচিকাই থকা ৰেলি চাইকেল। অধ্যক্ষৰ ৰুম মানে এটা ১২ ফুট বহল আৰু ১৬ ফুটমান দৈঘ্যৰ বাঁহৰ বেৰা দিয়া এটা একোঠালীয়া ঘৰ। ওপৰৰ চালিখন টিনপাতৰ। মজিয়াখনো কেঁচা। কোঠাটোৰ ঠিক সোঁমাজতে অধ্যক্ষৰ বাবে এযোৰ চকী টেবুল। আমি শিক্ষকসকল বহিবৰ বাবে এখন বহল বেঞ্চ আৰু বেগ আদি থবৰ বাবে এডাল ৰেক আছিল। অফিচৰ কাগজ-পত্ৰ থ'বলৈ এটা অতি পুৰণিকলীয়া আলমাৰী আছিল। মোৰ স্মৃতিয়ে ঢুকি পোৱালৈকে কোঠাটোৰ আচবাব-পত্ৰ সিমানেই আছিল। বৰ্তমান যিডোখৰ ঠাইত লাইব্ৰেৰীটো দেখা গৈছে সেই ঠাইত বাঁহৰ বেৰা আৰু খেৰৰ চালি দিয়া এটা চাৰিকোঠলীয়া দীঘল ঘৰ আছিল। সেই ঘৰটো শ্ৰেণী কোঠাৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল।

অধ্যক্ষ ছাৰৰ দুৱাৰ মুখত খন্তেক ৰৈ ভিতৰলৈ চাই পঠিয়ালো। বহল ফ্ৰেমৰ চশ্‌মাৰে প্ৰথম দৃষ্টিতেই আকৰ্ষণ কৰিব পৰা এজন সুদৰ্শন ব্যক্তি। অৱশ্যে মুখমণ্ডলত এক কৰ্তৃত্বশীলতাৰ ছাপ। তেখেতৰ পৰা অনুমতি লৈ লাহেকৈ ভিতৰলৈ সোমালো আৰু নমস্কাৰ জনাই মোৰ পৰিচয় দিলো। মোৰ পৰিচয় পাই তেখেত বৰ উৎফুল্লিত হৈছিল আৰু লগে লগেই কৈ উঠিল - "বাঃ জাঁজীৰ বোৱাৰী", "মই জাঁজী কলেজৰ পৰাই আহিছোঁ। মোৰ নাম কৰুণা শৰ্মা। মই তাত ইংৰাজী পঢ়াইছিলো। মোৰ মিছেছেও জাঁজী ছোৱালী হাই স্কুলত কৰে। তেওঁ অংক পঢ়ায়। আমাৰ ঘৰ যোৰহাটত। মোৰ ডাঙৰজনী ছোৱালী আৰু সৰুটো ল'ৰা। সিহঁতকো ইয়ালৈ আনিব লাগিব।" মই তিনিআলিত থকা কথা শুনি তেখেতে আৰু আনন্দিত হৈছিল কাৰনে তেখেতে তিনিআলিৰ শ্ৰী চিদা দত্তৰ ঘৰতে ভড়া লোৱাৰ কথা চিন্তা কৰিছিল। প্ৰথম পৰিচয়তে আমাৰ আমাৰ মাজত এটা ঘৰুৱা ভাবৰ সৃষ্টি হৈছিল। ইতিমধ্যে কলেজৰ অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰে অধ্যক্ষৰ কোঠাটো ভৰি পৰিছিল। ময়ো ক্লাছলৈ বুলি ওলাই গৈছিলো।

আমাৰ কলেজখন ১৯৭৭ চনৰ আগষ্ট মাহৰ ২২ তাৰিখে প্ৰতিষ্ঠা কৰা হৈছিল যদিও ডেফিছিট হোৱালৈকে এটা দীঘলীয়া সময় অতিবাহিত কৰিবলগীয়া হৈছিল। ১৯৮২ চনৰ জুলাই মাহৰ ১৩ তাৰিখে কৰুণা শৰ্মা ছাৰক

অধ্যক্ষ পদত নিযুক্তি দিয়া হৈছিল। তেখেতে অধ্যক্ষ পদ গ্ৰহণ কৰাৰ আগলৈকে আমাৰ মাহিলী বেতন আছিল পঞ্চাশ টকা। তেখেতৰ দিনতে আমাৰ বেতন দেড়শ টকালৈ বঢ়াই দিয়া হৈছিল। ঘাটী মঞ্জুৰী হোৱালৈকে আমি সেই বেতনেৰে কলেজৰ সেৱা আগবঢ়াইছিলো।

আমাৰ কলেজৰ অধ্যক্ষ হিচাপে অধ্যক্ষ প্ৰয়াত কৰুণা শৰ্মা ছাৰৰ কাৰ্য্যকাল তেনেই চমু আছিল; কিন্তু সেই সীমিত কাৰ্যকালৰ ভিতৰতে কলেজখন পূৰ্ণাংগা পৰ্যায়ত প্ৰতিষ্ঠা কৰি থৈ গ'ল। তেখেতৰ ঐকান্তিক প্ৰচেষ্টাত ১৯৮৩ চনত প্ৰাক্ স্নাতক আৰু ১৯৮৪ চনত স্নাতক পৰীক্ষা কেন্দ্ৰৰ বাবে বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লাভ কৰে। ইতিমধ্যে ১৯৮৪ চনত একাদশ আৰু দ্বাদশ শ্ৰেণী সমূহৰ পৰীক্ষা পৰিচালনাৰ উদ্দেশ্যে উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ গঠন কৰা হৈছিল। এই পৰিষদৰ এঘাৰজনীয়া সদস্যৰ ভিতৰত আমাৰ অধ্যক্ষ শৰ্মাছাৰো এজন সদস্য হিচাপে মনোনীত হৈছিল। শৰ্মাছাৰৰ সেই সদস্য পদে তেখেতৰ লগতে আমাৰ কলেজখনলৈও গৌৰৱ কঢ়িয়াই আনিছিল। পৰিষদৰ সদস্য হৈ থাঁকোতে শৰ্মাচাৰ খেৰাজ খাট, শঙ্কৰদেৱ আৰু মূৰ্কক চেলেক কলেজৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীসমূহ পৰিদৰ্শনৰ কাৰণে গৈছিল। ১৯৮৩ চনত বুৰঞ্জী আৰু অৰ্থনীতি বিভাগত মেজৰ খুলিবৰ বাবে অনুমতি লাভ কৰা হৈছিল। ১৯৮৫ চনত শ্ৰী ৰমেশ কাকতিয়ে (বৰ্তমান আমাৰ কলেজতে অধ্যাপনা কৰি আছে) অৰ্থনীতিত মেজৰসহ সুখ্যাতিৰে উত্তীৰ্ণ হয়। বুৰঞ্জী বিভাগত শ্ৰী যুগল নাথে আৰু দুৰ্গেশ্বৰ বৰুৱা (বৰ্তমান মাজুলিত বিষয় শিক্ষক হিচাপে চাকৰি কৰি আছে) মেজৰ সহ উত্তীৰ্ণ হয়।

ইতিমধ্যে কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশাতীতভাৱে বৃদ্ধি পাইছিল। গতিকে শ্ৰেণী কোঠাৰ অভাৱ পূৰাবৰ কাৰণে এটা স্থায়ী ঘৰ নিৰ্মাণ কৰা অতি প্ৰয়োজন হৈ পৰিছিল। বৰ্তমান স্টেজৰ সৈতে যিটো মূল ঘৰ সেইঘৰটোৰ নিৰ্মাণ কাৰ্য অধ্যক্ষ শৰ্মাছাৰৰ দিনতে আৰম্ভ কৰা হৈছিল। কলেজখনত এটা সুন্দৰ শৈক্ষিক পৰিৱেশৰ সৃষ্টি হৈছিল।

মই আগতেই এটা কথা উল্লেখ কৰিছোঁ যে শৰ্মাছাৰে অধ্যক্ষ পদত যোগদান কৰোঁতে আমাৰ কলেজখন ভেন্সাৰ পৰ্য্যায়ত আছিল। গতিকে বেতন হিচাপে তেখেতক এটা নিৰ্ধাৰিত অঙ্কৰ ধন যঁচা হৈছিল। কিন্তু ফাণ্ডৰ অভাৱত মাজে-সময়ে সেয়াও সময় মতে দিয়া হোৱা নাছিল। বাইদেউকো ইয়ালৈ ট্ৰেন্সফাৰ কৰি আনিব পৰা নাছিল। ছাৰ অতিমাত্ৰা পৰিশ্ৰম আৰু সাংসাৰিক চিন্তাত মাজে-সময়ে বিমৰ্ষিত হৈ পৰিছিল; কিন্তু বিচলিত হোৱা নাছিল। সেই সময়তে অৰ্থাৎ ১৯৮৪ চনৰ আগষ্ট মাহত ছাৰৰ তৃতীয় সন্তান শ্ৰীমান সুমনৰ আগমন হৈছিল। স্বাস্থ্যৰ খাতিৰত বাইদেউৰ স্কুলৰ ছুটীৰ দিনবিলাক ক্ৰমান্বয়ে দীঘলীয়া হৈছিল আৰু সেই ছুটিবিলাক বিনা বেতনে চলিছিল। দিন বাগৰে, মাহৰ অন্ত পৰে। ছাৰৰ পৰিশ্ৰম বাঢ়ে। অৰ্থভাৱৰ কাৰণে পুৱা-গধূলি দুটাকৈ টিউচন কৰিবলৈ লয়। অৱশেষত অনেক চেষ্টাৰ মূৰত বাইদেউক লক্ষীমপুৰৰ পানীন্দ্ৰ হাইস্কুললৈ ট্ৰান্সফাৰ কৰি অনা হৈছিল। সেইয়া আছিল ১৯৮৫ চনৰ কথা। ভগৱানক অশেষ ধন্যবাদ জনাইছিলো। ছাৰ আৰু বাইদেউৱে মোক যিহেতুকে তেখেতসকলৰ পৰিয়ালৰ এজন ৰূপে গণ্য কৰিছিল, গতিকে মই তেখেতসকলৰ সকলো সুখ-দুখৰ সমভাগী আছিলো।

কিছুমানৰ সংসাৰত বিপৰ্য্যায়ে সঘনে গৰকি থৈ যায় ছাৰৰ সংসাৰ খনো এখন বিপৰ্য্যায়ে গৰকা সংসাৰ আছিল। চন ১৯৮৬। মাহৰ হিচাপেৰে অক্টোবৰ মাহ। ইয়াৰ কেইমাহমানৰ আগতে চাৰ বাইদেউৱে নকাড়ীত আন এটা ঘৰ ভাড়া লৈছিল। বাইদেউৰ স্কুললৈ ওচৰ হোৱাত আৰু অন্যান্য সুবিধাৰ কথা ভাবিয়েই নতুনকৈ ভাড়া ঘৰ লৈছিল। ঘৰ সংসাৰ আৰু চাকৰিৰ ব্যস্ততাত মইও ভালেমান দিন সেইফালে মূৰকে কৰিব পৰা নাছিলো। আমাৰ উপাধ্যক্ষ হামিদুৰ ৰহহমানৰ পৰাই ছাৰৰ খবৰ বাতৰিবিলাক লৈ আছিলো। চাৰৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল।

সময় তেতিয়া দিনৰ দুই মান বাজিছিল। দিনটো বৰকৈ মনত নাই। পূজাৰ-উলহ মালহত লক্ষীমপূৰীয়া ৰাইজ ব্যস্ত। তেনেতে ভিনদেৱে অৰ্থাৎ শ্ৰী উপেন চেতীয়া দেৱে জনালে যে আমাৰ অধ্যক্ষ ছাৰ খুব অসুস্থ। ইতিমধ্যে ভেলোৰলৈ নিয়াৰ সকলো ব্যৱস্থা কৰা হৈ গৈছিল। ভেলোৰৰ খ্ৰীষ্টিয়ান মেডিকেল কলেজত তেখেতৰ চিকিৎসা কৰা হৈছিল। সম্পূৰ্ণ দুটা মাহৰ পাছত অৰ্থাৎ একে বছৰৰে ডিছেম্বৰ মাহত ছাৰ ভেলোৰৰ পৰা ঘূৰি আহিছিল। ঘূৰি অহাৰ খবৰ পাই লৰালৰিকৈ চাৰৰ ঘৰ পাইছিলো।

দুৱাৰ মুখৰ পৰাই ভিতৰলৈ চাই মই বিস্ময়ত হতবাক হৈছিলো। খিড়িকীৰ কাষত থকা বিছনাখনত এটা কঙ্কালসাৰ দেহা। অলৰ-অচৰ ভাৱে পৰি আছে। লাহে লাহে গৈ বিছনাখনৰ ওচৰতে থকা চকী খনত বহিছিলোগৈ। এটা ক্ষীণ দৃষ্টিৰে ছাৰে মোলৈ চাইছিল। শব্দহীন কেইটামান নীৰৱ মূহূৰ্ত পাৰ হৈ গৈছিল। সেই নীৰৱতা ছাৰেই ভংগ কৰিছিল।

“এইবাৰ কলেজ ডেফিচিট হ’বই। তোমালোকে আৰু কষ্ট খাব নালাগে”। ছাৰৰ নিষ্ঠা, সততাক প্ৰশংসা কৰিছিলো। ছাৰৰ ব্যক্তিত্বলৈ গৌৰৱ বোধ কৰিছিলো, কিন্তু মৃত্যুমুখী ছাৰৰ সেই আশ্বাসবাণী যেন এক আকাশ বাণী। উপলব্ধিৰ উৰ্ধ্বত। বাস্তৱত সেয়ে হৈছিল। শৰ্মাছাৰৰ সাধনাৰ ফল আৰু আমাৰ সকলোৰে আকাংখ্যত সেই শুভদিনটো সমাগত হৈছিল। ১৯৮৭ জানুৱাৰী মাহত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে অসম চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী স্বীকৃতি লাভ কৰিছিল।

১৯৮৭ চনৰ মাৰ্চ মাহ। সেই ভগ্ন স্বাস্থ্যৰে শৰ্মাচাৰে পুনৰ ভেলোৰলৈ যাত্ৰা কৰিছিল। এপ্ৰিল মাহৰ ২৩ তাৰিখে ভেলোৰৰ পৰা যোৰহাটৰ ঘৰলৈ উভতি আহিছিল। শৰ্মাছাৰ ভেলোৰৰ পৰা অহাৰ এমাহৰ পাছতেই মে’ মাহত তেখেতৰ দেউতাকৰ আকস্মিক ভাৱে মৃত্যু হৈছিল। পিতৃশোকত জৰ্জৰিত শৰ্মাছাৰ জুলাই মাহত, তৃতীয় বাৰৰ বাবে পুনৰ ভেলোৰলৈ যাবলগা হৈছিল। সেই যাত্ৰাই ছাৰৰ শেষ যাত্ৰা আছিল। অৱশেষত আগষ্ট মাহৰ ১৮ তাৰিখে ভেলোৰৰ সেই মেডিকেল কলেজত জীৱনৰ শেষ নিশ্বাস পেলাইছিল। মৃত্যুৰ সময়ত একমাত্ৰ পৰিবাৰ অৰ্থাৎ বাইদেউৰ বাহিৰে লগত কোনো নাছিল। এটি মহান আদৰ্শৰ অৱসান ঘটিছিল।

কবিগুৰু ৰবিন্দ্ৰনাথৰ এষাৰ কবিতালৈ মনত পৰে “জীবনেকি কে ৰাখিতে পাৰে আকাশেৰ প্ৰতি তাৰা ডাকিছে তাহাৰে”। যাৰ মৃত্যু অৱধাৰিত সাধাৰণ নৰমনিযে তাক কিদৰে ৰোধ কৰিব পাৰে।

বিভিন্ন গুণেৰে বিভূষিতা এই কৰ্মযোগী ব্যক্তিজনাৰ কৰ্ম সাধনা আমাৰ সকলোৰে অনুকৰণীয়। তেখেতে একেধাৰে এজন দক্ষ ফুটবল খেলুৱৈ, সংগীতপ্ৰেমী আৰু সমাজ সচেতক আছিল। তেখেতৰ উদ্যোগত ১৯৮৫ চনত উপাধ্যক্ষ হামিদুৰ ৰহমান, ইংৰাজী প্ৰবক্তা শ্ৰী নাৰায়ণ চন্দ্ৰ গগৈ প্ৰমুখ্যে আমি এটা পোন্ধৰজনীয়া দলে শ্বিলং আৰু গুৱাহাটীত শিক্ষা মূলক ভ্ৰমণ কৰিছিলো। ইয়াৰ পাছৰ বছৰতে অৰ্থাৎ ১৯৮৬ চনত চৰকাৰী সাহাৰ্য্যৰে দ্বিতীয়টো শিক্ষামূলক ভ্ৰমণ কৰিছিল। উপাধ্যক্ষ হামিদুৰ ৰহমানৰ নেতৃত্বত যোৱা এঘাৰজনীয়া দলটোৱে দিল্লীৰ বিভিন্ন ঠাইত দৰ্শন কৰিছিল। শৰ্মাছাৰৰ প্ৰচেষ্টাত ১৯৮৩ চনত আমি সংস্থাৰ সদস্যভুক্ত হৈছিলো।

শিক্ষাবছৰত অনুষ্ঠিত কৰা বিভিন্ন উৎসৱসমূহত শৰ্মাছাৰ আছিল কেন্দ্ৰ বিন্দু। তেখেতৰ ৰসাত্মক কথা-বাৰ্তাই কলেজৰ চৌহদ প্ৰাণৱন্ত কৰি ৰাখিছিল। ১৯৮৫ চনত তেখেতৰ কাৰ্যকালত নাৰায়ণপুৰৰ মাধৱদেৱ কলেজত সামাজিক বনানিকৰণ বিভাগৰ উদ্যোগত এটা শিৱিৰ পতা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ এটা ছজনীয়া দলে উপাধ্যক্ষ হামিদুৰ ৰহমানৰ নেতৃত্বত সেই উৎসৱত যোগদান কৰিছিল। সেই উৎসৱ লক্ষীমপুৰ জিলা ভিত্তিত প্ৰতিযোগিতা মূলক উৎসৱ আছিল। আমাৰ মহাবিদ্যালয়ৰ দলটোৱে প্ৰতিযোগিতাত সৰ্বশ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰিছিল। বৰ্তমান মহাবিদ্যালয়ৰ শোভা বৰ্ধন কৰি থকা শাৰী শাৰী শিশুগছবিলাক তেতিয়াৰ ডি. এফ. অ.ৰ সহযোগিতাত ৰোৱা হৈছিল। ছাত্ৰছাত্ৰীসকলৰ বাবে শৰ্মাছাৰ আছিল আনন্দ আৰু প্ৰেৰণাৰ উৎস।

অধ্যক্ষ কৰুণা শৰ্মা ছাৰক আমি অকালতে হেৰুৱালো। তেখেতৰ সাধনাৰ ফল মহাবিদ্যালয় খনক সুন্দৰ ৰূপত সজাবলৈ নেপালে। তেখেতৰ কল্পনা কল্পনা হৈ ৰ’ল। সেয়ে আজি ৰূপালী জয়ন্তী বৰ্ষত উপস্থিত হৈ এক মহা শূণ্যতা অনুভৱ কৰিছোঁ। তেখেতৰ অনুপম কৰ্মৰাজি, তেখেতৰ মহান ত্যাগৰ আদৰ্শ আমাৰ কৰ্মজীৱনৰ পাথেয় হৈ ৰওক। ◻◻

---

*☆☆লেখিকা - মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপিকা।☆☆*

# স্বৰ্গীয় কুমুদ চন্দ্ৰ শৰ্মাদেৱলৈ শ্ৰদ্ধাৰ একাঁজলি

চালেমা বেগম

আজন্ম সমাজকৰ্মী স্বৰ্গীয় কুমুদ চন্দ্ৰ শৰ্মা দেৱ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় খনিৰ প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সম্পাদক আছিল। ১৯৭৭ চনত জন্ম লাভ কৰা মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক সভাপতি, অক্লান্ত সমাজ সেৱক ইন্দ্ৰেশ্বৰ শৰ্মাদেৱৰ লগত একাত্মভাৱে সহযোগিতা আগবঢ়াই যোৱা প্ৰথম ব্যক্তিজনেই আছিল স্বৰ্গীয় কুমুদ চন্দ্ৰ শৰ্মাদেৱ। আজাদ প্ৰশিক্ষণ কেন্দ্ৰৰ উপদেষ্টা পদত অধিষ্ঠিত হৈও মহাবিদ্যালয় প্ৰতিষ্ঠাৰ দৰে গধুৰ দায়িত্ব বহন কৰি তেখেতে সমাজ সেৱা তথা শিক্ষানুৰাগৰ উজ্বল নিদৰ্শন দাঙি ধৰিছিল। প্ৰথম দুয়োখন পৰিচালনা সমিতিৰ সম্পাদক হিচাপে দায়িত্ব বহন কৰাৰ পাছত স্বাস্থ্যজনিত কাৰণত তেখেতে এই পদৰপৰা অব্যাহতি ল'লেও মহাবিদ্যালয়ৰ অন্যান্য দায়িত্বৰ লগত পুনৰ সাঙোৰ খাই পৰিছিল। আনকি মৃত্যুৰ মথোঁ কেইদিনমান আগতে অৰ্থাৎ ২২ আগষ্ট ১৯৯৯ চনত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ 'প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী সভা'ৰ উদ্বোধক হিচাপে উদাত্ত কণ্ঠেৰে ভাষণ দিছিল। সংস্কৃত শ্লোকেৰে আৰম্ভণি আৰু সামৰণি মৰা তেখেতৰ বক্তৃতা শুনিলে ভক্তিত মূৰ দোঁ খাই যায়। মহাবিদ্যালয়ত পৰীক্ষা কেন্দ্ৰ আৰম্ভ হোৱাৰপৰা পৰীক্ষা কেন্দ্ৰৰ সভাপতি পদটো তেখেতে অলঙ্কৃত কৰিছিল। মহাবিদ্যালয়ত হোৱা প্ৰতিটো অনুষ্ঠানতে তেখেতক নিমন্ত্ৰণ কৰা হৈছিল আৰু তেখেত নিৰ্দিষ্ট সময়ত সদায়েই উপস্থিত আছিল। ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহত তেখেতৰ অতি মৰমৰ অনুষ্ঠান এই মহাবিদ্যালয়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত অনুষ্ঠিত আলোচনা চক্ৰৰ নিমন্ত্ৰণী পত্ৰখন নোপোৱাত তেখেতে মৰ্ম্মান্তিক আঘাত পাইছিল।

স্বৰ্গীয় কুমুদ চন্দ্ৰ শৰ্ম্মাদেৱক বিশেষকৈ তেখেতৰ মহৎ গুণৰাজিক আজি লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষত আমি শ্ৰদ্ধাৰে সুঁৱৰিছো। তেখেত অতিশয় নিয়মানুৱৰ্ত্তী আছিল। ধৰ্মত ব্ৰাহ্মণ হৈও সকলো ধৰ্মৰ মানুহকে উদাৰ দৃষ্টি ভঙ্গীৰে সকলোকে আকোঁৱালি ল'ব পাৰিছিল। মহাবিদ্যালয়ৰ সকলো শিক্ষক-কৰ্ম্মচাৰীক তেখেতে সদায় 'আপুনি' বুলিহে সম্বোধন কৰিছিল। তেখেত স্থানীয় বহুতো সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল আৰু সেই দায়িত্ববোৰ বৰ নিষ্ঠাৰে পালন কৰিছিল।

১৯৯৯ চনৰ ৭ নৱেম্বৰ তাৰিখে তেখেতৰ মৃত্যু হোৱাৰ লগে লগে মহাবিদ্যালয়খনিয়েও এজন মুখ্য অভিভাৱক হেৰুৱালে। মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা তেখেতে আগবঢ়াই যোৱা নিস্বাৰ্থ সেৱাৰ কথা সদায়ে স্মৰণ কৰিব লাগিব। তেখেতৰ আত্মা অমৰ হওক তেখেতৰ কৰ্তব্য নিষ্ঠা আৰু নিয়মানুৱৰ্ত্তিতা সকলোৰে বাবে আদৰ্শ হৈ ৰওক। □□

---

*★★ লেখিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা। ★★*

# মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ৰীড়াজগতত এভুমুকি

বিদ্যুৎ চুতীয়া

বিদ্যালয়-মহাবিদ্যালয়েই হৈছে আজিৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত-প্ৰতিভা বিকাশৰ প্ৰাথমিক ক্ষেত্ৰ। খেল-ধেমালিৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ দৈহিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধন হোৱাত যথেষ্ট সহায় হয়। খেলা-ধূলাৰ প্ৰতি আকৰ্ষিত কৰি বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীক বা যুৱক-যুৱতীসকলৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা সামাজিক উচ্ছৃংখলতা বা অপৰাধ প্ৰৱণতাও ৰোধ কৰিব পৰা যায়। সেয়েহে অন্যান্য শিক্ষানুষ্ঠানৰ নিচিনাকৈ আমাৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনিতো ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক উৎকৰ্ষ সাধন তথা প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি সীমিত সুবিধাৰেই খেলা-ধূলাৰ প্ৰতি আকৰ্ষিত কৰি অহা হৈছে আৰু এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সফলতাও অৰ্জন কৰিছে।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ১৯৯২ চনলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় ক্ৰীড়াত অংশ গ্ৰহণ কৰা নাছিল। অৱশ্যে ছাত্ৰসকলে স্থানীয় জিলা পৰ্য্যায়ৰ ফুটবল আৰু ভলীবল খেলত অংশ গ্ৰহণ কৰি সফলতা অৰ্জন কৰিছিল। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সীমিত হোৱাৰ কাৰণে প্ৰতিবছৰে ক্ৰীড়া শিতানত যি কেইটা অৰ্থ পোৱা গৈছিল সেইকেইটা মহাবিদ্যালয় সপ্তাহ আৰু স্থানীয় জিলা ভিত্তিত হোৱা খেলা-ধূলাতেই অন্ত হৈছিল। সেয়েহে অৰ্থৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা আছিল যদিও আমি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সপ্তাহত যোগদানৰ পৰা বিৰত আছিলো। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমে বৃদ্ধি পোৱাত প্ৰথম বাৰৰ বাবে ১৯৯২ চনত আমাৰ মহাবিদ্যালয়ৰ পৰা এটা ৫ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সমাৰোহলৈ অংশ গ্ৰহণৰ ববে মনোনীত কৰা হয়। সেইসময়ত এই লেখকেই গুৰুক্ৰীড়া বিভাগৰ উপদেষ্টা হিচাপে থকাত মোকেই দলটোৰ উপদেষ্টা আৰু মেনেজাৰ হিচাপে তেতিয়াৰ অধ্যক্ষ মহোদয় শ্ৰীযুত নাৰায়ণ-গোহাঁই ছাৰে মনোনীত কৰে। মোৰো খেলা-ধুলাৰ প্ৰতি এটা ৰাপ থকাৰ বাবে তেনে দ্বায়িত্বভাৰ গ্ৰহণ কৰিবলৈ পাই ভালেই পালো। অৱশেষত গোহাঁই ছাৰৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সকলো শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ শুভেচ্ছাৰে আমি যাত্ৰা আৰম্ভ কৰিলো। সেই সময়ত মোৰ মনটো সন্দিহান হৈছিল যে কলেজৰ পইছাকেইটা অবাবতে পানীত পেলাম নেকি? মনলৈ তেনেভাৱ অহাৰ যুক্তিযুক্ততা নথকাও নহয়; কাৰণ আমাৰ ভিতৰুৱা অঞ্চলৰ এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো অনুশীলন নকৰাকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সপ্তাহত যোগদান কৰিবলৈ যাব। কিন্তু সেইসময়ত আমাৰ অধ্যক্ষ মহোদয় ছাৰে কোৱা কেইষাৰমান কথাই বৰকৈ অনুপ্ৰেৰণা যোগাইছিল। ছাৰে কৈছিল- 'চিন্তা নকৰিব চুতীয়া আমাৰ ল'ৰা-ছোৱালীহঁত পৰিশ্ৰম কৰা আৰু খাটি বস্তু খোৱা গাঁৱৰ ল'ৰা-ছোৱালী। চাব সিহঁতে ভাল ফল দেখুৱাব'। শুভাশিস লৈ পুৱা

সোণাৰী ঘাটৰে ১৯৯২ চনৰ ১১ ডিছেম্বৰৰ দিনা আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ। আমাৰ দলটোত আছিল দুজনী ছোৱালী আৰু ৩ জন ল'ৰা। তেওঁলোক হ'ল ক্ৰমে ৰীতা নাম, বৰ্ণালী বৰা, পৰেশ ফুকন ৰাজু শইকীয়া আৰু ভূপেন গগৈ। ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আন্তঃ মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত যোগদান কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীসকৰ বাবে বেলেগে বেলেগে থকাৰ ব্যৱস্থা কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয় অন্তৰ্গত বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰীসকলৰ বাবে বিশ্ববিদ্যালয়ৰ অতিথিশালাত দুটামান ৰূমৰ ব্যৱস্থা কৰিছিল। সেইসময়ত বিশ্ববিদ্যালয়ত বি. এ. পৰীক্ষাৰ পুনৰীক্ষন চলি থকাৰ বাবে অতিথিশালাত মোৰ কাৰণে থকাৰ ঠাই নাছিল; কিন্তু আমাৰ মহাবিদ্যালয়ৰ দুজন প্ৰৱক্তা শ্ৰীযুত লীলা বৰা ছাৰ আৰু শ্ৰীযুত নাৰায়ণ গগৈ ছাৰে। বি.এ পৰীক্ষাৰ পুনৰীক্ষনৰৰ বাবে সেই সময়ত অতিথিশালাত থকাত মোৰ অসুবিধা দূৰ হয়।

পিছদিনা ৰাতিপুৱা শুই উঠিয়েই দেখোঁ যে বিভিন্ন মহাবিদ্যালয়ৰ খেলুৱৈসকলে অতিথিশালাৰ ভিতৰত আন কিছুমানে বাহিৰত বিভিন্ন ৰঙৰ পোছাক পিন্ধি জগিং কৰি আছে। সেই খেলুৱৈসকলৰ কিছুমানৰ পিঠিৰ ফালে ASSAM আৰু কিছুমান SAI বুলিও লিখা মই সিহঁতৰ অনুশীলন দেখি ভয়েই খাইছিলো, কাৰণ আমাৰ ছোৱালীহঁতেতো এওঁলোকৰ লগতেই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব লাগিব। মই আমাৰ ছোৱালীহঁতলৈ চাই দেখিলো সিহঁতেও মোৰ নিচিনাকৈ প্ৰতিযোগীসকলক চাই আছে; কিন্তু দুখৰ কথা আমাৰ দুয়োজনীৰে ভৰিত এযোৰ কাপোৰৰ জোতাও নাছিল। মই আমাৰ ছোৱালী দুজনীক ওচৰলৈ মাতি আনি ক'লো দেখিছা! ছোৱালীবোৰে কেনেকৈ অনুশীলন কৰিছে? আমাৰ দুয়োজনীয়ে তপৰাই উত্তৰ দিছিল— ছাৰ! আমি ঘৰতেই অনুশীলন কৰি আহিছোঁ। কাৰণ আমি ছাৰ একঁকাল পানীত বাও (ধান) কাটিহে খেলিবলৈ আহিছো। সিহঁতৰ প্ৰত্যুত্তৰত মোৰ ক'বলৈ আন একোৱেই নাছিল।

যি কি নহওঁক মাৰ্চপাষ্টৰ পিছতেই ল'ৰাৰ ১৫০০ মিটাৰ দৌৰ প্ৰতিযোগিতা আৰম্ভ হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ পৰেশ ফুকনে ১৫০০ মিটাৰ দৌৰত তৃতীয়স্থান লাভ কৰি ব্ৰঞ্জৰ পদকেৰে সাফল্য কঢ়িয়াই আনে। সেইটোৱে আছিল ডিব্ৰুগড় বিস্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত লঃ তেঃ কঃ মহাবিদ্যালয়ৰ প্ৰথম পদক। সেই দিনাটোৰ আনন্দ হয়তো মই কেতিয়াও পাহৰিব নোৱাৰিম। পৰেশ ফুকনৰ পিছতেই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ৰীতা নাথে ১০০ মিটাৰ দৌৰ হিটচত প্ৰথম স্থান পায় আৰু বৰ্ণালী বৰাই ৪০০ মিটাৰ দৌৰ হিট্‌চত প্ৰথম স্থান অধিকাৰ কৰে। মই তেতিয়াহে উপলব্ধি কৰিছিলো আমাৰ ছোৱালী দুগৰাকীৰ কথাৰ মৰ্ম। সেইদিনা মই দুয়োজনীকে ডিব্ৰুগড় টাউনলৈ লৈ গৈ দুযোৰ কাপোৰৰ জোতা আৰু মোজা উপহাৰ দিছিলো। এইদৰে তিনিদিনীয়া কাৰ্য্যসূচীৰে ১৯৯২ চনৰ ১৪ ডিছেম্বৰৰ দিনা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ক্ৰীড়া সপ্তাহৰ সামৰণি পৰিল। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ পৰেশ ফুকনে ১৫০০ মিটাৰ আৰু ১০,০০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰে। বৰ্ণালী বৰাই ৮০০ মিটাৰ আৰু ১৫০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰে আৰু ৰীতা নাথে ২০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। উপযুক্ত অনুশীলন নকৰাকৈ এনে সাফল্য লাভ কৰাটো সঁচাই আমাৰ নিচিনা ভিতৰুৱা অঞ্চলৰ মহাবিদ্যালয়ৰ বিৰল কৃতিত্ব বুলি ক'ব লাগিব।

প্ৰথম বছৰৰ সাফল্যৰে অনুপ্ৰাণিত হৈ আন্তঃ মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে এটা দ'ল নিৰ্বাচন কৰি মহাবিদ্যালয়ৰ ক্ৰীড়াস্থানত এটি এমহীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল। মাৰ্চপাষ্টৰ প্ৰশিক্ষণ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ৰাজেন কোঁচে দিছিল। অন্যান্য প্ৰশিক্ষণ এই লেখকেই সীমিত জ্ঞানেৰে যিমান দূৰ পাৰোঁ দিবলৈ চেষ্টা কৰিছিলো। সেইবাৰো গোটেই দলটোৰ নেতৃত্ব দিয়াৰ দায়িত্ব মোৰ ওপৰতে পৰে আৰু ১৯৯৪ চনৰ জানুৱাৰী মাহৰ ৬ তাৰিখে নিমাতীঘাটৰে ডিব্ৰুগড়লৈ বুলি ৰাওনা হওঁ। সেইবছৰ আমি

মাৰ্চপাষ্টত দ্বিতীয় স্থান লাভ কৰিছিলো। আমাৰ ছাত্ৰ পৰেশ ফুকনে প্ৰতিযোগিতাৰ প্ৰথম দিনৰ প্ৰথম প্ৰতিযোগিতা ৫০০ মিঃ দৌৰত সোণৰ পদক লাভ কৰি লঃ তেঃ কঃ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। পৰেশ ফুকনে ১০,০০০ মিটাৰ দৌৰতো ব্ৰঞ্জৰ পদক লাভ কৰে। মহাবিদ্যালয়ৰ আন দুজন ছাত্ৰ নাৰায়ণ গোঁহাই আৰু কেশৰ নাথে ১০,০০০ মিটাৰ দৌৰত সপ্তম আৰু দশম স্থান লাভ কৰিছিল। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ৰীতা নাথে ২০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক, জেউতী চেতিয়াই হাই জাম্পত ব্ৰঞ্জৰ পদক, কবিতা সন্দিকৈয়ে ৮০০ মিটাৰ দৌৰ আৰু ১৫০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক, নিৰদা খাটনিয়াৰে ৪০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক কঢ়িয়াই আনিবলৈ সক্ষম হয়। সেই বছৰতেই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ পৰেশ ফুকনে লক্ষীমপুৰত অনুষ্ঠিত হোৱা সদৌ অসম গ্ৰাম্য ক্ৰীড়া মহোৎসৱত লক্ষীমপুৰ জিলাক প্ৰতিনিধিত্ব কৰি শ্ৰেষ্ঠ দৌৰবীৰৰ সন্মান লাভ কৰাৰ উপৰিও ৰাঁচিত হোৱা সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়া মহোৎসৱত অসমক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰে। যদিও পৰেশ ফুকনে সৰ্বভাৰতীয় পৰ্য্যায়ত কোনো ধৰণৰ পদক লাভ কৰিবলৈ সক্ষম হ'ব নোৱাৰিলে তথাপিও আমাৰ মহাবিদ্যালয়ৰ এজন ছাত্ৰই সৰ্বভাৰতীয় পৰ্য্যায়ৰ ক্ৰীড়াত অসমক প্ৰতিনিধিত্ব কৰি অংশ গ্ৰহণ কৰাটো আমাৰ মহাবিদ্যালয়খনৰ লগতে লক্ষীমপুৰৰবাবেই গৌৰৱৰ কথা।

১৯৯৫-৯৬ চনৰ বছৰটো লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ক্ৰীড়াৰ বাবে অতি আনন্দৰ আৰু গুৰুত্বপূৰ্ণ বছৰ। সেইবছৰ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ৰীতা নাথে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত যুটীয়াভাৱে শ্ৰেষ্ঠ দৌৰবিদৰ সন্মান লাভ। ৰীতা নাথে ১০০ মিটাৰ দৌৰত ৰূপৰ পদক, ২০০ মিটাৰ দৌৰত সোণৰ পদক আৰু ৰীলে দলত (১০০x৪) অংশ গ্ৰহণ কৰি ৰূপৰ পদক লাভ কৰিছিল। বৰ্ণালী বৰুৱাই হাইজাম্পত ৰূপৰ, লং জাম্পত সোণৰ আৰু ১০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰে। কৰিতা সন্দিকৈয়ে ৮০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ আৰু ১৫০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ছোৱালীৰ ৰীলে দৌৰত (১০০x৪) আমাৰ মহাবিদ্যালয়ৰ দলটোৱে ৰূপৰ পদক লাভ কৰিছিল। প্ৰতিযোগীসকল আছিল ৰীতা নাথ, কৰিতা সন্দিকৈ, বৰ্ণালী বৰুৱা আৰু ৰেখা বৰা। সেইবছৰেই আমাৰ ছাত্ৰ নবীন দলেই কাঁহি দলিওাত ৰূপৰ পদক লাভ কৰিছিল। এইখিনিতে জনাই থওঁ - নবীন আজি আমাৰ মাজত নাই। তেওঁৰ অকাল বিয়োগে আমাৰ জাতিৰ এজন সম্ভাৱনাপূৰ্ণ খেলুৱৈক হেৰৱালে। তেওঁৰ আত্মাই শান্তি পাওক।

এনেধৰণৰ উজ্বল সম্ভাৱনাপূৰ্ণ খেলুৱৈ এতিয়াও আমাৰ মাজত আছে; কিন্তু আমাৰ মহাবিদ্যালয়ৰ আৰ্থিক অনাটন আৰু অন্যান্য আহুকালৰ বাবে ৯৬ ৰ পিছত কালছোৱা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণৰ পৰা বিৰত আছে, হয়তো অদূৰ ভৱিষ্যতে ইয়াৰ নিৰাময়ৰ প্ৰচেষ্টা অব্যাহত থাকিব। সুখৰ কথাযে আমাৰ মহাবিদ্যালয়ৰ এসময়ৰ খ্যাতিসম্পন্ন খেলুৱৈ শ্ৰীমতী কৰিতা সন্দিকৈয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থাকোঁতে মহিলাৰ শাখাত শ্ৰেষ্ঠ ক্ৰীড়াবিদৰ সন্মান লাভ কৰিছিল।

সুদুৰ ভৱিষ্যতে আমাৰ মহাবিদ্যালৰ পৰা উৎকৃষ্ট খেলুৱৈৰ সৃষ্টি হ'ব যিসকলে জাতি তথা দেশৰ বাবে সুনাম কঢ়িয়াই আনিব (বৰ্তমান সময়ত খেলা-ধূলা অকল শাৰীৰিক আৰু মানসিক উৎকৰ্ষৰ সাধনতে ব্ৰতী থকা নাই। সময়ৰ পৰিৱৰ্তনে ইয়ালৈ পেছাদাৰ দায়িত্ব আৰু আৰ্থিক গুৰুত্ব আগবঢ়াইছে —। ❑❑


---

*☆☆ লেখক মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা আৰু এজন সু-খেলুৱৈ ☆☆*

ঃ প্ৰাক-স্নাতক শ্ৰেণীৰ প্ৰথম উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ ঃ




শ্ৰীগজেন দত্ত
মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰ জন




শ্ৰীউমাকান্ত ৰাজখোৱা
প্ৰাক্ স্নাতক পাছ (২য় বিভাগ)



শ্ৰীমাণিক দাস, স্নাতক



শ্ৰীতনুৰাম নাথ



শ্ৰীগোবিণ চন্দ্ৰ বৰা



শ্ৰীমতী গুণ বৰা


*ঃ প্ৰাক-স্নাতক সকলৰ একাংশ ঃ*



শ্ৰীসুশীল দত্ত



শ্ৰীদিলীপ কুমাৰ বৰা



শ্ৰীগোলাপ কোঁচ



শ্ৰীৰমেশ কাকতি
অৰ্থনীতি অনাৰ্ছ



শ্ৰীযুগল নাথ
বুৰঞ্জী অনাৰ্ছ

পদ্য.....

# কলেজ পতাৰ কবিতা

শ্ৰীপ্ৰফুল্ল হাজৰিকা

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মৌজাৰ
ৰাইজ মিলি পাতিলে কথা,
কলেজ এখন অঞ্চলটোত লাগিবই
ইন্দ্ৰেশ্বৰ শৰ্মাই ধৰিলে গুৰি ব'ঠা।
কুমুদ শৰ্মাক সম্পাদক পাতি
দেৱব্ৰত গগৈক প্ৰিন্সিপাল,
তিনিওটি মৌজাৰ ৰাইজে গোট বান্ধি আগবাঢ়ি
আজাদত পাতিলেহি থান।
গড়মূৰীয়া সত্ৰাধিকাৰে আধাৰশিলা থাপিলে
ঈশ্বৰক সাক্ষী কৰি লৈ,
ঘৰ-দুৱাৰ সাজিলে হাতে-কামে লাগিলে
ঘাটী মঞ্জুৰী পোৱাৰ আগলৈ।
কৰুণা শৰ্মাক দিছিলে কলেজখন গঢ়িবলৈ
পিছে তেওঁ স্বৰ্গগামী হ'ল,
জিৎৰাম দত্তও আহিলে পিছে প্ৰিন্সিপাল এৰিথৈ
গুৱাহাটীত থাকিবলৈ গ'ল।
প্ৰভাত চন্দ্ৰ বৰগোঁহাই এক নম্বৰ ৰণুৱা
মহাবিদ্যালয়ৰবাবে সু কাম কৰে,
ইহধাম এৰিথৈ স্বৰ্গগামী হ'লগৈ
ৰাইজক কন্দুৱাইহে এৰে।
এইখন মহাবিদ্যালয় আমাৰ কামৰ ঠাই
সুখে-দুখে ইয়াতেই থাকোঁ,
আগলৈকো এনেদৰে জিলিকি থাকিব বুলি
ঈশ্বৰক সেৱা এটি কৰোঁ।

☆☆ লেখক মহাবিদ্যালয় প্ৰতিষ্ঠাৰে পৰা কাম কৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ☆☆

## ঃ মহাবিদ্যালয়ৰ গৌৰৱ (একাংশ)ঃ



শ্ৰীমতী সৰিতা বৰা
১ম শ্ৰেনী অৰ্থনীতি (মেজৰ), ১৯৯৫



শ্ৰীমতী ৰূপামনি বুঢ়াগোঁহাই
১ম শ্ৰেনী শিক্ষাতত্ত্ব, ২০০২

শ্ৰীভাগ্যজিৎ ভূঞা,
ষ্টাৰ নম্বৰসহ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ



শ্ৰীপৰেশ ফুকন
সোণৰ পদক - ১৫০০ মিটাৰ দৌৰ
ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা



শ্ৰীমতী ৰীতা নাথ
সোণৰ পদক - ৮০০ মিটাৰ দৌৰ
ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা



শ্ৰীমতী কৱিতা সন্দিকৈ
সোণৰ পদক
ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা



# প্ৰাক্তন ছাত্ৰৰ দৃষ্টিত লঃ তেঃ কঃ মহাবিদ্যালয়

*শ্ৰীপ্ৰশান্ত কুমাৰ বৰা*

'লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়' খন ১৯৭৭ চনত লক্ষীমপুৰ. তেলাহী আৰু কমলাবৰীয়া এই তিনিও মৌজাক সামৰি প্ৰতিষ্ঠা কৰা হৈছিল। মহাবিদ্যালয়খনি প্ৰতিষ্ঠা হোৱা এই অঞ্চলটি গ্ৰাম্য অঞ্চল। সোৱণশিৰি, ঘাগৰ আৰু ৰঙানদীৰ বানপানীয়ে গৰকা যাতায়াতৰ কোনো সু-ব্যৱস্থা নথকা এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে উত্তৰ লক্ষীমপুৰ নগৰত পঢ়াটো অতি কষ্টসাধ্য আছিল। সেয়েহে বহুতেই উচ্চ শিক্ষা লাভৰপৰা বঞ্চিত হৈছিল। তেলাহী, কমলাবৰীয়া আৰু লক্ষীমপুৰ মৌজাৰ সঙ্গমস্থলত এই মহাবিদ্যালয়খনি প্ৰতিষ্ঠা হোৱাত বিশেষকৈ তেলাহী আৰু লক্ষীমপুৰ মৌজাৰ সোৱণশিৰিপৰীয়া গ্ৰাম্য অঞ্চলত উচ্চ শিক্ষাৰ প্ৰসাৰত সুবিধা হ'ল। এই অঞ্চলটি অতীতত শিক্ষাৰ ক্ষেত্ৰত যে বাটকটীয়া আছিল সেই কথা কিংবদন্তী মতে 'তেলাহী' এনে অৰ্থই প্ৰতিপন্ন কৰে। 'তেলাহী' শব্দটোৰ অৰ্থ যেন এনে হৈছে— 'তে' মানে দেখা, 'লাই' মানে প্ৰথমে', 'হী' মানে জ্ঞান বা পোহৰ। গতিকে 'তেলাহী' শব্দৰ অৰ্থই 'প্ৰথমতে জ্ঞানৰ পোহৰ দেখা' অঞ্চলক সূচিত কৰে। সম্ভৱতঃ আহোমসকল চুকাফাৰ নেতৃত্বত লুইতৰ উত্তৰ পাৰলৈ আহোঁতে হাবুঙ ৰাজ্যৰ এই অংশৰ লোকসকল আন আন ঠাইতকৈ বেছি সুশিক্ষিত তথা মান্যৱন্ত আছিল বাবেই এই ঠাইক 'তেলাহী' বুলিছিল।

বৰ্তমান আমাৰ এই উচ্চশিক্ষাৰ জ্ঞান মন্দিৰ 'লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়' খনিয়ে ৰূপালী জয়ন্তী বৰ্ষৰ দেওনা গৰকিছে। মই এই মহাবিদ্যালয়ৰ পৰাই ১৯৯৪ চনত স্নাতক ডিগ্ৰী লাভ কৰোঁ। যদিওবা মাত্ৰ তিনিটামান বছৰহে মই এই খন মহাবিদ্যালয়ত শিক্ষাৰ্থী হিচাপে জড়িত আছিলো তথাপি মোৰ জীৱনৰ সাৰস্বত সাধনাত এই মহাবিদ্যালয়খনিৰ অতুলনীয় শৈক্ষিক পৰিৱেশে মোক বৰকৈ আকৃষ্ট কৰিছিল। সেয়ে এই পৱিত্ৰ উচ্চ শিক্ষাৰ জ্ঞানমন্দিৰৰ শিক্ষাৰ্থী জীৱনৰ দিনকেইটাৰ স্মৃতি মোৰ মনৰ পৰা এতিয়াও মচ খোৱা নাই। মই এই মহাবিদ্যালয়লৈ অহাৰ আগতে আন এখন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ আছিলো। ঐতিহাসিক ছবছৰীয়া অসম আন্দোলনত ছাত্ৰ সংস্থাৰ নেতৃত্ব বহন কৰা বাবে প্ৰায়ে জনসাধাৰণৰ মাজত থাকি আন্দোলনত অংশ গ্ৰহণ কৰিব লগা হোৱাত মই বিজ্ঞানৰ স্নাতক হোৱাৰ আশা পৰিত্যাগ কৰিব লগা হয়। অসম আন্দোলনৰ সময়ৰ মোৰ যাযাবৰী জীৱনৰ কালছোৱাত পঢ়া-শুনা চলি আছিল যদিও বিজ্ঞানৰ ব্যাৱহাৰিক শ্ৰেণীসমূহত নিয়মিতভাৱে উপস্থিত থাকিব নোৱৰাৰ বাবে মই পৰীক্ষাত বহাৰ সুবিধা নাপালো। সেয়ে মোৰ শিক্ষা জীৱনৰ ইতি পৰিব বুলি ভাবিছিলো। মই সেই সময়ৰপৰাই লেখা-মেলা কৰা হাত দিছিলো।

আন্দোলনৰ সময়ত স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাই চাৰৰ (লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ) লগত শ্বহীদ পৰিয়ালসমূহৰ পুনৰ সংস্থাপন আৰু নিৰ্য্যাতিতৰ চিকিৎসা সাহাৰ্য্যৰ কাম একেলগে কৰিছিলো। সেই সূত্ৰেই ˚ গোহাঁই চাৰৰ পৰিয়ালৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল। মই লেখা-মেলা কৰাৰ বাবে তেতিয়াৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰী নাৰায়ণ বৰগোঁহাই চাৰে মোক উৎসাহিত কৰিছিল। তেখেতে মোক "লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়"ত নাম ভৰ্তি কৰি পুনৰ পঢ়িবৰ বাবে উদ্‌গনি দিছিল। তেখেতৰ এই মহানুভৱতাৰ বাবেই মই এদিন গৈ 'লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়'ত নামভৰ্তি কৰিলোগৈ। মোৰ নামভৰ্তি হোৱাৰ পাছত যিদিনা মই মহাবিদ্যালয়খনিত পঢ়িবলৈ গৈছিলো, সেইদিনা গৈ দেখোঁ যে মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচী চলি আছে। মই গৈ পোৱাৰ সময়ত কুইজ প্ৰতিযোগিতাৰ বাবে দল সমূহ বহিছে। সকলো ছাত্ৰ-ছাত্ৰীয়েই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছে। শ্ৰদ্ধেয় হামিদুৰ ৰহমান চাৰ প্ৰমুখ্যে মাননীয় প্ৰৱক্তাসকলে কুইজ মাষ্টৰৰ দায়িত্ব লৈছে; কিন্তু দুটা দলৰ দল গঠনৰ বাবে এজনকৈ প্ৰতিযোগী কম হৈ থকা বাবে প্ৰতিযোগিতা আৰম্ভ হোৱা নাই। মই যোৱা দেখি সেই সময়ৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক তথা অসমীয়া বিভাগৰ প্ৰৱক্তা শ্ৰদ্ধেয় শ্ৰী লীলা

বৰা চাৰে মোলৈ আঙুলিয়াই দি কৈছিল 'এওঁ আমাৰ মহাবিদ্যালয়ত নতুনকৈ নাম ভৰ্তি কৰিছে।' লগে লগে কম হৈ থকা দল দুটাই আহি মোক এটা দলে সোঁহাতত আৰু আনটো দলে বাঁওহাতত ধৰি তেওঁলোকৰ দল যোগ দিবৰ বাবে খাটনি ধৰিছিলহি। মই সেই মুহূৰ্তত এনে অনুভৱ কৰিছিলোঁ, মোক যেন আদৰিবলৈ মহাবিদ্যালয়খনি আগৰপৰাই সাজু হৈ আছিল।

সেইদিনা মই আকস্মিকভাৱেই কুইজ, তৰ্ক, আকস্মিক বক্তৃতা আৰু কৱিতা আবৃত্তি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিলো আৰু এনে দৰে প্ৰথম দিনটোতে মহাবিদ্যালয়খনিৰ লগত একত্ৰ হৈ পৰাৰ পৰিৱেশ পাই মই নিজকে ধন্য মানিছিলো। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহত সকলো প্ৰৱক্তা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু অন্তৰংগ সহযোগিতাই মোক অভিভূত কৰিছিল। অধ্যক্ষ মহোদয়ে মোক শিক্ষাগুৰুসকলৰ লগত তেখেতৰ স্বভাৱ সুলভ কথন ভঙ্গীৰে এনেদৰে পৰিচয় কৰাই দিছিল যে— মই প্ৰথম দিনটোতে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত চিনাকি হৈ একেটা পৰিয়ালৰ দৰে অন্তৰংগ হৈ পৰিছিলো। শিক্ষা গ্ৰহণৰ বাবে এনে নিৰিবিলি আৰু শিক্ষক-ছাত্ৰৰ অতি ওচৰ সম্বন্ধ থকা মহাবিদ্যালয় হয়তো বিৰল। গ্ৰাম্যাঞ্চলত অৱস্থিত হোৱা বাবেই এনে এক অতুলনীয় শৈক্ষিক পৰিৱেশ গঢ়ি উঠাটো সম্ভৱ হৈছিল।

মহাবিদ্যালয়খনৰ কাষেৰে বৈ যোৱা সোমদিৰী নদীৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশক সামাজিক বননিকৰণে অধিক শোভা বৰ্ধন কৰিছে। সেই সময়ত মহাবিদ্যালয়খনিৰ চালুকীয়া অৱস্থাৰ মাজতো শিক্ষাৰ্থীসকলে পঢ়াৰ বাবে প্ৰয়োজনীয় সা-সুবিধাখিনি পোৱাৰ ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই চেষ্টাৰ ত্ৰুটী কৰা নাছিল।

মই বিজ্ঞান শাখাৰপৰা কলা শাখাত আহি পঢ়িব লগা হোৱাৰ বাবে মোক শিক্ষা গুৰুসকলে যথেষ্ট সহায় কৰিছিল। অসমীয়া, ইংৰাজী, ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষা গুৰু; বিশেষকৈ শ্ৰদ্ধেয় লীলা বৰা চাৰ, অঞ্জলিকা বাইদেউ, সোণেশ্বৰী বাইদেউ, নাৰায়ণ গগৈ চাৰ প্ৰমুখ্যে শিক্ষাগুৰু সকলে ব্যক্তিগতভাৱে যত্ন লৈ মোক কিতাপ-পত্ৰ দি সহায় কৰিছিল। অধ্যক্ষ মহোদয়ৰ লগতে শ্ৰদ্ধেয় ড° হামিদুৰ ৰহমান চাৰ, ড° লাৱণ্য বুঢ়াগোঁহাই বাইদেউ (বৰ্তমানৰ অধ্যক্ষা মহোদযা), নাৰায়ণ বৰুৱা চাৰৰপৰা উৎসাহ পাইছিলো। সেই সময়ত আমাক শিক্ষা দান কৰা সকলো চাৰ-বাইদেউৱে আমাক আন্তৰিকতাৰে শিক্ষাদান কৰিছিল আৰু আমাক নানাভাৱে শিক্ষা লাভৰ ক্ষেত্ৰত উদগনি যোগাইছিল। মই মহাবিদ্যালয়লৈ শিক্ষাৰ্থী হিচাপে আহি গুৰু-শিষ্যৰ আত্মিক সম্পৰ্ক লাভৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধাশীল হৈ পৰিছিলো। এই মহাবিদ্যালয়ত পাই অহা গুৰু-শিষ্যৰ অন্তৰংগ আত্মিক সম্পৰ্কৰ অভিজ্ঞতাই মোৰ পৰৱৰ্তী শিক্ষকতা জীৱনত প্ৰভুত বৰঙণি যোগাইছে।

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰপৰাও মই সহায় পাইছিলো। এনেদৰে শিক্ষকে ছাত্ৰক শিক্ষাদানৰ লগতে অভিভাৱকত্ব প্ৰদান কৰাবাবেই এই মহাবিদ্যালয়খনিয়ে মানৱ সম্পদ গঢ়াত কৃতকাৰ্য্য হৈছে বুলি মই অনুভৱ কৰোঁ। আমি শিক্ষাৰ্থী হৈ থকাৰ দিনত মহাবিদ্যালয়খনিৰ অৱস্থা আজিৰদৰে নাছিল যদিও শিক্ষা গুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সম্বন্ধই এক সুস্থ, শান্তি আৰু সম্প্ৰীতিৰ পাৰিপাৰ্শ্বিক অৱস্থা গঢ় লৈ উঠাৰ সহায়ক হৈছিল। শিক্ষক-ছাত্ৰৰ পাৰস্পৰিক সহযোগিতাত গঢ়ি উঠা এনে সুস্থ শৈক্ষিক পৰিৱেশৰ বাবেই আমাৰ দৃষ্টিত 'লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়' খনি আজিও অনন্য হৈ আছে। সেইবাবেই এই মহাবিদ্যালয়ত শিক্ষাৰ্থী হৈ যোৱা আন আন ছাত্ৰৰ দৰে মোৰ মনতো মহাবিদ্যালয়খনিয়ে এক অনিৰ্বচনীয় সাঁচ বহুৱাই আমাক অনুপ্ৰাণিত কৰি ৰাখিছিল। বৰ্তমানৰ মাননীয় অধ্যক্ষা শ্ৰদ্ধেয়া ড° লাৱণ্য বুঢ়াগোহাঁই বাইদেউৰ তৎপৰতাত মহাবিদ্যালয়খনিৰ শৈক্ষিক পৰিৱেশে সোণত সুৱগা চৰাইছে।

পৰিশেষত কওঁযে আমাৰদৰে অতি পিছপৰা বানাক্ৰান্ত গ্ৰাম্যাঞ্চলৰ হাজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰীক উচ্চশিক্ষা লাভৰ সুবিধা দি ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসীমা বঢ়োৱাত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনিয়ে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে। ভৱিষ্যতেও এই জ্ঞান মন্দিৰৰ আলোকত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, সামাজিক আৰু নৈতিক প্ৰমূল্যৰ ভেঁটি নিৰ্মাণ কৰাত মহাবিদ্যালয়খনিয়ে ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলক আমাৰ দৰেই অনুপ্ৰাণিত কৰি থাকিব বুলি আশা আৰু বিশ্বাস ৰাখি আমাৰ এই উচ্চশিক্ষাৰ কঠিয়াতলী লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় খনিৰ উজ্বল ভৱিষ্যতৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। ❑❑

*জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।*

---

*(লেখক প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমান প্ৰধান শিক্ষক, বিনন্দ ফুকন বালিকা মধ্য ইংৰাজী বিদ্যালয়, খগা লক্ষীমপুৰ)*

# একালৰ দুখৰীয়া ছবি

প্ৰণৱ শইকীয়া।

১৯৯৩ চনৰ কোনোবা এটা দিনত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ত কিহবাৰ অনুপ্ৰেৰণাত মইয়ো নামভৰ্তি কৰিছিলো। যদিও সেইয়া আজি স্মৃতি, তথাপিও সেইখন মহাবিদ্যালয়ৰ আজি ২৫ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ দিনটিত পুনৰ এবাৰ তাক সুঁৱৰিবৰ মন গৈছে। আৱশ্যে স্মৃতিবোৰ সদায়েই যুগমীয়া; কিন্তু আমি পোৱা সেইদিনৰ পৰিৱেশ আৰু আজিৰ পৰিৱেশৰ বহুতো পৰিৱৰ্তন আহিব ধৰিছে। মনত পৰে সেই দিনবোৰত কেতিয়াবা চাইকেলেৰে, কেতিয়াবা চৰকাৰী ৰঙা বাছেৰে অহা-যোৱা কৰা – য'ত আছিল বহুত আনন্দ। যদিও মই এইখন মহাবিদ্যালয়ত স্নাতকৰ তিনিটা বছৰহে পাৰ কৰিছিলো, তথাপিও মোৰ ছাত্ৰ জীৱনৰ সোঁৱৰণিত সেই তিনিটা বছৰে যি সাঁচ বহুৱালে তাক মই কেতিয়াও পাহৰিব নোৱাৰোঁ। কিযে আছিল সোমদিৰি নদীৰ পাৰৰ এক মনোমুগ্ধ পৰিৱেশ, প্ৰকৃতিৰ কি অপূৰ্ব মাদকতা। কেতিয়াবা খৰস্ৰোতা সোমদিৰি আৰু কেতিয়াবা বালিময়।

মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনত বন্ধু-বান্ধৱ আৰু অগ্ৰজ সকলৰ অনুপ্ৰেৰণাত মোক এদিন এইখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদক পদত নিৰ্ব্বাচিত কৰিছিল। সেই সময়ত ভাবিছিলো মই জানো এনে গুৰুভাৰ চলাই নিব পাৰিম? কিন্তু সকলোৰে মৰম আৰু ছাৰ-বাইদেউসকলৰ উপদেশেৰে মই আউল নলগোৱাকৈ কৰ্তব্য পালন কৰিবলৈ চেষ্টা কৰিছিলো। হয়তো কাৰোবাক কেতিয়াবা কথাৰে জগৰ লগাইছিলো আৰু কেতিয়াবা আনন্দৰ ফুলজাৰি জ্বলাইছিলো, সেইবোৰে কেতিয়াবা আজিও আমনি কৰে।

আমাৰ এই বৃহত্তৰ অঞ্চলটোত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মোৰ সাধাৰণ সম্পাদকৰ কালছোৱাত সেই সময়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত নাৰায়ণ বৰগোঁহাই ছাৰ, প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকল আৰু স্থানীয় ৰাইজসকলৰ অনুপ্ৰেৰণাত লঃ তেঃ কঃ মহাবিদ্যালয়তো বিজ্ঞান শাখা খোলাৰ চিন্তা কৰা হৈছিল। আমাৰ সীমিত অৰ্থনৈতিক অৱস্থাৰে আমাৰ মহাদ্যিালয়ত বিজ্ঞান শাখা খোলাটো আকাশত চাং পতাৰ নিচিনা কথা আছিল যদিও সি কাৰ্য্যত পৰিণত হৈ উঠিল। বিজ্ঞান শাখাৰ পাঠদানৰ কাৰণে প্ৰয়োজনীয় আচ-বাব আৰু আন্যান্য সামগ্ৰীৰ কাৰণে অৰ্থৰ প্ৰয়োজন হোৱাত আমিও ওতঃপ্ৰোতভাৱে জড়িত হৈ শিক্ষক, স্থানীয় ৰাইজ, কৰ্মচাৰী সকলোৱে কাৰ্য্যপন্থা গ্ৰহণ কৰিছিলো। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য আছিল অসমীয়া বোলছবি "বৰদৈছিলাৰ বিশেষ প্ৰদৰ্শন", আৱাহন থিয়েটাৰ নাট প্ৰদৰ্শনৰ লগতে আছিল ভাগ্য পৰীক্ষা। এইবোৰৰ জৰিয়তে আমি সীমিত পুঁজিৰে এটি বিজ্ঞান ভৱন আৰম্ভ কৰাৰ পৰিকল্পনা হাতত ল'লো। বিজ্ঞান ভৱনৰ আধাৰশিলা স্থাপনৰ বাবে তেতিয়াৰ অধ্যক্ষ শ্ৰীযুত গোঁহাই ছাৰৰ নিৰ্দেশত মৰেই তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া দেৱক আমন্ত্ৰণ কৰি আনিছিলো আৰু তেখেতে আমাৰ আমন্ত্ৰণ ৰক্ষা কৰিছিল। যাৰ ফলস্বৰূপে লঃ তেঃ কঃ মহাবিদ্যায়খন লক্ষীমপুৰ জিলাৰ ভিতৰত বিজ্ঞান আৰু কলা শাখাৰ এখন আটকধুনীয়া মহাবিদ্যালয় হিচাপে পৰিগণিত হ'ল।

মোৰ কাৰ্য্যকালৰ দিনবোৰ আৰু মই পোৱা তিনিবছৰীয়া দিনবোৰত আমাৰ মহাবিদ্যালয়খনে খেল-ধেমালীৰ লগতে বিভিন্ন প্ৰতিযোগিতাত মহাবিদ্যালয়ক আগবঢ়াই নিছিল। বিশেষকৈ মোৰ সেই দিনবোৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ক্ৰীড়াৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে এক উল্লেখনীয় স্থান লাভ কৰিছিল। সেই দিনবোৰত কোনোবা শ্ৰেণীকোঠাৰ কোনোৱা মুহূৰ্তত ছাৰ-বাইদেউসকলে পাঠদান কৰোঁতে ভগা বেৰৰ জলঙাইদি সূৰ্য্যৰ কিৰণেও আমনি নকৰাকৈ থকা নাছিল। তাৰ মাজতো আমি পাইছিলো শিক্ষক সকলৰ পৰা ভ্ৰাতৃত্ববোধ, অভিভাৱকত্ব আৰু বাইদেউসকলৰ পৰা পৰামৰ্শ আৰু শুভাশীষ।

কিন্তু আৰম্ভণিৰে পৰা পঁচিশ বছৰীয়া জন্মোৎসৱটিত জড়িত হৈ দেখিবলৈ পাইছোঁ — বৰ্তমানৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিলগৰ পৰাহে যেন চাই আছে, তেওঁলোকে সকলো কামতে আগবাঢ়ি আহিব পৰা নাই। তেওঁলোক আগবাঢ়ি আহিলে মহাবিদ্যালয়খনৰ সৌষ্ঠৱ আৰু বৃদ্ধি হ'ব বুলি আশা কৰিব পাৰি।

এতিয়াও মনত ভাঁহি আহে গগৈ ছাৰ, ইছলাম ছাৰ, বিদ্যুৎ ছাৰ আৰু লীলা বৰা ছাৰৰ লগত বহি একেখন টেবুলত এসাজ খোৱা তৃপ্তিৰ কথা, গোলাপ দাদাৰ ৰুমালেৰে জেলি দিয়া, ধঁপাতৰ গান্ধ পানৰ তামোলখন, জ্যোতি বাইদেউৰ বেগত অহা ১২০ মিঠাপতি জৰ্দাপানটো, এলিচ বেগ বাদিউৰ চিনাকী চিঞৰৰ কেইটা, মকৰা দোকানৰ বয়ল কৰা "লোকেল দিম" কেইটা, দুলু, স্যমন্ত, ৰাজীৱ, বাবা, চিদা, হেমকান্ত, সুৰেশ, কৰবী আৰু অন্যান্য বন্ধু-বান্ধৱীৰ লগত খোৱা কেইবা সাজো ভাতৰ কথা মোৰ কেন্টিনত মুনীন্দ্ৰ আৰু ধনটিক ভুতে পোৱাৰ পাছত কেন্টিনখন উঠাই অনাৰ স্মৃতি এতিয়াও মোৰ মানস পটত সজীৱ হৈ আছে। বাৰাইণ্ডাইদি খোজ কাঢ়োঁতে ছাৰ-বাইদেউ সকলৰ গাত খুন্দিয়াই ভিৰৰ মাজত ইফাল-সিফাল কৰাৰ হেম-গেমৰ পৰিৱেশ আজি দেখিবলৈ হয়তো পোৱা নাযায়। মাঠাউৰিৰ ওপৰত ৰ'দ লৈ কাৰোবাৰ লগত কথাপাতি বগৰী খাই থাকোঁতে ক্লাছ খতি কৰাৰ পাছত নোট বিচাৰি লগৰখিনিৰ পৰা ককৰ্থনাৰ শব্দবোৰে এতিয়াও আমনি কৰে। বাপাইদাই (ৰমেশ) দিয়া কানচেপা কেইটা কিমান যে সোৱাদ লগা, চালেমা বাইদেৱে ব্যাকৰণ পঢ়াওঁতে প্ৰশ্ন সোধা আৰু স্কুলীয়া স'ৰাৰ নিচিনাকৈ উঠি ঘপহকৈ উত্তৰ দিয়াটো, লীলা বৰা ছাৰে পাঠদান কৰোঁতে বিভিন্ন ধেমালী কথাৰে উপমা দিয়াৰ মুহূৰ্তবোৰ এতিয়াও সজীৱ হৈ আছে। ভাবলে কিমান যে ভাল লাগে - মহাবিদ্যালয়ৰ বৰ্তমান অধ্যক্ষাকে ধৰি ৰহমান ছাৰ; এলিচ বাইদেউ আৰু বিজ্ঞানৰ বিজু বাইদেৱে পি. এইচ. ডি. লৈ মহাবিদ্যালয়ৰ নাম কেনেধৰণেৰে উজ্বলাই উঠিবলৈ সক্ষম হৈছে আৰু কিমানজনে বা যত্ন কৰি আছে! এইবোৰৰ বাবে গৌৰৱ কৰিব পাৰি।

সঁচাকৈয়ে এনেকুৱা এটা অনুষ্ঠানৰ ২৫ বছৰতে যি পৰিৱেশ বিৰাজমান আৰু পঁচিশ বছৰৰ পাছত হয়তো অসমৰ ভিতৰতে এখন নাম থকা অনুষ্ঠানলৈ পৰিণত হ'ব।

আৰু আমি ছাগে অলৰ বৃদ্ধ হৈ ল'ৰা-ছোৱালীহঁতৰ মুখত বা বাতৰি কাকতত লঃ তেঃ কঃ মহাবিদ্যালয়ৰ কথা শুনিবলৈ বা পঢ়িবলৈ পাম। ❑❑

*"ভগৱানে লঃ তেঃ কঃ মহাবিদ্যালয়ক আগবঢ়াই নিয়ক সেইয়েই প্ৰাৰ্থনা।"*

---

*★★ লেখক কলেজৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক। ★★*

# সমৰ কলাৰ ঐতিহ্য আৰু প্ৰয়োজনীয়তা

শ্ৰীগনেশ গঁগৈ

সমৰ কলাৰ ইতিহাসে সোঁৰৰাই দিয়ে বৰ্তমান মানৱ সভ্যতাৰ লগতে আদিম যুগত মানৱ সভ্যতা বিকাশত কেনেদৰে বৰঙণি যোগাইছিল। প্ৰকৃতিৰ বুকুত যেতিয়া মানুহে নিজৰ ভৰিত নিজে থিয় দিবলৈ আৰম্ভ কৰিলে, ঠিক তেতিয়াই জীয়াই থকাৰ সংগ্ৰামত হাতত অস্ত্ৰ তুলি ল'বলৈ মানুহ বাধ্য হৈছিল। ঠিক তেতিয়াৰে পৰা সমৰ কলাৰ সম্বন্ধ প্ৰকৃতি জগতৰ পৰা মানুহে আহৰণ কৰিবলৈ ধৰিলে। বন্য প্ৰাণী তথা প্ৰকৃতিৰ হিংসুক প্ৰাণীৰ পৰা আত্ম ৰক্ষা কৰিবলৈ প্ৰকৃতিৰ পৰাই তুলি লৈছিল-শিল, লাঠি, জুই ইত্যাদি। ইয়াৰদ্বাৰা ক'ব পাৰি যে সমৰ কলাৰ উৎপত্তি হৈছিল প্ৰকৃতিৰ পৰা।

লাহে লাহে মানৱ সভ্যতাৰ উন্নতিৰ লগে লগে মানুহে সমৰ কলাৰ ওপৰত বিজ্ঞান সন্মত আধ্যয়ন কৰিবলৈ ধৰিলে। প্ৰকৃতিৰ বুকুত থকা জীৱ-জন্তুবোৰৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰি তাৰ পৰা সমৰ কলাৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰিও বন্য প্ৰাণীসমূহ যেতিয়া কৃটিম ভাৱে পোহ-পাল কৰি লোৱা হ'ল, তেতিয়া সেই প্ৰাণী সমূহৰ নিজস্ৰ সমৰ কলা সমূহ হ্ৰাস পালে। সেই বাবে সমৰ কলাক প্ৰকৃতিৰ ওপৰত আৱদ্ধ হৈ আছে বুলি ক'ব পাৰি।

বৰ্তমান সমৰ কলাক বিভিন্ন ঠাইত বিভিন্ন ধৰণে স্বীকৃতি দিছে। Tai-kwon-do ক বৰ্তমান গোটেই বিশ্বই অলিম্পিক খেলত অন্তৰ্ভূক্ত কৰিছে। বিজ্ঞানে আগবঢ়োৱা বন্দুক-বাৰুদে পৰোক্ষ বা প্ৰত্যক্ষ ভাৱে বহু অনিষ্ট কৰিব পাৰে। সমৰ কলাই কিন্তু কোনো অনিষ্ট সাধন নকৰে। যদিহে ই বিজ্ঞানসন্মত হয়। বৰ্তমান সমৰ কলা চহৰ-নগৰ, গাঁৱে-ভূঞে শিপাইছে। ই শুভ লক্ষণ। এনেদৰে আমি জানিব পাৰো যে সমৰ কলা প্ৰকৃতিৰ পৰাই আৰম্ভ হৈছিল আৰু এতিয়াও ইয়াক প্ৰকৃতিৰ বুকুলৈ ঘূৰাই আনিব লাগিব। নহ'লে হয়তো কোনোবা এদিন মানুহে পাহৰি যাব ইয়াৰ উৎপত্তি প্ৰকৃতি আৰু ইয়াৰ সদব্যৱহাৰৰ কথা। বৰ্তমান যান্ত্ৰিকতাৰ প্ৰাদুৰ্ভাৱত মানুহৰ মানসিকতাবোৰ বেয়া দিশৰ ফালে গতি কৰিছে। মুক্ত ভাৱে নিজৰ নিকট সম্বন্ধীয় ককাই-ভাই, বাই-ভনীয়ে চলা-ফুৰা কৰিব নোৱৰা হৈছে। গতিকে সকলোৰে মাজত সমৰ কলাৰ প্ৰয়োজন বেছিকৈ হৈ পৰিছে। এই সমৰ কলাইহে মানুহৰ আধ্যাত্মিক, মানসিক, শাৰীৰিক সকলো দিশত শক্তি বৃদ্ধি কৰি জীয়াই থকাৰ প্ৰেৰণা দিয়ে। নানান ধৰণৰ বেমাৰ-আজাৰ আদিৰ পৰা শৰীৰক প্ৰতি ৰক্ষা দিয়ে, স্মৃতি শক্তি বৃদ্ধি কৰে। গতিকে সমৰ কলাক বৰ্তমান যুগত অতীৱ প্ৰয়োজনীয় বুলি গণ্য কৰা হৈছে।

অন্যহাতে বৰ্তমান সমৰ কলাক খেল হিচাপে ব্যৱহাৰ কৰা হয়। যাৰ ফলত এজন খেলুৱৈয়ে দেশ-বিদেশত খেলি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। বৰ্তমান যুগত খোজত খোজ মিলাই চলিবলৈ সমৰ কলাৰ চৰ্চা অপৰিহাৰ্য্য। যাৰ জৰিয়তে হয়তো এখন নিকা সমাজ গঢ়ি উঠাটো সম্ভৱ হ'ব।

গতিকে আহক! আমি সকলো মিলি গাঁৱে-ভূঞে, নগৰে-চহৰে এখন নিকা সমাজ গঢ়োঁ। সমৰ কলাৰ সাহায়ত এখন বিশুদ্ধ সমাজ গঢ়ি লওঁ- য'ত থাকিব কেৱল শান্তি ; উদাৰতা, ন্যায়, সুবিচাৰ, নিয়মানুবৰ্তিতা, সৎসাহসিকতা, নিৰপেক্ষতা আদি গুণবোৰ। য'ত নাথাকিব অন্যায় অবিচাৰ, কু-কাৰ্য্য আদি। তেতিয়াহে আমাৰ দেশ তথা সমগ্ৰ বিশ্ব শান্তিৰ পথেৰে আগুৱাই যাবলৈ সমৰ্থ হ'ব।

*লেখক আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ আৰু এজন সমৰ কলা সাধক। তেওঁৰ বিস্তৃত বিৱৰণ তলত দিয়া হ'ল।*

আমাৰ মহাবিদ্যালয়ৰ পৰা সমৰ কলা প্ৰতিযোগিতাত সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰতিনিধিত্ব কৰা শ্ৰীগনেশ গঁগৈয়ে টাই কোৱা-ণ্ডো প্ৰতিযোগিতাত প্ৰথমস্থান অধিকাৰ কৰি 'The 1

Dan Black Belt' হিচাপে গৌৰৱ কঢ়িয়াই অনাৰ উপৰিও বিভিন্ন পৰ্য্যায়ৰ প্ৰতিযোগিতাত বিভিন্ন স্থান পাবলৈ সক্ষম হৈছে। ❑❑

তেওঁৰ প্ৰতিযোগিতা সমূহৰ উত্তৰণ তলত দিয়া ধৰণৰ ঃ

(a) Academy of Taekwondo Martial Arts India
Technical centre of
Taekwondo Martial Arts Federation of India
Affiliated to Sangrok World Taekwondo Academy, S. Korea.
Recognignised by :
The World Taekwondo Federation, Kukkiwon
Certificate- The 1st Dan Black Belt: Year-2000, Jan.

(b) Under same Institution at Lakhimpur
Red Belt Holder- year- 1999- June.

(c) North-East Open Taekwondo Championship-Tezpur.
65 to 70 kg. group-3rd place-year-2000-Dec.

(d) Action International Martial Arts Association.
Indian Taekwondo Association.
XIV th Taekwondo National Championship.
Guwahati, Assam-year-2000-Sept.
Below 70 kg.dvn.

(e) Dragon. Martial Arts Academy, India year-1995-Oct.
held at Azad. N.L.
ORANGE Belt holder

(f) Yellow Belt holder - year-1995, Agust.

## ঃ অতীতৰ জলঙাই দিঃ


আন্তঃজিলা সামাজিক বননীকৰণৰ শ্ৰেষ্ঠ দ'ল ঃ ১৯৮৫ চন।



শ্ৰীমতী প্ৰীতি কাকতি।



শ্ৰীমতী নিৰু দত্ত।



শ্ৰীথানেশ্বৰ বৰা।



শ্ৰীযুগল শৰ্ম্মা।



মাননীয় প্ৰয়াত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ দ্বাৰা বিজ্ঞান ভৱনৰ আধাৰ শিলা স্থাপন

## ঃ অতীতৰ জলঙাই দিঃ



মুখ্যমন্ত্ৰীৰ উপদেষ্টা শ্ৰীযুত ভগবান চন্দ্ৰ লহকৰৰ আমাৰ
মহাবিদ্যালয়ত পদাৰ্পন ১-২-২০০২ চন।




ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° দেৱদাস কাকতি,
মহাবিদ্যালয়ৰ উন্নয়ন পৰিষদৰ সঞ্চালক ড° ক্ষেত্ৰধৰ গগৈ আৰু উপ-পঞ্জীয়ক
(শৈক্ষিক) ড° ৰাজীৱ সন্দিকৈয়ে মহাবিদ্যালয়ত পদাৰ্পন কৰা মূহুৰ্ত, ২৪-৪-২০০২ চন।

## ঃ অতীতৰ জলঙাই দিঃ



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° দেৱদাস কাকতিক সম্বৰ্দ্ধনা জনোৱাৰ মূহূৰ্ত, ২৪-৪-২০০২ চন।




১১-৮-২০০২ তাৰিখে অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনত কোৰাচ পৰিবেশনৰ মূহূৰ্ত।

## ঃ অতীতৰ জলঙাই দিঃ




মাননীয় অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাইয়ে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনিত ভাষণৰত অৱস্থাত, ১১-৮-২০০২ চন।




১৩-৮-২০০২ তাৰিখে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ সৌজন্যত অনুষ্ঠিত স্বাস্থ্য পৰিক্ষা শিবিৰৰ এটা মূহূৰ্ত।

## ঃ অতীতৰ জলঙাই দিঃ




১৩-৮-২০০২ তাৰিখে অনুষ্ঠিত স্বাস্থ্য পৰীক্ষা শিবিৰত উপস্থিত থকা ৰাইজৰ একাংশ।



২২-৮-২০০২ তাৰিখে ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰতিষ্ঠা দিবস উপলক্ষে অনুষ্ঠিত সমাজ সেৱা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দল।

## ঃ অতীতৰ জলঙাই দিঃ




ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত সেউজী ধৰা আচনিৰ অধীনত মহাবিদ্যালয়ত বৃক্ষৰোপন কাৰ্য্যসূচীৰ শুভাৰম্ভত ভাষণৰত অৱস্থাত অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই, ২৪-৪-২০০২ চন।

## ঃ অতীতৰ জলঙাই দিঃ




বৃক্ষৰোপন অৱস্থাত জিলা বন বিষয়া শ্ৰীযুত দিব্যধৰ গগৈ।



২২-৮-২০০২ তাৰিখে ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰতিষ্ঠা দিবসত বন্তি প্ৰজ্বলন কৰা অৱস্থাত অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই।

## ঃ অতীতৰ জলঙাই দিঃ




৫-৯-২০০২ তাৰিখে ৰূপালী জয়ন্তী বৰ্ষৰ উপলক্ষে অনুষ্ঠিত স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা, স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাই আৰু স্বৰ্গীয় কৰুণা শৰ্মা দেৱৰ সোঁৱৰণী চলন্ত ট্ৰফী কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলৰ সৈতে অধ্যক্ষা আৰু উপাধ্যক্ষ।

# মহাবিদ্যালয়ৰ প্ৰাক্তন সভাপতি মঃ নুৰুদ্দিন আহমদৰ সৈতে অতীত সোঁৱৰণ ঃ

<u>ছাৰৰ জীৱন পঞ্জী ঃ</u>

মঃ নুৰুদ্দিন আহমদ ছাৰৰ জন্ম হয় ১৯১৫ চনৰ ২৯ অক্তোবৰ তাৰিখে লক্ষীমপুৰৰ এঙাৰখোৱা চাৰিআলিত। তেখেতে ১৯২৮ চনত উত্তৰ লক্ষীমপুৰ চৰকাৰী হাইস্কুলত নাম ভৰ্তি কৰি ১৯৩৬ চনত প্ৰৱেশিকা পৰীক্ষা দ্বিতীয় বিভাগত উৰ্ত্তীন হয় আৰু লগে লগে কেৰাণী চাকৰিত যোগদান কৰে। তাৰপিছতে তেখেতে পানীগাঁও এম. ভি. স্কুলত চাকৰি কৰে। এই চাকৰি কৰি থকা অৱস্থাতেই তেখেতে নৰ্মাল প্ৰশিক্ষণ লয়। তেখেত স্কাউট মাষ্টৰ আছিল বাবে দ্বিতীয় মহাসমৰৰ সময়ত শিক্ষকতা বাদ দি সৈন্য বাহিনীত যোগদান কৰে। সৈন্য বাহিনীত থকা সময়ত তেখেতে ভাৰতৰ বিভিন্ন ঠাইৰ উপৰিও ৰেংগুন, বাৰ্মা আদি ঠাইতো চকৰি কৰিব লগা হৈছিল। দ্বিতীয় মহাসমৰ শেষ হোৱাত তেখেতে সৈন্য বাহিনীৰ পৰা আজৰি হৈ আহি শ'লাল তেলাহী এম. ই. স্কুলৰ (বৰ্তমান এছ. টি. কে. হাইস্কুল) প্ৰধান শিক্ষক পদত যোগদান কৰে। এই চাকৰি কৰি থকা সময়ত তেখেতে স্নাতক উপাধি লাভ কৰি ১৯৪৮ চনত লক্ষীমপুৰ চৰকাৰী হাইস্কুলৰ চাকৰিত যোগদান কৰিছিল। ১৯৬০ চনত তেখেতে শিক্ষকতা এৰি স্কুল চাব্ ইন্সপেক্টৰ চাকৰিলৈ যায়। এই চাকৰি কালত তেখেতে বি. টি. উপাধিও লাভ কৰে। ১৯৭৪ চনত তেখেতে চাকৰী জীৱনৰ পৰা অৱসৰ লয়। অৱসৰৰ পাছত তেখেতে হোমিও চিকিৎসা পদ্ধতিৰ এইছ্. এম. বি. ডিপ্ল'মা লয় আৰু গাঁৱে ভূঞে গৈ ৰোগী চিকিৎসা কৰিছিল। ইয়াৰ উপৰিও এঙাৰখোৱা হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব, ইন্দিৰা গান্ধী বালিকা উচ্চ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক, লঃ তেঃ মহাবিদ্যালয়ৰ সভাপতি আদি বহুতো সামাজিক অনুষ্ঠানৰ দায়িত্ব বহন কৰিছিল।

আমি যেতিয়া গ'লো ছাৰ তেতিয়া বিছনাত। মনটো দুখেৰে ভৰি গ'ল। নমস্কাৰ জনাই ছাৰৰ কাষত বহিলো আৰু উদ্দেশ্যৰ বিষয়ে জনালো। এটি ম্লান হাঁহি মাৰি বিছনাতে বহি ছাৰে আমাৰ লগত কথা পাতিবলৈ ধৰিলে। বাৰ্দ্ধক্যৰ হেঁচাত জুৰুলা হোৱা চাৰৰ লগত এখন্তেক কথা পাতি পোৱা কথাখিনি স্মৃতিগ্ৰন্থত ধৰি ৰখাৰ লোভ সামৰিব নোৱাৰি ভৱিষ্যত প্ৰজন্মৰ কাৰণে দিব বিচাৰিছো ঃ-

**প্ৰশ্ন ঃ** মহাবিদ্যালয়ৰ সভাপতি পদটো অলংকিত কৰা সময়ৰ কিবা ঘটনাই আপোনাৰ মনত বিশেষভাৱে আনন্দ দিছিলনে?

**উত্তৰ ঃ** মোক এটা ঘটনাই বিশেষভাৱে আনন্দ দিছিল। সেই ঘটনাটো আছিল ১৯৭৮ চনৰ কথা। মহাবিদ্যালয় খোলাৰ অনুমতিৰ পৰিদৰ্শনৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক শ্ৰীযুক্ত ডম্বৰুধৰ গগৈদেৱে পৰিদৰ্শন কৰিবলৈ আহিছিল। পৰিদৰ্শনৰ দিনা আহ্বান কৰা ৰাজহুৱা সভাত স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা (পৰিচালনা সমিতিৰ সভাপতি) দেৱে মোক সভাখন চলাবলৈ দিছিল। আমাৰ সভাপতিৰ ভাষণত কলেজ এখন ৰাইজে পাতিছো, এই পতা অনুষ্ঠানটো মৰি নাযায়। এই অনুষ্ঠানটো গঢ়ি উঠাৰ ক্ষেত্ৰত

আজিৰ পৰিদৰ্শক শ্ৰী ডম্বৰুধৰ গগৈদেৱৰ কলমৰ ওপৰত নিৰ্ভৰ কৰিব। এখেতৰ কলমত যদি অনুমতি পায়, তেন্তে ভৱিষ্যতে আমি সকলো নাইকিয়া হৈ যোৱাৰ পিছতো এই অনুষ্ঠানৰ প্ৰতিটো ইটা, গছ-গছনি আদি সকলোৱেই এদিন আমাৰ নাম সুঁৱৰি থাকিব। সভাত পৰিদৰ্শক গগৈদেৱে অনুমতি দিয়াৰ ব্যৱস্থা কৰিম বুলি প্ৰতিশ্ৰুতি দি গৈছিল। এমাহৰ ভিতৰতেই যেতিয়া অনুমতি আহিছিল, তেতিয়া মনত যিটো আনন্দ পাইছিলো তাক আজিও পাহৰিব পৰা নাই।

প্ৰশ্ন ঃ মহাবিদ্যালয়খনে আজি ৰূপালী জয়ন্তী পতাৰ খবৰ পোৱাত আপোনাৰ কেনে অনুভৱ হৈছে?

উত্তৰ ঃকিমান আনন্দ পাইছোঁ ইয়াক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰোঁ।

প্ৰশ্ন ঃ মহাবিদ্যালয়ৰ সভাপতি হৈ থকা অৱস্থাত বিশেষ বৰঙনি আগবঢ়োৱা ব্যক্তিসকলৰ নাম ক'বনে?

উত্তৰ ঃমহাবিদ্যালয়লৈ বিশেষ বৰঙনি আগবঢ়োৱা সকলোলোকৰে নাম উল্লেখ কৰিব নোৱাৰিম। মাত্ৰ কেইজনমানৰ নামহে উল্লেখ কৰিছো। ইয়াৰ ভিতৰত স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা, স্বৰ্গীয় কুমুদ শৰ্মা, শ্ৰী ভোলা মহন্ত, স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰগোঁহাই, শ্ৰী দেৱেন্দ্ৰ নাথ ভূঞা আদিয়েই প্ৰধান।

প্ৰশ্ন ঃ আপোনাৰ সভাপতিৰ কাৰ্য্যকালত আৰু বৰ্তমান মহাবিদ্যালয়খনিৰ মাজত কিবা পাথৰ্ক্য দেখা পাইছেনে?

উত্তৰ ঃএই দুটা সময়ৰ মাজৰ মূল পাৰ্থক্য হ'ল সেই সময়ত নৰা ঘৰৰ তলত শিক্ষা দিছিল আৰু শিক্ষক কৰ্মচাৰীসকলে বিনাবেতনে তেখেতলোকৰ বহুমূলীয়া সেৱা আগবঢ়াইছিল। বৰ্তমান পকাঘৰৰ তলত শিক্ষা দান কৰিছে আৰু চৰকাৰে দৰ্মহা দিয়াৰ ব্যৱস্থা কৰি ৰাইজৰ দায়িত্ব কমাই দিছে।

প্ৰশ্ন ঃ ভৱিষ্যত প্ৰজন্মৰ বাবে আপুনি কিবা উপদেশ দিবনে?

উত্তৰ ঃজাতীয় চেতনা নোহোৱা শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন কৰিব লাগিব। স্বাৰ্থপৰতা নোহোৱা শিক্ষা ব্যৱস্থা প্ৰচলন কৰিব লাগিব। যাৰ ফলত স্বাৰ্থলোভী শ্ৰেণীৰ জন্ম নহ'ব আৰু নতুন প্ৰজন্মই উন্নতিৰ পথত আগবাঢ়িব পাৰিব। যদি বৰ্তমানৰ দৰে স্বাৰ্থলোভী লোকে দেশ শাসন কৰে, শিক্ষা বিভাগৰ লগত জড়িত লোকে যদি অনুপযুক্ত কিতাপসমূহ অনুমোদন দিয়ে তেন্তে যি দলেই দেশ শাসন নকৰক কিয়, সেইবোৰ কিতাপ পঢ়ি কোনো দিনেই নতুন প্ৰজন্মই দেশৰ প্ৰগতিৰ কথা চিন্তা কৰিব নোৱাৰিব।

প্ৰশ্ন ঃ ছাৰ ! আপোনাক আমনি দিলো।

উত্তৰ ঃঅৱসৰ প্ৰাপ্ত বুঢ়া মানুহে এনে আমনি নাপালেহে আমনি পায়।

প্ৰশ্ন ঃ ছাৰ আহো এতিয়া - পুনৰ লগ পোৱাৰ আশা থাকিল।

উত্তৰ ঃ সদায়েই আহিবা - আৰুনো কিমান দিন ? বেলি ডুবু ডুবু। এটা প্ৰফুল্লিত মন লৈ ঘূৰি ছাৰৰ কথাবোৰে আমালৈ ভৱিষ্যতৰ বাবে প্ৰেৰণাৰ পথ যেন দেখুৱাই দিছে। ❑❑

**☆☆সাক্ষাত গ্ৰহণ কৰে অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰী যুত লীলা বৰা আৰু ইংৰাজী বিভাগৰ প্ৰবক্তা বাহাৰুল ইছলামে।☆☆**